# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী

# LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE

২০০০-২০০১-২০০২ চন



লক্ষীমপুৰ তেলাহী কমলাবৰীয়া

।। তমসো মা জ্যোতির্গময় ।।

স্থাপিত- ১৯৭৭

মহাবিদ্যালয়





উপদেষ্টা

অধ্যাপক লীলা বৰা

সম্পাদিকা

অপৰাজিতা দত্ত

# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী

# LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE

২০০০-২০০১-২০০২ চন

2000-2001-2002

L.T.K. College Library
Estd 1977
Date........
Azad, North Lakhimpur

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
।। তমসো মা জ্যোতিৰ্গময় ।।
স্থাপিত-১৯৭৭

*আন্তৰিক শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছাৰে,*

..........................................................................

..........................................................................

..........................................................................

*উপদেষ্টা*
In-Charge

অধ্যাপক লীলা বৰা
Prof. Lila Borah

*সম্পাদিকা*
Editor

অপৰাজিতা দত্ত
Aparajita Dutta

## সম্পাদনা সমিতি

*সভাপতি ঃ*
অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই

*উপদেষ্টা ঃ*
লীলা বৰা

*অধ্যাপক সদস্য/সদস্যা ঃ*
নাৰায়ণ গগৈ
চালেমা বেগম
বাহাৰুল ইছলাম

*সদস্য/সদস্যা ঃ*
বিনীতা দত্ত
প্ৰাঞ্জল সন্দিকৈ

*সম্পাদিকা ঃ*
অপৰাজিতা দত্ত

*এই সংখ্যাৰ ঃ*
*বেটুপাত ঃ*
সম্পাদনা সমিতি

*অংগসজ্জা ঃ*
সম্পাদিকা

*অলংকৰণ ঃ*
অপৰাজিতা দত্ত

*ফটো ঃ*
দেৱানজী ষ্টুডিঅ'

*মুদ্ৰণ ঃ*
**কস্তুৰী প্ৰিণ্টাৰ্ছ**
নকাড়ী, উঃ লক্ষীমপুৰ
ফোন- ২৪৩৫৮৭

*প্ৰকাশক ঃ*
ছাত্ৰ একতা সভা
২০০০-২০০১-২০০২

## কৃতজ্ঞতা

- লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ
  অধ্যক্ষা, ড° লাৱণ্য বুঢ়াগোঁহাই
  উপাধ্যক্ষ, ড° হামিদুৰ ৰহমান।
- ২০০০-২০০১ বৰ্ষৰ উপদেষ্টা
  অধ্যাপিকা শ্ৰীযুতা সোণেশ্বৰী শইকীয়া বাইদেউ।
- শিক্ষাগুৰু চালেমা বেগম, বদন কলিতা, প্ৰফুল্ল নাথ, নাৰায়ণ গগৈ, সম্পূৰ্ণা চলিহা, ৰুমী দত্ত, জ্যোতি বৰুৱা, বিজু সোণোৱাল, এলিচ বেগ, বসন্ত দত্ত।
- ককাইদেউ অনুজ ভূএগ আৰু কমল হাজৰিকা।
- নিজৰ ব্যস্ততাৰ মাজতো গাৰ ছাঁৰ দৰে লাগি থকা মৰমৰ বান্ধৱী দীপালী, কংকনা, বৰ্ণালী আৰু লিমি।
- অনবৰতে সহায়ৰ হাত আগবঢ়োৱা দাদা পুৰু, হোমেন, ভৱ, প্ৰহ্লাদ, জয়ন্ত, মুকুল আৰু খনিকৰ।
- ভাইটি লেখন (জান), ভণ্টি ডলী আৰু পাপুলি।
- ফাইন আৰ্ট কলেজৰ অধ্যক্ষ, শ্ৰীভৱানন্দ সোণোৱাল।
- কস্তুৰী প্ৰকাশনৰ স্বত্বাধিকাৰ শ্ৰীকিৰণ দেৱ চৌধুৰী।
- দেৱানজী ষ্টুডিঅ'ৰ কৰ্মকৰ্তা।

# উৎসৰ্গা

যিসকল মহান ব্যক্তি (জীৱিত আৰু প্ৰয়াত)ৰ

অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত

আমাৰ মহাবিদ্যালয়খনিয়ে আজি

ৰূপালী জয়ন্তী বৰ্ষত

ভৰি দিলেহি

সেইসকলৰ ওচৰত কৃতজ্ঞতাৰে

এই সংখ্যাটি

উছৰ্গা কৰিলোঁ।

*****

# শ্ৰদ্ধাঞ্জলি

মৃত্যুতে সকলো শেষ হোৱা নাই
জ্বলি আছে প্ৰতিয়াও গৰিমাৰ চাকি গছি
সেয়ে, কালৰ বুকুত হেৰাই নোযোৱাসকল হ'ল
সাহিত্যিক চৈয়দ আব্দুল মালিক
কবি নৱকান্ত বৰুৱা
সংস্কৃত পণ্ডিত বিশ্ব নাৰায়ণ শাস্ত্ৰী
জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমদ
ঔপন্যাসিক লুম্বেৰ দাই
ইতিহাসবিদ হেৰম্ব বৰপূজাৰী
উপ ৰাষ্ট্ৰপতি কৃষ্ণকান্ত
লোকসভাৰ অধ্যক্ষ জি.এম.চি. বালাযোগী
কলেজ প্ৰতিষ্ঠাপক সম্পাদক কুমুদ শৰ্মা
কবি-সাহিত্যিক বীৰেণ বৰকটকী
আমাৰ মাজৰ পৰা হেৰাই যোৱা
এইসকল প্ৰতিভাবান ব্যক্তিৰ
বিদেহী আত্মালৈ সশ্ৰদ্ধ
শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

********

**VICE -CHANCELLOR** **DIBRUGARH UNIVERSITY**

**DIBRUGARH, PIN-786 004 (ASSAM)**

**Dr. D. Kakati**
Vice-Chancellor

Phone : 0373-2370239(Office)
Fax No. : 0373-2370323
E-mail : devdaskakati@yahoo.com

No.DU/VC/Message/2002/2078 Date: 24th July,2002

# MESSAGE

To
Miss Aparajita Dutta,
Magazine Secretary
Lakhimpur Telahi Kamalabaria College
Azad, North Lakhimpur-787 001
Assam

Dear Miss Dutta,

I am very happy to learn that you are bringing out the College Journal in the near future. I extend my goodwill to all of you in this creative effort.

At the very beginning of the new century,I would like to share with you my deep conviction that it is time for each of us individually and collectively to understand our own roles and duties,do accordingly and build up our own competence.Only then we can expect to benefit from any help we get from others.This means growing from inside. We must grow from inside first.

Please remember, there are three steps to success : a DREAM, an AWAKENING and WORK.Our dream is a developed Assam,one Assam.Our awakening is a new cultural revolution to adjust ourselves to the requirements of a globalized world made small by science and technology, while keeping ourselves anchored in our own time-tested value system.The work is to build up a developed prosperous one Assam through innovations and entrepreneurial work.This is the best contribution we can make to realise our vision of a developed India in the new century.

With good wishes to all of you.

Yours sincerely,

**(Devdas Kakati)**

*আমাৰ শ্ৰদ্ধেয় অধ্যক্ষা...................*



**ড° লাৱণ্য বুঢ়াগোহাঁই**

আশা ৰাখিছো আমাৰ মহাবিদ্যালয়খনি
অধ্যক্ষা মহোদয়াই সৃষ্টিৰ তুলিকাৰে
ৰঙীণ কৰিব।



ব্যস্ততাই যাৰ জীৱনৰ লগৰী
এয়া আমাৰ উপাধ্যক্ষ
কৰ্মৰত অৱস্থাত

ড° হামিদুৰ ৰহমান।

# সম্পাদনা সমিতি



বহি (*বাওঁফালৰ পৰা*) ঃ শ্ৰীযুত নাৰায়ণ গগৈ, বাহাৰুল ইছলাম, ড° লাৱণ্য বুঢ়াগোহাঁই (অধ্যক্ষা), অধ্যাপিকা ছালেমা বেগম, শ্ৰীযুত লীলা বৰা (উপদেষ্টা)।

থিয় হৈ ঃ শ্ৰীমতী অপৰাজিতা দত্ত (সম্পাদিকা), শ্ৰীমতী বিনীতা দত্ত (ছাত্ৰী সদস্যা)।

অনুপস্থিত ঃ শ্ৰীযুত প্ৰাঞ্জল সন্দিকৈ (ছাত্ৰ সদস্য)।

## ২০০০—২০০১ বৰ্ষৰ ছাত্ৰ একতা সভা



**বহি (*বাওঁফালৰ পৰা*) ঃ** অধ্যাপক বাহাৰুল ইছলাম (*উপদেষ্টা ছাত্ৰ জিৰণি কোঠা*), অধ্যাপক নাৰায়ণ গগৈ (*উপদেষ্টা, সমাজ সেৱা বিভাগ*), অধ্যাপক বিদ্যুত চুতীয়া (*লঘু ক্ৰীড়া বিভাগ*), অধ্যাপিকা ৰুমী দত্ত (*তৰ্ক আৰু আলোচনা বিভাগৰ উপদেষ্টা*), অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোহাঁই (*সভাপতি*), অধ্যাপিকা অঞ্জলিকা ৰাজখোৱা (*উপদেষ্টা, সাংস্কৃতিক বিভাগ*), অধ্যাপিকা সোণেশ্বৰী শইকীয়া (*উপদেষ্টা, আলোচনী বিভাগ*), অধ্যাপিকা সম্পূৰ্ণা চলিহা (*ছাত্ৰী জিৰণি কোঠাৰ উপদেষ্টা*)।

**থিয় হৈ (*বাওঁফালৰ পৰা*) ঃ** শ্ৰীউমানন্দ বৰা (*সম্পাদক, সাংস্কৃতিক বিভাগ*), শ্ৰীদিপু গোহাঁই বৰুৱা (*সম্পাদক সমাজসেৱা বিভাগ*), শ্ৰীঅচ্যুত গগৈ (*লঘু ক্ৰীড়াৰ সম্পাদক*), শ্ৰীমতী মৃদুস্মিতা বৰগোহাঁই (*ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা*), শ্ৰীমতী অপৰাজিতা দত্ত (*সম্পাদিকা, আলোচনী বিভাগ*), শ্ৰীৰূপম দত্ত (*গুৰু ক্ৰীড়াৰ সম্পাদক*)।

**অনুপস্থিত ঃ** অধ্যাপক বিজু সোণোৱাল (*উপদেষ্টা, গুৰু ক্ৰীড়া বিভাগ*), শ্ৰীৰূপ কুমাৰ পেগু (*সহঃ সাধাৰণ সম্পাদক*), শ্ৰীবিজু বৰা (*সম্পাদক, তৰ্ক আৰু আলোচনা বিভাগ*), শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া (*ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক*), শ্ৰীদিপাঙ্কৰ গগৈ (*সহঃ সাধাৰণ সম্পাদক*)।

## ২০০১—২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



**বহি (*বাওঁফালৰ পৰা*) ঃ** অধ্যাপক নাৰায়ণ গগৈ (*উপদেষ্টা, সমাজ সেৱা বিভাগ*), অধ্যাপক বিদ্যুত চুতীয়া (*লঘু ক্ৰীড়া বিভাগ*), অধ্যাপক লীলা বৰা (*উপদেষ্টা, আলোচনী বিভাগ*), অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোহাঁই (*সভাপতি*), অধ্যাপিকা অঞ্জলিকা ৰাজখোৱা (*উপদেষ্টা, সাংস্কৃতিক বিভাগ*), অধ্যাপিকা পদ্মা গোহাঁই (*উপদেষ্টা ছাত্ৰী জিৰণি কোঠা*)।

**থিয় হৈ (*বাওঁফালৰ পৰা*) ঃ** শ্ৰীউমানন্দ বৰা (*সম্পাদক, সাংস্কৃতিক বিভাগ*), শ্ৰীনবীন শইকীয়া (*ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক*), শ্ৰীঅচ্যুত গগৈ (*গুৰু ক্ৰীড়াৰ সম্পাদক*), শ্ৰীপুলক দাস (*সহঃ সম্পাদক*), শ্ৰীনৱেন হাজৰিকা (*সাধাৰণ সম্পাদক*), শ্ৰীহেমন্ত নাথ (*সমাজ সেৱক সম্পাদক*), শ্ৰীমতী ভাৰতী বৰা (*তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা*), শ্ৰীমতী অপৰাজিতা দত্ত (*সম্পাদিকা, আলোচনী বিভাগ*), শ্ৰীমতী মৃদুস্মিতা বৰগোহাঁই (*লঘূ ক্ৰীড়া বিভাগৰ সম্পাদিকা*), শ্ৰীমতী বুলমণি সোণোৱাল (*ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা*)

**অনুপস্থিত ঃ** শ্ৰীযুত বিজু সোণোৱাল (*উপদেষ্টা, গুৰু ক্ৰীড়া বিভাগ*), শ্ৰীযুত বসন্ত দত্ত (*সম্পাদক, তৰ্ক আৰু আলোচনা বিভাগ*), শ্ৰীযুত ৰূপ কুমাৰ পেগু (*উপ সভাপতি*)।

অধ্যাপক / অধ্যাপিকা সকলৰ একাংশ



মহাবিদ্যালয়ৰ
কৰ্মচাৰী বৃন্দৰ
একাংশ





মহাবিদ্যালয়ৰ
গৱেষণাগাৰৰ
একাংশ

অধ্যক্ষা আৰু উপাধ্যক্ষ
মহোদয়ৰ সৈতে
বিজ্ঞান শাখাৰ
অধ্যাপক / অধ্যাপিকা
সকলৰ
একাংশ



# আ.মা.ৰ. গৌ.ৰ.ৱ...... ✵ ✵ ✵ ✵ ✵ ✵ ✵ ✵



**Mr. Bharat Sangmai**
বছৰৰ শ্ৰেষ্ঠ কেৰম চেম্পিয়ন
২০০১—২০০২



**Mr. Hamanta Gogoi**
বছৰৰ শ্ৰেষ্ঠ গায়ক
২০০১—২০০২



**Mr. Mukul Nath**
বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক
২০০১—২০০২



**Ms. Bornali Borah**
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ
২০০০—২০০১



**Ms. Madhusmita**
বেডমিণ্টন চেম্পিয়ন
২০০০—২০০১



**Mr. Jadu**
বেডমিণ্টন চেম্পিয়ন
২০০১—২০০২



**Ms. Bharali Borah**
বছৰৰ শ্ৰেষ্ঠ অভিনেত্ৰী
২০০০—২০০১



**Mr. Prasanta Chetia**
বছৰৰ শ্ৰেষ্ঠ গায়ক
২০০০—২০০১



বছৰৰ শ্ৰেষ্ঠ কুইজ দল
বৰ্ণালী নাথ, ৰূপামণি বুঢ়াগোহাঁই, হিতেশ ডেকা, কৰুণ শইকীয়া (*বাওঁফালৰ পৰা*)

**Mr. Phulkanta Pegu**
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ
২০০১—২০০২

আ.মা.ৰ. গৌ.ৰ.ৱ



২০০১-২০০২ চনৰ কলেজ সপ্তাহৰ ফুলসজ্জা প্ৰতিযোগিতাৰ আলোকপাত



২০০১-২০০২ চনৰ শ্ৰেষ্ঠ সমাজসেৱকৰ দলটো

# বিষয়সূচী


| | | |
|---|---|---|
| সম্পাদকীয় | | |
| ***প্ৰবন্ধ শিতান ঃ*** | | |
| ➢ বেজবৰুৱাৰ হাস্যৰসাত্মক প্ৰবন্ধাৱলী | ✍ মুকুল নাথ | ০৩ |
| ➢ ৰেলগাড়ী আৱিষ্কাৰক জৰ্জ ষ্টিফেনচন আৰু বৰ্তমান শতিকা | ✍ অপৰাজিতা দত্ত (ৰিয়া) | ০৫ |
| ➢ জাতীয় সংহতি, সমন্বয় আৰু শ্ৰীমন্ত শংকৰদেৱ | ✍ বিনীতা দত্ত | ০৭ |
| ➢ নাৰী মুক্তিত শিক্ষাৰ ভূমিকা ঃ এক প্ৰাসংগিক চিন্তা | ✍ কাকুমণি বৰা | ০৯ |
| ➢ চৰিত্ৰ গঠনত আচৰণৰ ভূমিকা | ✍ বৰ্ণালী নাথ | ১১ |
| ➢ শিক্ষাৰ অন্তৰায় হিচাপে ৰেগিং | ✍ অমৃত শইকীয়া | ১৩ |
| ➢ মাদক দ্ৰব্য নিবাৰণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা | ✍ কৰুণজ্যোতি শইকীয়া | ১৪ |
| ➢ কৃত্ৰিম প্ৰসাধনৰ অপকাৰ আৰু প্ৰাকৃতিক প্ৰসাধনৰ উপকাৰ | ✍ ভাৰতী বৰা | ১৬ |
| ***আলোকপাত ঃ*** | | |
| ✪ কপৌফুলৰ অবিহনে বহাগ বিহু | ✍ হিতেশ ডেকা | ১৯ |
| ***কবিতাৰ শিতান ঃ*** | | |
| ☆ তেজৰ দিনত মৃত্যুৰ পৰিচয় | ✍ মঞ্জু দত্ত | ২৩ |
| ☆ আঘোণ | ✍ ভাৰতী নাথ | ২৪ |
| ☆ দ্বিধা | ✍ বেবী দত্ত | ২৪ |
| ☆ মাতৃৰ আহ্বান | ✍ বিশ্বজিত দলে | ২৫ |
| ☆ গোলাপৰ অপেক্ষাত | ✍ ভাস্কৰ চুতীয়া | ২৬ |
| ☆ মোৰ কবিতা | ✍ ৰিতুমণি গগৈ | ২৬ |
| ☆ সোণোৱালী আঘোণ | ✍ হেমন্ত চেতিয়া | ২৭ |
| ☆ নিচাৰ পৰিণতি | ✍ কৰুণজ্যোতি শইকীয়া | ২৭ |
| ☆ আশাৰ পদুমকলি | ✍ হেমন্ত কোঁচ | ২৮ |
| ☆ তোমালৈ | ✍ দিলীপ নাথ | ২৮ |
| ☆ তুমি সেউজীয়া উপত্যকা | ✍ ৰূপামণি বুঢ়াগোহাঁই | ২৯ |
| ☆ জীৱন নদীৰ পাৰ | ✍ কংকনা বৰা | ৩০ |
| ***গল্পৰ শিতান ঃ*** | | |
| ❖ বন্ধুত্ব | ✍ বিটুমণি গগৈ | ৩৩ |
| ❖ স্মৃতিৰ দিগন্তত সূৰ্য্যোদয় | ✍ পূৰবী বৰুৱা | ৩৪ |
| ❖ এতিয়াৰ পৰা· | ✍ মধুস্মিতা বৰগোহাঁই | ৩৬ |
| ❖ মিনাৰ চিৰ্ঠি | ✍ উমানন্দ বৰা | ৩৮ |
| ❖ উইল | ✍ কাকুমণি বৰা | ৪০ |
| ❖ মুক্তি | ✍ মোঃ ইমদাদ আহমেদ | ৪২ |
| ❖ নিয়তিৰ পৰিহাস | ✍ ৰূপামণি বুঢ়াগোহাঁই | ৪৪ |
| ❖ পৰাজিত নায়ক | ✍ অচ্যুত গগৈ | ৪৬ |
| ✷ মহান বিজ্ঞানীৰ ৰসাল কাহিনী ঃ | ✍ মিতালী চাংমাই | ৪৮ |
| ***প্ৰাচীৰ পত্ৰিকা শিতান ঃ*** | | ৫১-৫৪ |
| ❑ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন | | ৫৭-৭১ |
| **ENGLISH SECTION:** | | |
| ★ The land of peace and love | ✍ Binita Dutta | 75 |
| ★ A New Path | ✍ Ananta Kakati | 75 |
| ★ My heart's calling | ✍ Rupjyoti Gogoi | 76 |
| ★ Life | ✍ Kongkana Borah | 76 |
| ★ What is love? | ✍ Nibir Mohan Hazarika | 77 |
| ✣ Environmental Education in India | ✍ Dr. Hamidur Rahman | 78 |
| ✣ Galaxy | ✍ Mr. Chandan Gogoi | 81 |
| ✣ Laser: A simple idea and its applications | ✍ Mr. M. Kakoti | 83 |
| ✣ Bonsai: A Japanese Culture | ✍ Mr. B. Hazarika | 85 |
| ✣ Home Science in India today: a brief discussion | ✍ Deepali Das | 87 |
| ✣ $CO_2$ (Green House Effect) and Carbon monoxide | ✍ Sri Debajit Dutta | 91 |



# সম্পাদকীয়

শিক্ষা হৈছে পৃথিৱী গঢ়াৰ সৃষ্টিৰ শলিতা। শিক্ষা সুন্দৰ, সত্য মানুহ গঢ়াৰ সমল। শিক্ষাই মানুহক অজ্ঞানতাৰ অটল গৰ্ভৰপৰা তুলি আনি ৰাতিৰ আকাশৰ তৰাৰদৰে জিলিকাই তোলে। শিক্ষাই মানুহৰ মানৱ প্ৰতিভাবোৰ বিকশিত কৰাৰ লগতে বৌদ্ধিক চিন্তাচৰ্চা উচ্চ পৰ্য্যায়ত তুলি দি জ্ঞানৰ আলোকেৰে আলোকিত কৰি জন্ম দিয়ে নতুন সূৰুযৰ নতুন প্ৰভাত।

শিক্ষাই আমাক জ্ঞানৰ মুকুতা বুটলি পোহৰৰ বাট দেখুৱাই দিয়ে; কিন্তু সাম্প্ৰতিক সময়ত গতানুগতিক শিক্ষাই আমাক কি দিছে আৰু তাৰ বিপৰীতে আমি কি পাইছো? বৰ্তমান সময়ত গতানুগতিক শিক্ষাৰে পৰিপুষ্ট ডিগ্ৰীধাৰী এজন যুৱক জানো সমস্যাৰ চাকনৈয়াৰ কৰাল গ্ৰাসৰ পৰা এই শিক্ষাৰে পৰিত্ৰাণ পাব পাৰিব? আমি সন্দিহান হৈছো পাৰিব নে নোৱাৰে? হয়তো নোৱাৰে। কাৰণ আমি শিক্ষিত হোৱা নাই আমি সাক্ষৰহে হৈছো। আমি সাক্ষৰিত হৈ আমাৰ মাজত পাইছো লাখ লাখ নিবনুৱা। শিক্ষা যে বৰ্তমান সময়ত অনৰ্থক তাক আমি ক'ব খোজা নাই; কিন্তু এই গতানুগতিক শিক্ষাৰ লগতে আমাৰ ছাত্ৰ-ছাত্ৰীক বৃত্তিধাৰী শিক্ষাও প্ৰদান কৰিব লাগিব। তেতিয়াহে আমাৰ যুৱক-যুৱতীসকলে কৰ্মসংস্থান পাব আৰু কম পৰিমাণে হলেও নিবনুৱা সমস্যা হ্ৰাস হ'ব আৰু চাকনৈয়াৰ কৰাল গ্ৰাসৰ পৰা পৰিত্ৰাণ পাব। বৰ্তমান সময়ত স্কুল কলেজসমূহত ডিগ্ৰীধাৰী শিক্ষাৰ লগতে কাৰিকৰী শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে আমাৰ উঠি অহা যুৱক-যুৱতীসকল কৰ্মসংস্থানমুখী হলে আমাৰ দেশৰ উন্নতি হ'ব। অন্যহাতেদি আকৌ প্ৰাইমেৰী বিদ্যালয়সমূহত শিক্ষাৰ নামত যি প্ৰতিকূল পৰিৱেশ গঢ়ি উঠিছে সেয়া আমি কোনোমতে সুস্থ বুলি ক'ব নোৱাৰো।

ইয়াৰ উপৰিও যুৱ সমাজত দেখা দিয়া যুৱ উশৃংখল, নৈতিকতাহীন, উদণ্ড, উশৃংখল যুৱক-যুৱতীসকলে আমাৰ নৱ প্ৰজন্মক আন্ধাৰৰ মাজত পোহৰ বিচাৰিবলৈ, উৎসাহিত কৰাৰ বিপৰীতে আন্ধাৰৰ গহ্বৰত সুমুৱাই এদিন ধ্বংসস্তুপত পৰিণত কৰাব। বৰ্তমান যুৱ সমাজৰ মাজত ঘটি থকা নানা অপ্ৰীতিকৰ ঘটনাই সমাজত যি অৰাজকতাৰ সৃষ্টি কৰিছে সেইবোৰে সমাজৰ ঋণাত্মক দিশটোকহে উদঙাই দেখুৱায়; কিন্তু এই যুৱ উশৃংখলৰ কেৰোণ ক'ত আমি যুৱক-যুৱতীসকলে সচকিত হৈ বিচাৰিব লাগিব। এই ফালৰপৰা আমাৰ দৃষ্টিগোচৰ হয় আৰ্থিকভাৱে দুৰ্বল ঘৰৰ যুৱক-যুৱতীসকল এই সমস্যাৰ কুটাঘাটৰ বলি নহয়, এই কুটাঘাতৰ বলি হয় ধনীৰ দুলালী অভিভাৱকৰ সন্তানসকলহে। তেওঁলোকে বিলাসিতাপূৰ্ণ সোণালী জীৱনৰ সোণৰ চেকুৰা বুটলিবলৈ যাওঁতে অবাটে পৰিচালিত হৈ বিভিন্ন অপ্ৰীতিকৰ কামত হাত দিয়ে যাৰ ফলত তেওঁলোকে নিজকে অন্ধকাৰৰ ফালে ঠেলি নিয়ে। গতিকে অভিভাৱকসকলে উশৃংখলতাত পতিত হোৱা যুৱক-যুৱতীক স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনি জীৱনৰ মধুৰতম সময়ত মুকুতা বোটলাত সহায় কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা উচিত।

সংস্কৃতি হৈছে এটা জাতিৰ বা সমাজ এখনৰ মূল সম্পদ। সংস্কৃতি বোৱতী নদী এখনৰ দৰে নিৰৱচ্ছিন্ন। ই অতীজৰে পৰা নিৰৱচ্ছিন্নভাৱে বৰ্তমানলৈকে বৈ আছে। যদিও ই নিৰৱচ্ছিন্নভাৱে বৈ আছে, তথাপিও ইয়াতো যেন ক'ৰবাত কেৰোণ আছে। উদাহৰণস্বৰূপে, আমি অতীতৰ বিহুগীত, গৰখীয়া গীত, নাও খেলোৱা গীত, আইনাম, বিয়ানাম আদিসমূহৰ কথাকে ক'ব পাৰো। অতীতৰ এই নামসমূহ যেনেদৰে আছিল আজিকালি যেন আধুনিকতাৰ পৰশ পাই এইবিলাকৰ মান, সুৰ সকলো হেৰাই গ'ল। আগৰ দিনত পথাৰত হোৱা জেংবিহু, আঁহতৰ তলত ডেকা গাভৰুহঁতে বিহুৰ বতৰত মনৰ ভাৱ প্ৰকাশ কৰি গোৱা বিহু নাম আজিকালি নাই। এইবোৰ ক'ৰবাত কালৰ বুকুত হেৰাই গ'ল, তাৰ বিপৰীতে আমাৰ ডেকা গাভৰুহঁতৰ মাজত আছে মঞ্চবিহু, যাৰ যোগেদি টকাৰ লেনদেন চলে। এইবোৰে আমাৰ অসমীয়া বিহুক নিম্ন মানলৈহে নিছে। বৰ্তমান সংস্কৃতি নামান্তৰহে। ইয়াৰ ভিতৰখন ফোঁপোলা; যিয়ে আমাৰ উত্তৰ পুৰুষক কোনো লাভজনক দিশ এটা নেদেখুৱায়। গতিকে যুৱক-যুৱতীসকল সচকিত হ'ব লাগিব যাতে আধুনিকতাৰ পৰশ পাই আমাৰ মাজৰপৰা মূল সংস্কৃতি হেৰাই নাযায়।

আলোচনীৰ সন্দৰ্ভত ঃ আলোচনীখন মহাবিদ্যালয়ৰ দাপোণস্বৰূপ। এই আলোচনীখন প্ৰকাশৰবাবে মই অভিজ্ঞ নাছিলো। তথাপি মনত পুহি ৰখা আশাকণ বাস্তৱত ৰূপ দিবলৈ বহুতো কষ্ট, ত্যাগ কৰিছিলো; কিন্তু আশাকৰা মতে সফলতা লাভ কৰিব নোৱাৰিলো। বিজয়ী ভাবত যিদিনা উৎফুল্লিত হৈছিলো, সেইদিনাই মই প্ৰতিজ্ঞাৱদ্ধ হৈছিলো যে যিমান কষ্ট, ত্যাগ মূৰ পাতি ল'ব নালাগক আমাৰ ছাত্ৰ-ছাত্ৰীসকলক হাতত এখনকৈ আলোচনী হাতত দিমেই। সৰ্বাংগ সুন্দৰভাৱে আপোনালোকৰ হাতত দিব নোৱৰা বাবে মই দুঃখিত। বিশেষকৈ পুঁজি আৰু লিখনিৰ নাটনিয়ে মোক বেছি চিন্তিত কৰিছিল।

কৃতজ্ঞতা স্বীকাৰ ঃ ব্যস্ততাৰ মাজতো মোৰ কামত সহায় আগবঢ়োৱা অধ্যক্ষা বাইদেউ, উপাধ্যক্ষ হামিদুৰ ৰহমান চাৰ, নাৰায়ণ গগৈ চাৰ, ছালেমা বাইদেউ আৰু উপদেষ্টা লীলা বৰা চাৰৰ ওচৰত মই চিৰঋণী হৈ থাকিম।

অনবৰতে সহায়, উৎসাহ যোগোৱা মোৰ সহপাঠী কংকনা, দিপালী, বৰ্ণালী, লিমিৰ ওচৰত কৃতজ্ঞতা যাচিছোঁ। শেষত আলোচনীৰ বাবে লিখনি পঠোৱা লিখক/লিখিকাসকলৰ ওচৰত মই আজীৱন কৃতজ্ঞ।

শ্ৰীঅপৰাজিতা দত্ত
সম্পাদিকা

# প্ৰবন্ধ প্ৰপঞ্চ



প্ৰবন্ধ হৈছে সত্য, যুক্তি আৰু আদৰ্শৰ প্ৰতীক, 'সত্যক সঘনাই প্ৰচাৰ কৰি থকাটো বাঞ্ছনীয়"

— গ্যেটে

# বেজবৰুৱাৰ হাস্যৰসাত্মক প্ৰবন্ধাৱলী

মুকুল নাথ
স্নাতক তৃতীয় বৰ্ষ

অসমীয়া সাহিত্যত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান অতুলনীয়। তেখেতৰ আন ৰচনাতকৈ হাস্যৰসৰ প্ৰৱন্ধাৱলীয়েহে আমাক বেছি ওচৰ চপাই আনিছে। অসমীয়া সাহিত্যত কবি উপন্যাসিক, নাট্যকাৰ, গল্পকাৰ, শাস্ত্ৰজ্ঞ তত্ত্বজ্ঞ আৰু জাতীয়তাবাদী বহুতো লিখক আছে যদিও বৰ্তমানত বেজবৰুৱাক চেৰ্ পেলাব পৰা বিমল হাস্যৰসিক ওলোৱা নাই।

বেজবৰুৱাৰ আগতেও অসমীয়া সাহিত্যত কৰ্মব্যস্ত মানুহক সাময়িকভাৱে আনন্দ দিবলৈ আৰু ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিবলৈ কবি-সাহিত্যিকসকলে সৰল হাস্যৰসৰ অৱতাৰণা কৰিছিল। আধুনিক সাহিত্যত হাস্যৰস হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়া কীৰ্তন', 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী' গুণাভিৰাম বৰুৱাৰ 'কঠিন শব্দৰ ৰহস্য ব্যাখ্যা', 'বেজবৰুৱাৰ কাকতৰ টোপোলা' ওভতনি, ভাৱৰ বুৰবুৰণি আদি ব্যংগাত্মক পুথিবোৰে অসমীয়া সমাজৰ নানা ক্ৰটীবোৰৰ পটভূমিকে দাঙি ধৰে।

চিন্তামূলক গভীৰ লিখনিৰদৰে হাস্যৰসৰ প্ৰৱন্ধাৱলীতো বেজবৰুৱাৰ সাহিত্য সেৱাৰ আনুগত্য, দেশপ্ৰেমৰ আতিশয্য, অসমীয়া তথা ভাৰতীয়ক পৰোক্ষ উক্তিৰে পথ নিৰ্দেশ আৰু স্বাধীনচিতীয়া মনোবল সুন্দৰভাৱে প্ৰকাশিত হৈছে। আনন্দৰাম বৰুৱাৰ চমু জীৱন চৰিত, ছয় ঋতুৰ ডাক, জগন্নাথ বৰুৱা, বাৰজন বিখ্যাত লোকৰ জীৱন চৰিত, ভাদৈৰ বিলাপ, কঁকালৰ বিষ ভাল কৰিবৰ উপায়, কৃপাবৰ বৰুৱাৰ উইল আদি ৰচনাবোৰ হাস্যৰসেৰে পৰিপূৰ্ণ। আনন্দৰাম বৰুৱাৰ চমু জীৱন চৰিতত বেজবৰুৱাই এনেদৰে হাঁহিৰে নিজৰা বোৱাইছে— "১৮৩১ শকৰ নিশ্চয় ভালেমান বছৰৰ আগেয়ে আসাম দেশৰ অন্তৰ্গত গুৱাহাটীৰ উত্তৰ পাৰত পিচত বিখ্যাত হ'বলগীয়া কঁপালেৰে আনন্দৰাম বৰুৱাই পানী কেঁচুৱাতে জন্মগ্ৰহণ কৰে। তেওঁ জন্ম হোৱাৰ আগেয়ে সিপুৰীত এইকেইটা কথা থিৰাং কৰি লৈছিল যেন অনুমান হয়—

(১) ডাঙৰীয়া গৰ্গৰাম বৰুৱা সদৰামিনক তেওঁ বাপেক আৰু সদৰামিনৰ্ সহধৰ্মীনী দুৰ্লভেশ্বৰী বৰুৱানীক মাক মনোনীত কৰিব।

(২) উল্লেখিত বৰুৱা-বৰুৱানীৰ বৰপো জানকীৰাম আৰু মাজুবোপা পৰশুৰামৰ পিছতহে তেওঁ পৃথিৱীত প্ৰৱেশ কৰি সৰুবোপা পদ ল'ব আৰু সৰু ভায়েক মণিৰামৰ মূৰত ভৰি দি তেওঁ উপজিব আৰু তাৰ পিচতহে মণিৰাম উপজিব পাৰিব।

(৩) তেওঁক অসমীয়াৰ ভিতৰত প্ৰথম বি.এ., প্ৰথম বেৰিষ্টাৰ আৰু প্ৰথম চিভিলিয়ান পাতিব লাগিব ইত্যাদি।"

সেইদৰে বৰবৰুৱাৰ ফটোগ্ৰাফ প্ৰৱন্ধতো নানা ভাষাৰ শব্দ সংযোগ আৰু ৰেডিমেড শব্দ প্ৰয়োগ কৰিছে। যেনে— "হেয় আও মেন, হাসতা হ্যায় কিউ? বৰবৰুৱা চাহাবকু দেখকে? ভাগ যাও ইয়াৰ পৰাসে, তোমালোক লাথুৱা, ননচন, ইষ্টুপিত, নষ্টপতি, ব্লাগাৰ, নেটিপ, কানীয়া, খাৰখোৱা ইত্যাদি"। সমাজিকত যমৰ মূৰ্তি দেখি বৰবৰুৱাৰ "হাতৰ পৰা ভাঙৰ চিলিম সৰি পৰিল, সৰু বিধে পালে, মুখ কড়াই খোলা যেন হ'ল। যমদুতক তেওঁ কানিঁৰে অভ্যাৰ্থনা কৰিছে- "টিকিৰা এটি আছে পুৰিবানে, যমদূতে তেতিয়া গহীনাই মাত লগালে— "টিকিৰা পোৰনেকু সহজ নহি হেয়, লেকিন তোম দিছা যেতিয়া বাৰু থোৰা-থুৰি পোৰনে পাৰতা হ্যায়।"

বেজবৰুৱাৰ হাঁহিৰ আৰু ব্যংগৰ অন্তৰালত জাতিগত অপমান, লাঞ্ছনাৰ জ্বালা আৰু বেদনাৰ অশ্ৰু লুকাই আছে। বিহু নামৰ প্ৰৱন্ধত বৰজনী ঘৈনীয়েকে বৰবৰুৱাক সিদিনা ক'লে— 'অসমীয়া বিহুতো বৰ বেয়া। বিহুতো মানে আম তলত টকা কোবাই ঢোল বজাই বিহু মৰাটোৰ কথা মই কৈছোঁ। আপুনি কিন্তু তেনে বিহুলৈ নাযাব দেই, হুচৰি-ফুচৰিখনকো ইয়াত গাবলৈ আহিবলে নিদিব। মোৰ ভাল নেলাগে। সিহঁতে টোপনি ভাঙে আৰু পোনতে ভাল পদ এফাঁকি দুফাঁকি গাই তাৰ পিচত ঢোলত, নাচত চেও ধৰে। তাৰ উত্তৰত বৰবৰুৱাই এনেদৰে কৈছে— "ঠিক কৈছা মোৰ পানেচৈ। আমাৰ ঘৰত, আন আন ভাল মানুহৰ ঘৰতো, কোনো পুৰুষতে কেতিয়াও এনে বিহুক লাই দিয়া নাই, মইও নিদিওঁ; তাৰ নাম শুনিলেই বুজা যায় যে সি অশ্লীল, পংকিল,

পচিল, গেলিল, আৰু দুৰ্গন্ধিল, তুমি কোনো চিন্তা নকৰিবা, মই তাৰ কাষকে নাযায় আৰু মোৰ চিনা-জনা আনকো খাবলৈ হাগ দিম।" ওপৰৰ কথাখিনিত বেজবৰুৱাই অসমীয়া স্বকীয় সংস্কৃতিৰ প্ৰতি বিজতৰীয়া স্পৃহাৰ কথা আঙুলিয়াই দেখুৱাইছে।

লোক ৰহস্য নামৰ প্ৰবন্ধত ইংৰাজী তথা বঙালী অনুকৰণকাৰী অসমীয়া সকলক বিদ্ৰূপ কৰিছে— "অ' কবলৈ পাহৰি গৈছিলো হে বিধাতা ডাঙৰীয়া, সৌভাগ্যৱতী শ্ৰীমতী মালতী বৰাক কৈ দিয়া যে তেওঁ অসমীয়াৰ চিকুণ ৰিহা-মেখেলাযোৰ এৰি বঙলুৱা শাৰীখন পিন্ধাটো ভাল হোৱা নাই। আমাৰ মতাবিলাকে ইংৰাজী, পাৰ্চী যি সাজকে পিন্ধি ডেকালী কৰোঁহঁক তেওঁলোকে যেন তেনে নকৰে। কাৰণ তেওঁলোক হ'ল ঘৰৰ ঘৈণী, অৰ্থাৎ ঘৰৰ ঘৰণী। তেওঁলোক গোঁজ, আমি নাও। নাওখন সোঁতত যিমানেই কঁপি-জপি টলং-ভটং কৰি থাকক গোঁজ বন্ধা থাকিলে উটি যোৱাৰ ভয় নাই; কিন্তু গোঁজটোও যদি উভালি যায়, তেন্তে আমাৰ কি গতি হ'ব?" ইত্যাদি। এয়া হ'ল বেজবৰুৱাৰ স্বৰূপবিহীন অসমীয়াৰ প্ৰতি আধুনিক সংস্কৃতি আকোঁৱালি লোৱাৰ ক্ষেত্ৰত ব্যংগ বলিষ্ঠ আক্ষেপ।

ইংৰাজী আৰু বঙালী উভয় সাহিত্যতে বেজবৰুৱাৰ পৰিচয় আছে বুলি ক'ব পাৰি। ভাৱৰ বুৰবুৰণিত তেওঁ নিজেই লিখিছে— "এই পৃথিবীত মাত্ৰ তিনিজন পুৰুষে হাঁহিব জানিছিল। প্ৰথমজন পুৰণিকলীয়া গ্ৰীচ দেশৰ— নাম, এৰিষ্টফেনিচ, দ্বিতীয়জন আছিল স্পেইনৰ— নাম, চাৰ্ভণ্টেচ আৰু তৃতীয়জন বুল দেশৰ— নাম, জনাথন চুইফ্‌ট্ এওঁলোকৰ উপৰিও চতুৰ্থ এজন আছে— সেইজন বৰবৰুৱা স্বয়ং।" ইয়াৰপৰা বুজিব পাৰি যে পৃথিৱীৰ প্ৰায়বোৰ ব্যংগ লিখকৰ সৈতে তেখেতৰ পৰিচয় ঘটিছিল।

বেজবৰুৱা আছিল এজন প্ৰকৃত হাস্যৰসিক। হাঁহিৰ চলেৰে অসমীয়া অবহেলিত জাতিটোক তেওঁ নানা প্ৰকাৰে নতুন শিকনি দি থৈ গৈছে। বেজবৰুৱাৰ কৃপাবৰ বৰুৱাৰ ছদ্ম নামত লিখা হাস্য ৰসাত্মক ৰচনাৱলীয়ে অসমীয়া সাহিত্যত নতুন যুগৰ সূচনা কৰাৰ লগতে অসমীয়াৰ যে এটা নিজস্ব সংস্কৃতি আছে তাকে তেওঁ উনুকিয়াইছে। তেওঁৰ ৰচনাত হাঁহিৰ মৌজোলেৰে তত্ত্ব কথাক টুলটুলীয়া কৰি সকলোকে হাঁহিৰ খোৰাক যোগাব পৰাটো বেজবৰুৱাৰ অন্যতম কৃতিত্ব।✥

*WISDOM Wisdom makes but a slow defence against trouble, though at last a sure one.*

*– Oliver Goldsmith.*

# ৰেলগাড়ী আৱিষ্কাৰক জৰ্জ ষ্টিফেনচন আৰু বৰ্তমান শতিকা

শ্ৰীঅপৰাজিতা দত্ত
স্নাতক, দ্বিতীয় বৰ্ষ

এটা শিশু। শিক্ষা-দীক্ষা নাই, কয়লাখনিৰ কয়লাৰ মাজৰ পৰা শিল বোটলা পিকাৰ কাম কৰে; কিন্তু এই দাৰিদ্ৰ্যৰ মাজতো এই শিশুটিয়ে নিজৰ দুৰ্ভাগ্যক প্ৰশ্ৰয় দিয়া নাছিল। এই অসুবিধাবোৰৰ মাজতো এই শিশুটিয়ে গঢ়ি তুলিছিল এটি অধ্যৱসায়ী, পৰিশ্ৰমী স্বভাৱ আৰু এটি অনুসন্ধিৎসু কল্পনাবিলাসী মন। শেষত নিজৰ সীমাহীন পৰিশ্ৰম আৰু অধ্যৱসায়ৰ ফলত বিশ্বৰ ইতিহাসত ৰেলগাড়ী আৱিষ্কাৰক জৰ্জ ষ্টিফেনচন হিচাপে এতিয়াও জিলিকি আছে। ইয়াকে কয় "বোকাত পদুম ফুল ফুলে" বুলি।

ৰেলগাড়ী আৱিষ্কাৰক জৰ্জ ষ্টিফেনচনৰ ১৭৮১ চনৰ নিউকেলছল নামৰ নগৰখনৰ "বাইলাম-অন-টাইম" নামৰ এখন কাষৰীয়া সৰু ঠাইত জন্ম হয়। বুজিব পৰা হোৱাৰে পৰা জৰ্জে পৰিয়ালটোৰ উপাৰ্জন বঢ়াবৰবাবে জীৱনৰ প্ৰথম ভাগত ওচৰ-চুবুৰীয়াৰ ঘৰত গৰখীয়া, ইয়াৰ পিছত এগৰাকী খেতিয়কৰ ঘৰত হাল-কোৰ মৰা সহায়কাৰী হিচাপে কাম কৰিছিল।

লাহে লাহে জৰ্জৰ মন কয়লাখনিৰ কাষলৈ ঢাল খাইছিল। জৰ্জে প্ৰথমে কয়লাখনিত এজন পিকাৰ হিচাপে যোগ দিয়ে। জৰ্জ সৰুৰে পৰা অতি পৰিশ্ৰমী, উৎসাহী আৰু বুদ্ধিমান আছিল। ইয়াৰ ফলত কয়লাখনিৰ মালিক সকলৰ সু-দৃষ্টি তেওঁৰ ওপৰত পৰে আৰু চৈধ্য বছৰত দেউতাকৰ সহায়কাৰী হিচাপে এজন ফায়াৰ মেনৰ কাম কৰিবৰ বাবে সুযোগ লাভ কৰে। শৈশৱৰ পৰা তেওঁৰ প্ৰকৃতি আৰু ইঞ্জিন, এই দুটা বস্তু অতি প্ৰিয় আছিল। কয়লাখনিত সেই সময়ত যিবোৰ ইঞ্জিন ব্যৱহাৰ কৰা হৈছিল, সেইবোৰ চলমান নাছিল। গতিকে, চলনশক্তিহীন ইঞ্জিনবোৰৰ উন্নতিৰ জৰিয়তে কেনেকৈ চলমান ইঞ্জিন নিৰ্মাণ কৰিব পাৰি, সেই কথাই তেওঁক চিন্তিত কৰি তুলিছিল। ল'ৰালি কালৰে পৰা ইঞ্জিনৰ প্ৰতি দেখুওৱা আগ্ৰহে শেষত কাম দিলে। সোতৰ বছৰ বয়সত জৰ্জক নিয়োগ কৰ্তাসকলে "ইঞ্জিনমেন" পদলৈ উন্নীত কৰিলে। ইঞ্জিনমেন হিচাপে কামত আত্মনিয়োগ কৰা জৰ্জৰ মনত উদয় হ'বলৈ ধৰিলে নানা নতুন নতুন প্ৰশ্ন। নতুন খাদত ইঞ্জিন চলাবলৈ গৈ তেওঁ চলনশক্তিহীন ইঞ্জিনৰ অসুবিধাবোৰ বুজিব পাৰিলে। অন্যহাতেদি তেওঁ নিজৰ নিৰক্ষৰতাৰ ফলত উদ্ভৱ হোৱা সমস্যাবোৰ বুজিবলৈ সক্ষম হ'ল। গতিকে, ইঞ্জিনমেন পদত অধিষ্ঠিত হৈ থকা সময়তে আনুষ্ঠানিক শিক্ষাৰ বাবে নৈশ বিদ্যালয়ত অধ্যয়ন কৰে। এক কথাত, জৰ্জে এই সুযোগ লাভ কৰিলে তেওঁৰ প্ৰতি সদয় হোৱা নিয়োগকৰ্তাসকলৰ বাবেহে।

বুদ্ধিমান জৰ্জে নিজৰ অধ্যয়ন, অধ্যৱসায় আৰু পৰিশ্ৰমৰ বলতে উন্নতিৰ জখলা বগাই স্বপ্নৰ তৰাটি ধৰিলে। কয়লাখনিত জৰ্জ হৈ পৰিছিল এটুকুৰা কেঁচা সোণৰ দৰে। জৰ্জৰ এই সফলতাৰ মূল কাৰণ হ'ল, তেওঁৰ আৱিষ্কৃত 'জৰ্ডি' নামৰ চেফ্‌টি লেম্প। যদিও তেওঁ চেফ্‌টি লেম্প আৱিষ্কাৰৰ বাবে কোনো চৰকাৰী পুৰস্কাৰ পোৱা নাছিল; কিন্তু, উপহাৰস্বৰূপে তেওঁক শ্ৰমিক সকলে দিছিল সহস্ৰ পাউণ্ড। দুখীয়া শ্ৰমিকে দিয়া উপহাৰেৰে জৰ্জৰ জীৱনটো এপাহ সুগন্ধী ফুলৰ দৰে ফুলাই তুলিলে।

ফুলৰ কলিটোৱে সেউজীয়া আৱৰণ গুছাই পাহি মেলিব ধৰাৰ যি আৰম্ভণি; জৰ্জৰ জীৱনতো এয়া আৰম্ভণি। ইঞ্জিন নিৰ্মাণ আৰু গৱেষণা কৰিবলৈ তেওঁ নামি পৰিল সংগ্ৰামী প্ৰচেষ্টাত। কিলিংৱৰ্থ কয়লাখনিৰ মালিকে জৰ্জক অতি সোনকালে চিনাক্ত কৰিলে যে জৰ্জৰ এটা ইঞ্জিন নিৰ্মাণ কৰিব পৰা সকলোবোৰ গুণেই আছে। সেয়েহে কিলিংৱৰ্থে অৰ্থ সাহায্য দি কাৰ্য্যক্ষম ইঞ্জিন তৈয়াৰ কৰিবলৈ উদগনি দিলে। কিলিংৱৰ্থ কয়লাখনিৰ মালিক লৰ্ড ৰেভেনচৱৰ্থে আগবঢ়োৱা ধনৰ টোপোলা আৰু জৰ্জৰ প্ৰিয় বন্ধুৱাসকলে আগবঢ়োৱা সহায়ৰ জৰিয়তে শেষত ইঞ্জিন নিৰ্মাণত সফলতা অৰ্জন কৰিলে। তেওঁৰ প্ৰথম ইঞ্জিনটোৰ নাম আছিল "থাইলড"। এই ইঞ্জিনটোৱে ঘণ্টাত চাৰি মাইল বেগত ৰেলগাড়ী টানিছিল। ইয়াকে কয় "গুণীয়েহে গুণীৰ মোল বুজে।"

১৮১৪ চনত ষ্টিফেনচনে ভাপ চালিত ৰেল ইঞ্জিন নিৰ্মাণত সফলতা লাভ কৰিলে। এডৱাৰ্ড পীজ নামৰ এজন ব্যক্তিয়ে সেই

সময়ত ষ্টকটন আৰু ডালিংটনৰ মাজত এটা বেলেগ পথ নিৰ্মাণৰ পৰিকল্পনা কৰিছিল; কিন্তু তেওঁৰ ঘোঁৰাৰে টনা ৰেলগাড়ীতহে বেছি মন দিছিল। এদিন আবেলি এজন লাজকুৰীয়া ডেকা আহি তেওঁক কলে যে আঁচনিখন সাফল্যমণ্ডিত কৰি তুলিবলৈ হ'লে স্বয়ংচালিত ইঞ্জিন ব্যৱহাৰ কৰা উচিত আৰু তেওঁ কীজক খাটনি ধৰিলে তেওঁ যাতে ঘোঁৰাৰে চলোৱা ৰেলগাড়ীৰ ধাৰণা ত্যাগ কৰে। প্ৰথমে পীজে ডেকাৰ কথাত পতিয়ন যোৱা নাছিল; যদিও ডেকাৰ আমন্ত্ৰণ ৰক্ষা কৰি কিলিংৱৰ্থলৈ গৈ জৰ্জৰ ৰেল ইঞ্জিনৰ কাম দেখি পৰম বিস্ময় মানিলে আৰু লগে লগে তেওঁৰ কোম্পানীত জৰ্জক নিয়োজিত কৰিলে। পীজৰ সহায়ত ষ্টিফেনচনে নিজে এটা কোম্পানী খুলিলে। ১৯২৩ চনৰ পৰা মাত্ৰ দুটা বছৰৰ ভিতৰত ডালিংটনৰ পৰা ষ্টকটনলৈ ৰেলগাড়ী চলাবৰ বাবে ষ্টিফেনচনে এটা উন্নত ইঞ্জিন তৈয়াৰ কৰিলে আৰু তেওঁ সেইটোৰ নাম দিলে "একটিভ"। অৱশেষত ১৮৩০ চনৰ নৱ বৰ্ষৰ দিনা ৰকেটক লিভাপুৰ মানচেষ্টাৰ পথেদি প্ৰথম যাত্ৰীবাহী ৰেল চলাবলৈ দিয়া হ'ল। ৰকেটৰ এই সফলতাই ইংলেণ্ডতেই নহয় গোটেই পৃথিৱীৰ দেশবোৰৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা চলিল।

শেষত নিজৰ সজাগ সচেতন, নিষ্ঠা আৰু সাধনাৰ বলত এজন চহকী ব্যক্তিত পৰিণত হৈছিল আৰু তেওঁৰ খ্যাতি চৌদিশে বিয়পি পৰিল আৰু দেশৰ বাহিৰে-ভিতৰে তেওঁ সন্মান অৰ্জন কৰিলে। ষ্টিফেনচন আছিল এজন দূৰদৃষ্টিসম্পন্ন লোক। তেওঁ এই কথা গভীৰভাৱে উপলব্ধি কৰিছিল যে ইঞ্জিনৰ ক্ষমতা আৰু গতিৰ মাজতে লুকাই আছে ঔদ্যোগিক প্ৰগতিৰ সঁচাৰ কাঠি। সেনাবাহিনী পৰিচালনা, যাত্ৰী কঢ়িওৱা আদি কাৰ্য্যতো ৰেলগাড়ী ইমানেই অপৰিহাৰ্য্য হৈ পৰিছিল যে ইয়াৰ অবিহনে যুদ্ধজয় অথবা প্ৰতিৰক্ষা এটাও সম্ভৱ হোৱা নাছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ দক্ষিণ কেৰ'লিনাত ৯.৬ কি.মি. দীঘল ৰেলপথত চালেষ্টন নিৰ্মিত বেষ্ট ফ্ৰেইণ্ড নামৰ ইঞ্জিনটো ১৮৩০ চনত ব্যৱহাৰ কৰা হৈছেল। আমেৰিকা যুক্তৰাষ্ট্ৰই ১৮৩০ চনৰ পৰা ১৮৬০ চনৰ ভিতৰত ৯,০০০ কিল'মিটাৰ জোৰা ৰেলপথ নিৰ্মাণ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ১৮৫৫ চনৰ পৰা প্ৰথম মহাসমৰৰ মাজৰ কালছোৱা ৰেল উদ্যোগৰ সম্প্ৰসাৰণৰ স্বৰ্ণযুগ হিচাপে বিবেচিত হৈ আছে। এই কালছোৱাতে ৫৬,০০০ কিল'মিটাৰৰ পৰা ২৫৪,০০০ কিল'মিটাৰলৈ ৰেলপথ সম্প্ৰসাৰিত হৈছিল। ১৮৫৩ চনত মুম্বাই আৰু থানেৰৰ মাজত প্ৰথম ৰেলসেৱাৰ সূচনা হয়।

বৰ্তমান শতিকাত ৰেলগাড়ীৰ এক বিশিষ্ট স্থান আছে। বৰ্তমান এই ৰেলসেৱাৰ জৰিয়তে সহজতে সস্তীয়া বিশ্বভ্ৰমণ সম্ভৱ হৈছে। হাজাৰ হাজাৰ মানুহে এখন দেশৰপৰা অন্য এখন দেশলৈ গৈ বিভিন্ন স্থানৰ সভ্যতা-সংস্কৃতিৰ বুজ লোৱাটো এই ৰেল সেৱাৰদ্বাৰা সহজলভ্য হ'ল। বিভিন্ন স্থানৰ মানুহৰ মাজত যোগাযোগ ৰক্ষা কৰাটো সম্ভৱ হৈ উঠিছে। ৰেলগাড়ীৰ বহুল প্ৰচলনৰ ফলত বিভিন্ন দেশৰ মাজত আমদানি-ৰপ্তানি আদিৰ সুচল হৈছে। ৰেলগাড়ীৰ জৰিয়তে অতি বিপুল পৰিমাণৰ সামগ্ৰী নাম মাত্ৰ খৰচতে বিভিন্ন স্থানলৈ একেলগে যাতায়াত কৰাটো সম্ভৱ হৈছে।

বৰ্তমান শতিকাত ৰেলগাড়ীৰ গুৰুত্বৰ বাবে ডাঙৰ-ডাঙৰ কাৰখানা, খনিৰপৰা কয়লা আৰু অন্যান্য কেঁচা মাল, বিভিন্ন স্থানৰ পৰা যন্ত্ৰ-পাতি আৰু বনুৱা কঢ়িয়াই অনাটো সম্ভৱ হৈছে। স্থল পৰিবহনৰ ক্ষেত্ৰত ৰেলগাড়ীৰ এই অনিবাৰ্য্যতাৰ বাবেই আমি আজি পৃথিৱীৰ প্ৰায় ৰেলগাড়ী উদ্ভাৱনৰ মাত্ৰ ১৫০ বছৰৰ ভিতৰতে সমগ্ৰ পৃথিৱীত স্থল-পৰিবহনৰ ক্ষেত্ৰত ৰেলগাড়ী হৈ পৰিল অবিচ্ছেদ্য গুৰুত্বপূৰ্ণ মাধ্যম। ✧

*(সহায়লৈ)*

*WAR In war actions of great importance are (often) the result of trivial causes. – Julius Caesar.*

# জাতীয় সংহতি, সমন্বয় আৰু শ্ৰীমন্ত শংকৰদেৱ

শ্ৰীবিনীতা দত্ত
স্নাতক, প্ৰথম বৰ্ষ

একেধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ, বাদক, নৰ্তক, চিত্ৰকাৰ, জাতীয়তাৰ গুৰু, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল এজন অৱতাৰী পুৰুষ। সেয়েহে মাধৱ পুৰুষে গুৰু ভটিমাত লিখিছে—

ত্ৰিভুবন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস
জগজন তাৰণ দেৱ নাৰায়ণ
শংকৰ তাকেৰি অংশ।

এইজনা মহাপুৰুষৰ আবিৰ্ভাৱৰ আগতে ধৰ্মৰ নামত নানান ব্যভিচাৰে অসমীয়া জাতিক শতধা বিভক্ত কৰি পেলাইছিল। মহাযানী বৌদ্ধ সম্প্ৰদায়ৰ প্ৰভাৱত ধৰ্মৰ বিভিন্ন শাখা-প্ৰশাখাই অনাখৰী অসমীয়া লোকৰ ধৰ্ম চেতনা বিকৃত কৰিছিল। বৈদিক যুগৰ শ্ৰেণীবিভাগ গৈ শেষত জন্মগত শ্ৰেণীবিভাগ হৈ জাতীয় সংহতি বিনষ্ট কৰিছিল। অথচ কৃষ্ণদেৱে নিজেই যুধিষ্ঠিৰক কৈছিল—

এক বৰ্ণ ইদং বিশ্ব পূৰ্বমাসিত যুধিষ্ঠিৰ
চতুৰ্বৰ্ণং ময়া সৃষ্টি গুণ কৰ্ম বিভাগস্বঃ
জন্ম নজায়তে শূদ্ৰ সংস্কাৰেণ দ্বিজমুচ্যতে
বেদভাসে ভবেদ্বিপ্ৰঃ ব্ৰহ্মং জানন্তি ব্ৰাহ্মণঃ।।

অথচ সেই সমাজ জাতি বৰ্ণৰ বিভেদে অসমীয়া সমাজখনক সংহতি বিহীন কৰি তুলিছিল; কিন্তু জাতি-বৰ্ণৰ এনে সুন্দৰ ব্যাখ্যা থকা স্বত্তেও স্বাৰ্থান্বেষী লোকৰ প্ৰভাৱত অনাখৰী লোকসকলৰ মাজত বৰ্ণবৈষম্যই গভীৰভাৱে শিপাইছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এনে জাতি বৰ্ণৰ বিভেদ মষিমূৰ কৰি এখন বিশাল অসমীয়া সমাজ গঢ় দিব বিচাৰিছিল।

এক-শৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ কৰিবলৈ গৈ মহাপুৰুষে সংস্কৃত ধৰ্মগ্ৰন্থসমূহ অসমীয়ালৈ অনুবাদ কৰি "স্ত্ৰী-শূদ্ৰ" আদি সকলোৱে বুজিব পৰা কৰি দিছিল। শাস্ত্ৰসমূহ সকলোৱে বুজিব পৰা হোৱাত মনৰ সংকীৰ্ণ ভাৱ আঁতৰাই সম্প্ৰীতিৰ সেতু বন্ধনত সকলোৱে সহযোগ কৰিবলৈ সুবিধা পাইছিল।

"ওৱা নৰলোক হৰি ভজিওক" বুলি মহাপুৰুষে সকলো মানুহকে নামধৰ্ম গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল; কোনো এটা জাতি বা সম্প্ৰদায়ক নহয়। ভকতিত কোনো জাতি অজাতিৰ বিচাৰ নাছিল। "কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম" বুলি সকলো জীৱৰ প্ৰতি সদ্ভাৱ প্ৰদৰ্শন কৰিছে! সমন্বয় আৰু সংহতিৰ ই এক উৎকৃষ্ট নিদৰ্শন।

গুৰুজনাৰ সংহতি সমন্বয়ৰ চানেকি আমি তেৰাৰ ভক্তসকলৰ পৰাই পাব পাৰো। গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, নগাৰ নৰোত্তম আদি বিভিন্ন জাতি-উপজাতিৰ লোকসকলক ভকত কৰি সম্প্ৰীতিৰ এখন বৃহৎ অসম গঢ় দিয়াৰ চেষ্টা কৰিছিল। মহাপুৰুষজনেই সৰ্বপ্ৰথম মুছলমান শিষ্য চান্দখাঁৰ হাতেৰে প্ৰসাদ গ্ৰহণ কৰি জাতিভেদ মষিমূৰ কৰিছিল।

সমাজ ব্যৱস্থাৰ কদৰ্য্য ব্যাধিস্বৰূপ অস্পৃশ্যতা আৰু ভেদভাৱ দূৰ কৰাত মহাপুৰুষে কথাৰে নহয় কামেৰে এনে কিছুমান মহৎ আদৰ্শ দেখুৱাইছিল; যিবোৰৰ বিশেষত্ব যুগমীয়া অক্ষয় বস্তিস্বৰূপ হৈ থাকিব। উদাহৰণ স্বৰূপে সাত বৈকুণ্ঠৰ চিত্ৰ পট আঁকি অভিনয় কৰা চিহ্ন যাত্ৰা ভাওনাত নিজে নাৰায়ণৰ ভাও লৈ লক্ষ্মীৰ ভাৱত সৰ্বজন, বলৰাম আদিৰ লগতে ৰঘুপতি ধোবাৰ পুতেক চিদাক অভিনয় কৰিবলৈ দিছিল। বৰদোৱা নামঘৰৰ প্ৰথম খুটাটো মুছলমান ভকত চান্দখাঁৰ হতুৱাই পোতাইছিল। টেম্বুৱানী জান বান্ধোতে প্ৰথম পাচি মাটি কৈৱৰ্ত সম্প্ৰদায়ৰ সতী ৰাধিকাৰ হতুৱাই দিয়াইছিল। বৰপেটা সত্ৰৰ প্ৰথমজন অধিকাৰ আছিল তাঁতী সম্প্ৰদায়ৰ মথুৰাদাস আতা। এনেবিলাক মহান কাৰ্য্যই সামাজিক সম্প্ৰীতি আৰু সমন্বয়ৰ ধ্ৰুৱতৰা হৈ জগতৰ লোকক বাট দেখুৱাইছিল।

মহাপুৰুষৰ ধৰ্মত গুৰু-শিষ্যৰ মাজত প্ৰেম আৰু সমভাৱৰ সম্বন্ধ লক্ষ্য কৰিবলগীয়া। শৰণ গ্ৰহণ কৰোঁতাক শিষ্য হিচাপে

পৰিচয় নিদি সংগী হিচাপেহে গ্ৰহণ কৰিছিল। 'বান্ধৱ', 'আতৈ' আদি সম্বোধনে ইয়াকেই সূচায়। অন্যহাতে বিশেষত "মনুষ্যগণত যিটো নৰে বিষ্ণু-বুদ্ধিভাৱে সৰ্বদায়ে মান্য কৰে, সকলো প্ৰাণীকে দেখিবেক আত্মা সম" আদি শাস্ত্ৰৰ উক্তি সমূহে সমন্বয়ৰ কথাকেই দৃঢ়ভাৱে প্ৰতিপন্ন কৰিছে।

গুৰুজনাৰ ৰচনাৰাজিত ব্যৱহৃত শব্দ সম্ভাৰতো সমন্বয় বিদ্যমান। বৰগীতত মহাপুৰুষে খৰমান, হাৰামখোৰ, চাহেব, চাকৰ; সেইদৰে কীৰ্তনত ওৱাচিল, বান্দী, দেৱান, গুলাল আদি বিদেশী শব্দ প্ৰয়োগ কৰি ভাষাৰ মাজতো তেৰাই সমন্বয় আনিবৰ প্ৰচেষ্টা কৰিছে। জতুৱা ঠাঁচ আৰু ঘৰুৱা শব্দৰ ব্যৱহাৰে মহাপুৰুষৰ ৰচনাৰাজিক সকলো সম্প্ৰদায়ৰ লোকৰে আদৰৰ সম্পদ কৰি গঢ়ি তুলিছে। কেৱল এজন পৰমেশ্বৰত বিশ্বাস আৰু আত্মসমৰ্পণ, মূৰ্তি পূজা অনাৱশ্যক, ঈশ্বৰৰ নাম শ্ৰৱণ আৰু কীৰ্তন, আত্মসম ভাতৃত্ববোধ আৰু সমভাৱে অসমীয়া জাতীয় জীৱনৰ সমন্বয় অনাৰ উপৰিও ই হিন্দু-মুছলমানৰ সম্প্ৰীতি অনাতো সহায় কৰিছে। ইছলাম ধৰ্মৰো যিহেতু একেই নীতি, সেয়েহে একশৰণ নামধৰ্ম আচৰণকাৰী মহাপুৰুষীয়াসকলৰসৈতে মুছলমানসকলো আৱেগিকভাৱে ঐক্যৰ দোলেৰে বান্ধ খাই আছে। এই প্ৰীতিৰ বন্ধনেই গান্ধীজীৰ সপোনৰ ঐক্যবদ্ধ অস্পৃশ্যতাপূৰ্ণ ভাৰতৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ আদৰ্শ অসমেহে বান্ধি ৰাখিব পাৰিছে।

নামঘৰ আছিল জনগণৰ বাবে গণতান্ত্ৰিক জীৱন যাত্ৰাৰ এক আহিলা। ধৰ্মচৰ্চা, নৃত্য-গীত অভিনয় আদিৰ উপৰিও ইয়াত সকলো জনগোষ্ঠীৰ লোকৰ আছিল সমান অধিকাৰ। সকলো একত্ৰিত হৈ মিলাপ্ৰীতিৰে জীৱন নিৰ্বাহ কৰাৰ লগতে ই আছিল সেই সময়ৰ গ্ৰাম্য পঞ্চায়তৰ কেন্দ্ৰস্থল। সকলো আলোচনা-বিলোচনা, বিচাৰ, দণ্ড আদি ইয়াতেই হৈছিল। দোষীয়ে এটি মাত্ৰ গুৱাপান দি অপৰাধ ভঞ্জনৰ ঘোষা গাই ৰাইজৰ ওচৰত সেৱা ল'লেই অপৰাধ মাৰ্জনা পোৱাৰ লগতে ভৱিষ্যত শুদ্ধ জীৱন যাপন কৰাৰ বাবে পাইছিল ৰাইজৰ আশীৰ্বাদ। এনে সুন্দৰ ব্যৱস্থাই ঐক্য-সম্প্ৰীতি ৰক্ষা কৰাত সমাজক সহায় কৰিছিল।

আশাকৰোঁ অসমীয়া সমাজৰ জাতীয় চেতনা জাগ্ৰত হ'ব। তেৰাৰ নীতি-আদৰ্শ অসম ভূমিত পুনৰ প্ৰতিষ্ঠা হ'ব। সংহতি আৰু সমন্বয়ৰ এখন সুন্দৰ সমাজ গঢ় লৈ অসমীয়া জাতিৰ সৰ্বাংগীণ মংগল সাধনা কৰিব।✧

**"জয় গুৰু শংকৰ"**

*(সহায়লৈ)*

*RELIGION, Religion is the best armour, but the worst cloak.* — *Thomas Fuller.*

# নাৰী মুক্তিত শিক্ষাৰ ভূমিকা ঃ এক প্ৰাসংগিক চিন্তা

শ্ৰীমতী কাকুমণি বৰা
স্নাতক, প্ৰথম বৰ্ষ

নাৰী। এক কোমল অনুভূতি, শান্ত, সৈম্য আৰু ধৈৰ্য্যশীলাৰ চূড়ান্ত প্ৰতীক। সৃষ্টিৰ পাতনিৰেপৰা নাৰীয়ে মাতৃ, পত্নী, ভগ্নী আদি নানান ৰূপত শ্ৰেষ্ঠতম পৰিচয় বহন কৰি আহিছে। সু-মাতৃ হিচাপে নিজৰ ঘৰ-সংসাৰ আৰু পৰিয়ালৰ লগতে এখন সুস্থ সমাজ গঢ়াত এগৰাকী নাৰীৰ অৱদান সৰ্বপ্ৰথম। নাৰীৰ গৰ্ভতেই বিশ্বজনীন কবি, সাহিত্যিক, ঔপন্যাসিক, সমালোচক আদিৰ জন্ম। এগৰাকী মাতৃয়েই শংকৰ-মাধৱৰ দৰে 'মহাপুৰুষ', মহাত্মা গান্ধীৰ দৰে 'মহাত্মা', ৰবীন্দ্ৰনাথৰ দৰে 'বিশ্বকবি' জন্ম দি সু-মাতৃৰ চানেকি বহন কৰিছে। নাৰীয়েই হ'ল পুৰুষৰ প্ৰেৰণা, সফলতাৰ আঁৰৰ ব্যক্তি। একোজন বিশ্ববৰেণ্য মানৱৰ ব্যক্তিত্বৰ আঁৰত আছে এগৰাকী নাৰীৰ অসীম ত্যাগ; কিন্তু আজিও নাৰী অৱহেলিত আৰু নিষ্পেষিত। যিমানেই নাৰী মুক্তিৰ সংগঠন গঠন কৰা নহওক লাগে, নাৰী কিন্তু আজিও মুক্ত নহয়। গতিকে ইয়াৰ বিৰুদ্ধে থিয় হ'বলৈ নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আজি গুৰুত্বপূৰ্ণ।

নাৰীক বাদ দি এখন সমাজ পূৰ্ণাংগ ৰূপত কল্পনা কৰিব নোৱাৰি। নাৰী আৰু পুৰুষৰ উমৈহতীয়া চেষ্টাৰ ফলতহে সমাজৰ লগতে দেশ এখন প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব পাৰিব। তদুপৰি এখন দেশৰ অৰ্থনৈতিক উন্নতি বহুখিনি নিৰ্ভৰ কৰে সেই দেশৰ নাৰীৰ ওপৰত। শিশুসকলেই হ'ল এখন দেশৰ ধৰণীস্বৰূপ। আজিৰ শিশু কালিলৈ দেশৰ নাগৰিক। গতিকে এখন সুস্থ দেশ গঢ়িবলৈ সুস্থ নাগৰিক গঢ় দিব লাগিব আৰু সুস্থ নাগৰিক গঢ়িবলৈ হ'লে শিশু অৱস্থাৰপৰাই যত্ন ল'ব লাগিব। সেয়ে নাৰী(মাতৃ) সকল শিক্ষিতা হোৱাটো অতিকে প্ৰয়োজন। উদাহৰণস্বৰূপে, গৃহ পৰিৱেশ হৈছে শিশুৰ ব্যক্তিত্ব বিকাশৰ মাইলৰ খুটিস্বৰূপ। গতিকে এখন ঘৰত থাকিব লাগিব সুস্থ সবল শিক্ষাৰ পৰিৱেশ। জন্ম হৈয়ে শিশু এটাই প্ৰথমে মাকৰ স্পৰ্শত জাগতিক শক্তি লাভ কৰে। সেয়ে শিশুৰবাবে মাকৰ প্ৰথম স্পৰ্শই হ'ল শিক্ষাৰ আৰম্ভণি। মাকে নিজে ঘৰখনত এটা সুস্থ পৰিৱেশ সৃষ্টি কৰি শিশুৰ সন্মুখত যি অভ্যাস, আচাৰ-ব্যৱহাৰ, মাত-কথা শিকাব বা মাতিব, শিশুটিয়েও তাকেই গ্ৰহণ কৰিব। গতিকে শিশুৰ ব্যক্তিত্ব বিকাশত মাতৃৰ দায়িত্ব সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বপ্ৰথম। বহুতো শিক্ষাবিদৰ মতে এগৰাকী সৎ-চৰিত্ৰা ব্যক্তিত্বসম্পন্না নাৰী এশজন শিক্ষকতকৈ শ্ৰেষ্ঠ। অকল মাতৃ হিচাপেই নহয় এখন ঘৰত এগৰাকী নাৰী বিভিন্ন ৰূপত অৱতীৰ্ণ হ'ব লাগে। উদাহৰণস্বৰূপে, পত্নীৰ ৰূপত পতিক, মাতৃৰ ৰূপত শিশুক, বোৱাৰীৰ ৰূপত শহুৰ-শাহুক, ভগ্নীৰ ৰূপত ভাতৃক, বিভিন্ন ৰূপত অৱতীৰ্ণ হৈ ঘৰ এখনৰ সকলো ব্যক্তিকে আনন্দ আৰু সুখেৰে জীৱন উপভোগ কৰিবলৈ দিয়াটো এগৰাকী নাৰীৰবাবে কম কষ্টৰ কাম নহয়। গতিকে এগৰাকী শিক্ষিতা নাৰীৰবাবেহে এই সংসাৰৰ কাঁইটীয়া বাটত খোজ দি সুকলমে পাৰ হোৱাটো সম্ভৱ।

সমাজৰ প্ৰগতিৰবাবে পুৰুষ-মহিলা উভয়ে সামাজিক উৎপাদনৰ কামত যোগদান কৰা নিতান্তই প্ৰয়োজন। এখন সমাজ সকলো দিশতে উন্নত হ'লেহে এখন দেশৰ উন্নতিৰ কথা চিন্তা কৰিব পাৰি। বহুত মহিলাই জীয়াই থাকিবলৈ নাইবা পেটৰ তাড়নাত নানা প্ৰকাৰে উপাৰ্জনৰ পথ উলিয়াব লগা হয়। যদি মহিলাগৰাকী শিক্ষিতা নহয় তেতিয়া তেওঁ বহু ক্ষেত্ৰত প্ৰলোভনৰ বলি হ'ব লগা হয়। শিক্ষিতা নোহোৱাৰবাবে তেওঁলোকে কোনটো কাম ভাল, কোনটো কাম বেয়া সেই কথা বুজি নাপায়। গতিকে অতি নিকৃষ্ট কাম কিছুমানো কৰিবলৈ নাৰীসকল বাধ্য হয়; কিন্তু যদি নাৰীসকল শিক্ষিতা হয়, তেতিয়া সমাজৰ সেই বৰ্বৰতাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব পাৰিব।

মহামানৱ মহাত্মা গান্ধীৰ মতে, যেতিয়ালৈকে আমাৰ দেশৰ প্ৰকৃত নাৰী শিক্ষয়িত্ৰীৰ সৃষ্টি নহয়, তেতিয়ালৈকে আমি যিমানেই স্কুলৰ শিক্ষা নিদিওঁ লাগে, শিক্ষা ফলপ্ৰসূ হ'ব নোৱাৰে। পৃথিৱীৰ প্ৰতি কাৰ সৰ্বাধিক দায়িত্ব আৰু কৰ্তব্য আছে বুলি ক'লে মই একে আষাৰে কম মাতৃসকলৰ। পণ্ডিত জৱাহৰলাল নেহৰুৱেও নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৈছে যে, এজন ল'ৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, আনহাতে এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালটোক শিক্ষিত কৰা। আজিকালি নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা সৰহ

সংখ্যকে বুজি পাইছে যদিও কিছুমান অখ্যাত অঞ্চলত আজিও নাৰী শিক্ষাৰ প্ৰভাৱ সীমিত।

আমাৰ সমাজত বৰ্তমানেও চলি থকা ব্যাধিস্বৰূপ, কু-সংস্কাৰ, বাল্য-বিবাহ, যৌতুক প্ৰথা, জাতিভেদ প্ৰথা আদিৰ বিৰুদ্ধে নাৰীসকলে একত্ৰিত হৈ মাত মাতিলেহে এইবোৰৰ অৱসান ঘটিব। আজিকালি সমাজৰ কু-ব্যাধিবোৰৰবাবেই কিমান মহিলাই যে নিৰ্যাতন ভুগিবলগীয়া হৈছে তাৰ সীমা সংখ্যা নাই। বহুতো মহিলা অন্ধ বিশ্বাসৰ বলি হৈ জীৱন বিপন্ন হৈ পৰিছে। আজিৰ সমাজৰ বিয়াৰ বজাৰত যৌতুকৰ যি ধুম উঠিছে তাৰবাবে ছোৱালী জন্ম মাক-বাপেকৰ বাবে অভিশাপ হৈ পৰিছে। বাজিত জিকিব নোৱৰা অভিভাৱকৰ বাবে ছোৱালীবোৰ হৈ পৰিছে তেওঁলোকৰ মূৰৰ কামোৰণি সদৃশ আৰু বহুতো ছোৱালীৰ যৌৱনৰ ৰং হেৰাই গৈছে। যদি নাৰী জাতি জাগৰিত নহয়, তেনেহ'লে এই সোঁচৰা ব্যাধিবোৰে নাৰীৰ বাবে ইয়াতকৈও ভয়ংকৰ ৰূপ ধাৰণ কৰি প্ৰবল বাধাৰ সৃষ্টি কৰিব।

এটা পৰিয়ালৰ লোকসকলৰ সু-স্বাস্থ্যৰ প্ৰতি এগৰাকী শিক্ষিতা নাৰীহে অধিক সচেতন। পৰিয়ালৰ সকলোকে পুষ্টিকৰ আহাৰ যোগান ধৰা, পৰিষ্কাৰ খোৱা পানীৰ যোগান ধৰা, বেমাৰৰ তৎকালীন প্ৰতিৰোধৰ ব্যৱস্থা কৰা আৰু শিশুক নীতিশিক্ষা দিয়া আদি নিতান্তই প্ৰয়োজনীয় কথাবোৰ এগৰাকী শিক্ষিতা নাৰীৰ পক্ষেহে সম্ভৱ।

অতীতৰ পৰাই ভাৰতীয় নাৰীয়ে উচ্চ আসন দখল কৰি আহিছে। প্ৰাচীন ভাৰতৰ নাৰী গাৰ্গী, মৈত্ৰেয়ী আদিয়ে ৰচনা কৰা শ্লোকে বেদতো স্থান পাইছিল। সীতা, দ্ৰৌপদী, সাবিত্ৰী, জয়মতী, কুন্তী, মূলাগাভৰু, সৰুজিনী নাইডু, অমলপ্ৰভা দাস, ফ্লোৰেন্স নাইটিঙ্গেল, কনকলতা আদি দেশপ্ৰেমী বিদ্ৰোহী নাৰীৰ নাম আজিও ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা আছে। বৰ্তমানৰ নাৰীয়ে ডাৱৰৰ মাজে মাজে উৰাজাহাজ উৰুৱাৰ উপৰিও সৌ সিদিনা কল্পনা চাওলা নামৰ এগৰাকী ৰমণীয়ে চন্দ্ৰপৃষ্ঠটো ভৰি দিবলৈ সক্ষম হ'ল। মুঠতে নাৰী কোনো ক্ষেত্ৰতে পিছপৰা নহয়, লাগে মাথো বিশ্বাস আৰু দৃঢ়তা।

নাৰী যেতিয়া দয়াৰ সাগৰ হয় তেতিয়া তাতকৈ আৰু কোমল বস্তু সংসাৰত একোৱেই নাই। নিজকে সুচৰিত্ৰা হিচাপে গঢ় দিবলৈ যত্নবান হ'ব লাগে। নাৰী অৱলা; কিন্তু দুৰ্বলা নহয়, এই কথাটোক প্ৰত্যেকজনী নাৰীয়ে হৃদয়ংগম কৰিব পাৰিব লাগিব। যেনেকৈ এগৰাকী নাৰী হৈও দেৱতাৰ একত্ৰিত শক্তি দেৱী দুৰ্গাই সংহাৰ মূৰ্তি ধাৰণ কৰি মহিষাসুৰ ৰাক্ষসক বধ কৰিছিল; তেনেকৈ সকলো নাৰী শক্তি একত্ৰিত হৈ 'নাৰী মুক্তি'ক প্ৰত্যাহ্বান হিচাপে লৈ কঁকালত টঙালী বান্ধি ওলাই আহি সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে মাত মাতিব পাৰিলেহে নাৰীসকল মুক্ত হ'ব পাৰিব। শিক্ষিত নাৰীৰ পক্ষেহে এই সকলোবোৰ কৰা সম্ভৱ। গতিকে সকলো নাৰী শিক্ষিত হোৱাটো বাঞ্ছনীয়।✧

*IGNORANCE Ignorance gives one a large range of probabilites.–*

*– George Eliot.*

# চৰিত্ৰ গঠনত আচৰণৰ ভূমিকা

শ্ৰীমতী বৰ্ণালী নাথ
স্নাতক, দ্বিতীয় বৰ্ষ

কিছুমান মনোবিজ্ঞানীৰ মতে আচৰণ হ'ল কোনো ব্যক্তিৰ দেহৰ বহিৰ্প্ৰকাশ আৰু চেতনা, বুদ্ধি, আৱেগ-অনুভূতি, ভাৱ-ভাষা আদি দৈহিক কাৰ্য্য-কলাপ; কিন্তু মনোবিজ্ঞানী "মেগেভোগেল্ড"ৰ মতে আচৰণসমূহৰ অধিকাংশই উদ্দেশ্যমূলক। গতিকে মন বা চেতনা আচৰণৰ লগত জড়িত।

প্ৰাচীন কালৰেপৰা সমাজখন মাৰ্জিতভাৱে চলিবৰবাবে আচৰণৰ সম্পৰ্কে চিন্তা-চৰ্চা কৰি পণ্ডিত, মনোবিজ্ঞানী, চিন্তাবিদ সকলে বিভিন্ন জাতি, ধৰ্ম আৰু ভাষিক লোকৰ মাজত বিভিন্ন আচৰণ বা আচাৰ শাস্ত্ৰৰ সৃষ্টি কৰি থৈ গৈছে। সেইবোৰৰ ভিতৰত আচাৰ কৌমুদী, আচাৰ নিৰ্ণয়, আচাৰ চন্দ্ৰিকা, আচাৰ দৰ্শন, আচাৰ চিন্তামণি, আচাৰদীপ আদি উল্লেখযোগ্য। আচৰণ দুই প্ৰকাৰৰ— সৎ আচৰণ আৰু অসৎ আচৰণ।

আচাৰ শাস্ত্ৰৰ আটাইতকৈ প্ৰয়োজনীয় দিশটো হ'ল শিষ্টাচাৰ। সৎ আলাপ, মিঠা মাত, সু-ব্যৱহাৰ, অমায়িকতা, নমনীয়তা, সৰলতা, অকপটতা, অচঞ্চলতা, গাম্ভীৰ্য্যপূৰ্ণতা, শ্লীলতা আদি শিষ্টাচাৰৰ একো একোটা অংগ। অতীত কালৰে পৰা পুত্ৰই পিতৃৰ প্ৰতি, কণিষ্ঠজনে জ্যেষ্ঠজনৰ প্ৰতি, শিষ্যই গুৰুৰ প্ৰতি, ভাৰ্য্যাই স্বামীৰ প্ৰতি, ৰজাই প্ৰজাৰ প্ৰতি বা প্ৰজাই ৰজাৰ প্ৰতি আৰু জ্যেষ্ঠজনে কণিষ্ঠজনৰ প্ৰতি দেখুৱাই অহা শিষ্টাচাৰৰ দৃষ্টান্ত বিভিন্ন গল্প, ধৰ্মশাস্ত্ৰ জাতকৰ কাহিনীবোৰে উল্লেখ কৰিছে। ইয়াৰ উপৰিও শ্ৰীৰামচন্দ্ৰই পিতৃবাক্য পালন কৰি চৈধ্য বছৰ বনবাস খটা, লক্ষ্মণে ভ্ৰাতৃৰ লগত বনবাসলৈ যোৱা, গুৰুৰ আজ্ঞা পালন কৰি সোঁহাতৰ বুঢ়া আঙুলিটো কাটি একলব্যই গুৰু দক্ষিণা দিয়া, স্বামীৰ মৃত্যুত ভাৰ্য্যাৰ আত্মদাহ, স্বামীৰ বাবে জয়মতী কুঁৱৰীয়ে তিলতিলকৈ মৃত্যুক সাৱটি লোৱা আদি কাৰ্য্যই শিষ্টাচাৰৰ ক্ষেত্ৰত ভাৰতীয় সভ্যতা-সংস্কৃতিক উচ্চ আসনত অধিষ্ঠিত কৰাৰ লগতে সেইসকলে নিজকে অমৰত্ব প্ৰদান কৰি থৈ গৈছে।

এই শিষ্টাচাৰবোৰ আহৰণ কৰিবলৈ বাল্যকালছোৱাই সোণালী সময়। প্ৰথমে ইয়াক শিকিবলৈ জ্যেষ্ঠ জনৰপৰা আদৰ্শ গ্ৰহণ কৰিলেহে জীৱনৰ পৰৱৰ্তী কালত চৰিত্ৰত পৰিণত হ'ব। কাৰণ অভ্যাসৰ সমষ্টিয়েই চৰিত্ৰ। বাল্যকালত এনে আচৰণৰ অভ্যাস কৰিবলৈ শিশুৰ বাবে জ্যেষ্ঠজনৰ আদৰ্শ, নৈতিকতাপূৰ্ণ পৰিৱেশ, উপযুক্ত শিক্ষা আৰু উপযুক্ত শিক্ষকৰ প্ৰয়োজনৰ উপৰিও পিতৃ-মাতৃৰ সততাপূৰ্ণ আদৰ্শ আৰু প্ৰতিটো বিষয়তে সচেতনতাৰ দৰকাৰ। শিশুৰ শিক্ষাৰ কঠিয়াতলিখন ঘৰখনেই আৰু মাতৃ শিশুৰ প্ৰথম শিক্ষয়িত্ৰী। এই সকলো কথা শিশুৰ বাল্য অৱস্থাতে লক্ষ্য নকৰিলে পৰৱৰ্তী জীৱনৰ গতি সলনি হৈ যাব পাৰে; যাৰ বাবে একোজন ব্যক্তি সমাজৰবাবে হৈ পৰে বোজা আৰু কলংক স্বৰূপ।

গতিকে সমাজত মিলিজুলি থাকিবলৈ, আদৰ যত্ন পাবলৈ, সামাজিক কামত বিশ্বাস ভাজন হ'বলৈ, শ্ৰদ্ধা-ভক্তি লাভ কৰিবলৈ, লগতে মানুহক আপোন কৰিবলৈ মানুহৰ শিষ্টাচাৰৰ অতিকে প্ৰয়োজন। গতিকে, আমি ক'ব পাৰো যে এজন ব্যক্তি সৎ নে অসৎ, এইটো নিৰ্ভৰ কৰে ব্যক্তিজনৰ আচৰণৰ ওপৰত।

আজি সমাজত সৎ আচৰণৰ অৱক্ষয় ঘটিছে; নৈতিকতাৰ স্খলন হৈছে। যাৰ ফলত যুৱ সমাজত উচ্ছৃংখলতাই দেখা দিছে। পশ্চিমীয়া সভ্যতা-সংস্কৃতি অনুকৰণ কৰিবলৈ গৈ ঘনচিৰিকাই ৰাজহংসৰ খোজ অনুকৰণ কৰি নিজৰ খোজো পাহৰি যোৱাৰ দৰে হৈছে। সময় পৰিৱৰ্তনশীল, ই স্বীকাৰ্য্য। বিজ্ঞানৰ চৰম অগ্ৰগতিত সময়ে কঢ়িয়াই আনিছে মানুহৰ মাজলৈ সমৃদ্ধি, অভিশাপ, আশীৰ্বাদ; কিন্তু নৈতিকতা, শিষ্টাচাৰ আদিৰ বিপৰীতে বহুক্ষেত্ৰত অনৈতিক আৰু ভ্ৰষ্টাচাৰৰ অপবাদে সমাজত বিশৃংখলতাৰো সৃষ্টি নকৰাকৈ থকা নাই।

অশিষ্ট আচৰণৰ মূলতে বহুতো কাৰণ আছে। ঘৰখনেই শিশুৰ আচল শিক্ষাৰ ঠাই। পৰিয়ালৰ সকলোৰে মাজত মৰম-স্নেহ, সহানুভূতি, সহযোগিতা আৰু সৎ আচৰণৰ অভাৱে শিশুৰ চৰিত্ৰ গঠনত কু-প্ৰভাৱ পেলায়। শিশু সদায় অনুকৰণপ্ৰিয়। পৰিয়ালৰ জ্যেষ্ঠজনৰ সৎচৰিত্ৰহে এটি শিশুৰ সৎ চৰিত্ৰ গঠনৰ সহায়ক।

কলুষতাপূৰ্ণ পৰিৱেশো শিশু চৰিত্ৰ গঠনৰ এক অন্তৰায়। এটা আদৰ্শপূৰ্ণ পৰিয়ালৰো চাৰিওফালৰ পৰিৱেশো সুস্থ হ'লেহে শিশুৰ চাৰিত্ৰিক দিশৰ উন্নতি হ'ব। ল'ৰালিকালৰে পৰা কু-সংগত

পৰি কু-কথা, অসৎ আচৰণ, অমাৰ্জিত ব্যৱহাৰ, জ্যেষ্ঠজনক সন্মান কৰিব নজনা, লগৰীয়াৰ লগত সম্প্ৰীতি আদিৰ বিষয়ে সৎ জ্ঞান আহৰণ কৰিবলৈ সুযোগ নোপোৱা আদি সৰু সৰু কথাইও ভৱিষ্যত জীৱনত চৰিত্ৰহীন কৰি তোলে। সততে পৰিলক্ষিত হোৱা যুৱ উচ্ছৃংশলতাৰ এটা উদাহৰণ হৈছে— এজন ছাত্ৰই প্ৰৱেশিকা পৰীক্ষাৰবাবে মন পুতি পঢ়া-শুনা কৰিছে কিন্তু কাষতে থকা পৰিয়ালটোৱে বজাইছে উচ্চস্বৰত হিন্দী গীতৰ কেছেট। সেই সময়ত পৰিৱেশটো কিমান হানিকৰ, তাক হয়তো সেই পৰিয়ালৰ কোনোৱে উপলব্ধি কৰা নাই। নৈতিক চেতনাৰ অভাৱে উচ্ছৃংশলতাৰ অৱতাৰণা কৰে।

আজি মানুহৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণা, ভাৱাদৰ্শৰ প্ৰগতি হৈছে; কিন্তু, আচৰণ বিষয়টো এইবোৰৰ লগত তেল-পানী সদৃশ হৈ পৰিছে। আধুনিক সংস্কৃতিৰ অপমৃত্যু ঘটা যেন অনুমান হৈছে। ফলত অসমীয়া সমাজৰ সহজ সৰল মাৰ্জিত আৰু বিনয়পূৰ্ণ আচৰণৰ অনুশীলন শূণ্য হৈ পৰিছে। দেশৰ বিভিন্ন চুকে-কোণে প্ৰতিষ্ঠিত হোৱা ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহেও এই ক্ষেত্ৰত অৰিহণা যোগোৱাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে বহুক্ষেত্ৰত সমনীয়াৰ প্ৰতি হেয় জ্ঞান, অসমীয়া মাধ্যমৰ শিক্ষকক শিক্ষক যেনেই নলগা, অন্য লোকক তুচ্চ জ্ঞান কৰা আচৰণবোৰ বয়সত ভয়ংকৰ হৈ উঠে। ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি যি তৎপৰতা আৰু ব্যয়েৰে অভিভাৱকে যত্ন লয়, মাতৃভাষাৰ প্ৰতি তাৰ অৰ্দ্ধাংশ খৰচ বহন কৰা হলেও ছাত্ৰ-ছাত্ৰী, সমাজ, ভাষা-সংস্কৃতিৰ আৰু বহুখিনি উন্নতি সাধন হ'লহেঁতেন।

আচৰণ, নীতিশিক্ষা, চৰিত্ৰগঠন আদিৰ ক্ষেত্ৰত সাম্প্ৰতিক শিক্ষা ব্যৱস্থা, পাঠ্যক্ৰম, পৰীক্ষা ব্যৱস্থাদিয়েও বিশেষ বৰঙণি যোগাব পৰা নাই। বৰ্তমান পৰীক্ষা ব্যৱস্থাই মাথোন পুথিগত শিক্ষাৰ ওপৰত গুৰুত্ব দি এটি চাকৰিৰবাবেহে উপযুক্ততা নিৰূপণ কৰিছে। গতিকে এজন মূল্যবোধ সম্পন্ন নাগৰিক হিচাপে গঢ় দিবলৈ এই শিক্ষা ব্যৱস্থা, পাঠ্যক্ৰম আৰু পৰীক্ষা ব্যৱস্থা পৰিৱৰ্তনৰ প্ৰয়োজন আছে। ইয়াৰ উপৰিও দূৰদৰ্শনৰ কিছুমান কাৰ্য্যসূচী, অৰ্দ্ধনগ্ন বিজ্ঞাপন, বাতৰিকাকতত প্ৰায়েই ব্যৱহৃত হত্যা, অপহৰণ, লুণ্ঠন, ধৰ্ষণ আদি শব্দবোৰৰ ব্যৱহাৰেও শিশুৰ কোমল মনত সাঁচ নবহুৱাকৈ নাথাকে। মুঠতে আচৰণৰ অৱনতি ঘটোৱা বহুতো কাৰক বৰ্তমান সময়ত পৰিলক্ষিত হয়।

শেষত ক'ব পাৰোঁ যে শিশুক সৎচৰিত্ৰৰ মানুহ হিচাপে গঢ় দি প্ৰকৃতাৰ্থত সম্পদ হিচাপে সমাজত পাবলৈ হ'লে প্ৰতিজন অভিভাৱকেই সদাসচেতন হোৱাৰ লগতে নিজৰো স্বভাৱ-চৰিত্ৰ, আচৰণ আদি নিৰ্মল কৰাটো বাঞ্ছনীয়। কাৰণ পৰিষ্কাৰ পানীৰেহে কোনো বস্তু ধুই পৰিষ্কাৰ কৰিব পাৰি। ✧

*HAPPINESS The first requisite for the happiness of the people is the abolition of religion.*

*— Karl Marx.*

# শিক্ষাৰ অন্তৰায় হিচাপে ৰেগিং

শ্ৰীঅমৃত শইকীয়া
উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ

ৰেগিং! ৰেগিং শব্দৰ অৰ্থ কি? সাধাৰণ কথাত ক'বলৈ গলে ৰেগিং শব্দৰ অৰ্থ হ'ল "চিনাকি"। নৱাগত আৰু পুৰণা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভৱিষ্যতে বাৰ্তালাপ কৰাৰ সুবিধাৰ্থে হোৱা অন্তৰংগ চিনাকি; কিন্তু বৰ্তমান সময়ত ৰেগিং কেৱল চিনাকিয়েই হৈ থকা নাই; ই নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ এক জ্বালা-যান্ত্ৰনাৰ উৎস বুলি ক'ব পাৰি। যাৰদ্বাৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে শাৰীৰিক বা মানসিকভাৱে যাতনা ভোগ কৰিবলগীয়া হয়। ক'বলৈ গ'লে আমাৰ শিক্ষা ব্যৱস্থাত ৰেগিং এটা বিশেষ অন্তৰায়। ই বিভিন্ন সময়ত, বিভিন্ন পৰ্য্যায়ত শিক্ষাৰ এটা বিশেষ মহামাৰী বুলি ক'লেও বৰ বেছি কোৱা নহ'ব; কাৰণ ৰেগিঙে অতি মেধা ছাত্ৰ এজনকো কেতিয়াবা মানসিকভাৱে এক হতাশজনক পৰ্য্যায়লৈ ঠেলি দিয়ে আৰু যাৰ বাবে কোনোজনে আত্মহত্যাকো বাছি ল'বলৈ বাধ্য হয়; কিন্তু কোনোজনে এনে ব্যৱহাৰক সঁহাৰি নিদি ৰেগিং কৰাসকলৰ বিপক্ষে মাত মাতি কাজিয়াৰ সৃষ্টি কৰাৰ কথা আজিকালি বাতৰিকাকত, আলোচনী আৰু ৰেডিঅ-দূৰদৰ্শনতো দেখিবলৈ বা পঢ়িবলৈ পোৱা যায়। আজিৰ শিক্ষা ব্যৱস্থাত ৰেগিঙক এক ভয়াবহ মহামাৰী বুলি বহু গুণী-জ্ঞানীলোকে মত প্ৰকাশ কৰিছে। এই মহামাৰী স্বৰূপ ৰেগিং বিশেষকৈ কলেজ বা হোষ্টেল বিলাকতে অধিক প্ৰচলিত বুলি আমি শুনিবলৈ পাইছোঁ।

কালৰ গতিত এই মহামাৰীয়ে অসমৰ অপ্ৰতিদন্দ্বী কলেজ 'কটন' পৰ্য্যন্ত গা কৰি উঠিছে। অসমৰ বিভিন্ন ঠাইৰ মেধাৰী ছাত্ৰ-ছাত্ৰীসকলে শতকৰা ৮০ তকৈ বেছি নম্বৰ লৈ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে এই কলেজতেই নাম ভৰ্তি কৰিবলৈ গৈ ৰেগিঙৰবাবে মানসিক বা শাৰীৰিক যাতনা ভোগ কৰি পুনৰ ঘূৰি আহি গাঁৱলীয়া কলেজসমূহত নামভৰ্তি কৰাৰ কথা বহুতে শুনিছে। এনেদৰে সেই মেধাৰী ছাত্ৰ-ছাত্ৰীসকলে নিজকে এজন সু-নাগৰিক হিচাপে জীৱন গঢ়াৰ পথত ৰেগিঙে হেঙাৰ হৈ থিয় দিছে। হয়তো উপৰোক্ত ঘটনাৰ নিচিনা কাৰ্য্যই মেধাৱীসকলৰ জীৱনৰ মূৰ্তিময় পথত কণ্টক হৈ থিয় দিব। সেইবোৰৰ উপৰিও আধুনিক কথাছবি সমূহতো ৰেগিঙে যথেষ্ট ঠাই দখল কৰিছে। অৱশ্যে তাত ৰেগিঙৰ প্ৰতিকাৰক ব্যৱস্থা নাই কৰা বুলি ক'ব নোৱাৰি। প্ৰকৃততে পৰোক্ষ বা প্ৰত্যক্ষভাৱেই হওক ই আধুনিক শিক্ষা ব্যৱস্থাৰ ক্ৰমোন্নতিৰ ক্ষেত্ৰত যথেষ্ট বাধা প্ৰদান কৰিছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই মহামাৰী স্বৰূপ ৰেগিঙৰ জ্বালা-যাতনা ভোগ কৰিছে, তেওঁলোকে ইয়াক ৰাষ্ট্ৰপ্ৰদত্ত অধিকাৰৰ যোগেদি নিজেই বিপুল সমালোচনাৰদ্বাৰা প্ৰতিকাৰৰ ব্যৱস্থা কৰিব পাৰে। বৃটিছসকলে গোঁজেই গজালি মেলি সাধাৰণ বেপেৰুৱা কোম্পানী এটাৰপৰা এসময়ত সমগ্ৰ ভাৰতক পদানত কৰাৰদৰে এদিন এই মহামাৰীয়ে সমগ্ৰ শিক্ষা ব্যৱস্থাটোক অন্যায়ৰ ঢাকনিৰে ঢাকি পেলাব। সেই হেতু ইয়াক পুলিতেই বিনাশ নকৰিলে হয়তো শিক্ষা বিকাশত প্ৰধান অন্তৰায় হিচাপে এদিন সকলো কিতাপ পত্ৰ বা বাতৰিৰ শিৰোনামা দখল কৰিব। সেই কাৰণে ৰেগিঙক আমাৰ শিক্ষা ব্যৱস্থাৰপৰা দূৰ কৰিবলৈ সকলো শিক্ষিত যুবকে বা অন্যান্য সকলেও একেমুখে প্ৰতিবাদ কৰিব লাগিব। চৰকাৰে প্ৰতিকাৰৰ কেৱল ব্যৱস্থা কৰিলেই নহ'ব, ইয়াক কাৰ্য্যকৰী কৰিবলৈও চেষ্টা কৰিব লাগিব।

ৰেগিং, ৰেগিং তুমি নোহোৱা শিক্ষাৰ প্ৰকৃত বন্ধু,
যাৰ ভয়ত মেধাৱীয়েও কৰিছে পলায়ন,
সেই কাৰণেই তোমাক দিম আমি নিৰ্বাসন। ✧

# মাদক দ্ৰব্য নিবাৰণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

শ্ৰীকৰুণজ্যোতি শইকীয়া
স্নাতক, ২য় বৰ্ষ

মাদক দ্ৰব্য এবিধ ৰাগীয়াল বস্তু। ইয়াক খালে নিচা হয়। এই মাদক দ্ৰব্যৰ ভিতৰত মদ, ভাং, কানি আৰু ধঁপাতেই প্ৰধান। বৰ্তমান যুগত আৰু কেইবিধমান মাদক দ্ৰব্যই সমাজত প্ৰভাৱ বিস্তাৰ কৰা দেখা গৈছে। ইয়াৰ ভিতৰত হিৰ'ইন, ব্ৰাউন চুগাৰ আৰু হাচিচেই প্ৰধান। আৰম্ভণিতে এই শেষৰ তিনিবিধ মাদক দ্ৰব্য পাশ্চাত্য সমাজত প্ৰচলন হৈছিল; কিন্তু ই লাহে লাহে অ'ত-ত'ত বিয়পি পৰাৰ কথা কাগজে-পত্ৰই পঢ়িবলৈ পোৱা গৈছে। তদুপৰি আজি কালি ড্ৰাগচৰ দৰে কিছুমান মাদক দ্ৰব্য বেজীৰ সহায়ত লোৱাটোও যুৱসমাজত দেখা গৈছে। যিটো এইড্‌ছ্‌ বেমাৰ বিয়পাৰ এটা পথ হিচাপে পৰিগণিত হোৱা দেখা গৈছে।

কেৱল নিচা ধৰিবলৈকে মাদক দ্ৰব্য খোৱা হয়। মাদক দ্ৰব্য ব্যৱহাৰ কৰাসকলৰ এটা ধাৰণা যে, ইয়াক খালে মনৰ উত্তেজনা বাঢ়ে আৰু বহুতো কথা পাহৰি থাকিব পাৰি। সকলো কথা পাহৰি কেৱল নিচাৰ প্ৰভাৱত থকাটোৱেই মাদকদ্ৰব্য খোৱাৰ কাৰণ বুলি ধৰিব পাৰি। মনৰ উত্তেজনা বঢ়াৰ ফলত মানুহে নানা অঘটন ঘটাই সমাজৰ তথা দেশৰ প্ৰচুৰ ক্ষতি সাধন কৰে। তদুপৰি মাদক দ্ৰব্য সেৱন কৰাৰ ফলত মানুহৰ মগজৰ গাম্ভীৰ্য্যতা নাইকিয়া হৈছে আৰু অকণমান কথাতে খং উঠাৰ ফলত কাজিয়া-পেচালৰদ্বাৰা সমাজত এক উশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰিছে। গতিকে ইয়াক সেৱন কৰি মনৰ অশান্তি দূৰ কৰাতকৈ, ই অশান্তি বঢ়াইহে।

মাদক দ্ৰব্য সেৱন কৰাৰ ফলত পৰিয়ালটোত অশান্তি হোৱাৰ লগতে ইয়াৰ কু-প্ৰভাৱে গোটেই সমাজখনকে দূষিত কৰে। সমাজত এনে কিছুমান ভদ্ৰতাৰ মুখা পিন্ধা ব্যক্তি আছে, যি বিলাকে মাদক দ্ৰব্য সেৱন কৰি ৰাতি পৰিবাৰৰ ওপৰত অমানুষিক অত্যাচাৰ চলায়; ফলত স্বামী-স্ত্ৰীৰ মাজৰ সুমধুৰ সমন্বয় গঢ়ি সংসাৰ পৰিচালনা কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। মাক-দেউতাকৰ এনে হাই-কাজিয়াত ল'ৰা-ছোৱালীৰ পঢ়া-শুনাত যথেষ্ট বেয়া প্ৰভাৱ পৰে আৰু পুত্ৰ-কন্যায়ো দেউতাকৰ আচৰণ অনুকৰণ কৰিবলৈ কুণ্ঠাবোধ নকৰে। ফলত যুৱ অৱস্থাত একমাত্ৰ পুত্ৰ বা কন্যাজনীয়ে ড্ৰাগছ, হিৰ'ইনৰ দৰে ভয়ংকৰ মাদক দ্ৰব্য সেৱন কৰিবলৈয়ো অভ্যাস গঢ়ি তোলে। আকৌ কোনোবা শিক্ষানুষ্ঠানৰ কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে যদি হিৰ'ইন বা ব্ৰাউন চুগাৰৰ দৰে দ্ৰব্য সেৱন কৰে, তেতিয়াহ'লে সেই বৰ বিহে বাকী ছাত্ৰ-ছাত্ৰীকো যে ইয়াৰ প্ৰভাৱত নপৰাকৈ ৰাখিব পৰা হ'ব, তাক ন-দি কব নোৱাৰি। মাদক দ্ৰব্য সেৱনৰ ফলত হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ নিচিনা জঘন্য কামৰ উদাহৰণ আজিকালি প্ৰায়ে খবৰ কাগজত পঢ়িবলৈ পোৱা যায়।

অৱশ্যে মাদক দ্ৰব্যসমূহৰ ঔষধি গুণো নোহোৱা নহয়। আজিকালি চিকিৎসা বিজ্ঞানৰ উচ্চ প্ৰগতিৰ দিনত বহুতো জীৱন ৰক্ষক ঔষধৰ লগত মাদক দ্ৰব্য মিহলাই দিয়া হয়। এই ক্ষেত্ৰত মাদক দ্ৰব্য সেৱনে মানুহৰ উপকাৰহে কৰে। বিশ্বত পেট্ৰলজাতীয় ইন্ধনৰ নাটনি হৈ অহাৰ লগে লগে কোনোবা এখন পশ্চিমীয়া দেশত মদৰদ্বাৰা মটৰ গাড়ী চলাইছে বুলিও আমি বাতৰি কাগজত পঢ়িবলৈ পাইছো। এই ক্ষেত্ৰত মদ হানিকাৰক নহৈ মানুহৰ আশীৰ্বাদস্বৰূপ বুলিহে ক'ব পাৰি।

ভাৰতবৰ্ষ এখন বিচিত্ৰ দেশ। ইয়াত বিভিন্ন ধৰণৰ মানুহে বসবাস কৰে। এই মানুহবোৰৰ প্ৰত্যেক জাতিৰে ধৰ্ম-বিশ্বাস ভিন্ন ভিন্ন। ভাৰতৰ সংবিধানত প্ৰতিজন লোকেই নিজৰ ইচ্ছামতেই নিজৰ ধৰ্মৰ পোষকতা কৰিব পাৰে। কিছুমান জাতিৰ ধৰ্মীয় বা সামাজিক অনুষ্ঠানত মদৰ ব্যৱহাৰ অপৰিহাৰ্য্য। ইতিহাসৰ পাত লুটিয়ালে আমি দেখিবলৈ পাওঁ যে, প্ৰাচীন কালৰপৰাই কিছুমান জাতিয়ে নিজৰ ধৰ্ম-পৰম্পৰা ৰক্ষা কৰিবৰ বাবে সমাজত মদৰ প্ৰচলন কৰিছিল। আমাৰ কল্পনাৰ স্বৰ্গৰাজ্যৰ বাসিন্দা দেৱতাসকলেও মদ্যপান কৰিছিল। তেওঁলোকে মদক "সোমৰস" বুলি কৈছিল। মহাভাৰতৰ যুগতো মদৰ প্ৰচলন আছিল বুলি আমি দূৰদৰ্শনৰ পৰ্দাত সদ্যসমাপ্ত "মহাভাৰত" নামৰ ধাৰাবাহিকখনিৰ যোগেদি জানিব পাৰিলো। আমাৰ অসমৰ শাসন ব্যৱস্থাত সুদীৰ্ঘ ছশ বছৰ ৰাজত্ব কৰা আহোম স্বৰ্গদেউসকলেও মদ্যপান কৰিছিল বুলি ইতিহাসে কয়। বৰ্তমান অসমৰ চুকে-কোণে অনুষ্ঠিত হোৱা বিশেষকৈ "তলাতল" ঘৰৰ প্ৰাংগণত হোৱা 'মেদাম মে-ফি' অনুষ্ঠানবোৰত মদৰ প্ৰচলনে ইতিহাসৰ কথাবোৰৰ শুদ্ধতাৰেই

প্ৰমাণ দিয়ে। ভৈয়াম আৰু জনজাতিসকলক সামৰি আমাৰ বৃহত্তৰ অসমীয়া সমাজখনৰ ধৰ্মীয় অনুষ্ঠানত মদৰ প্ৰচলন এতিয়াও হৈ আছে। আমাৰ দেশৰ তথাকথিত ভদ্ৰ সমাজবোৰত বিশেষকৈ আজি-কালি বিয়াই-সবাহেও মদ নহলে নচলা অৱস্থা এটা পাইছেহি। ই নিশ্চয় আমাৰ বাবে শুভ লক্ষণ নহয়। এই কু প্ৰভাৱবোৰে আমাৰ সমাজখনক কিমান যে ক্ষতিসাধন কৰিছে সি বৰ্ণনাতীত।

মাদক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে শেহতীয়াকৈ হলেও বিশ্ববাসীক সজাগ কৰিবলৈ "বিশ্ব স্বাস্থ্য সংস্থাই" (W.H.O) প্ৰচেষ্টা হাতত লৈছে। উদাহৰণস্বৰূপে, আমি চিগাৰেটৰ নাম উল্লেখ কৰিব পাৰো। ধঁপাতৰপৰা প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ চিগাৰেট এবিধ মাৰাত্মক মাদক দ্ৰব্য। ইয়াক সেৱন কৰাৰ ফলত কেন্সাৰৰ দৰে কেইবাবিধো মাৰাত্মক ৰোগ হোৱাৰ আশংকা থকা বুলি ইতিমধ্যে বহুবাৰ চিকিৎসকসকলে ঘোষণা কৰিছে। চিগাৰেট সেৱনৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে চিগাৰেটৰ পেকেটৰ ওপৰত চিগাৰেট খোৱাটো স্বাস্থ্যৰ প্ৰতি ক্ষতিকাৰক বুলি সতৰ্কবাণী লিখাটো বাধ্যতামূলক কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰ্দেশ মতেই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ অসম চৰকাৰেও এক চৰকাৰী নিৰ্দেশ ক্ৰমে চৰকাৰী কাৰ্য্যালয়ৰ চৌহদত এক নিৰ্দিষ্ট দূৰত্বৰ ভিতৰত ধঁপাতজাতীয় সামগ্ৰী বিক্ৰী কৰাটো নিষিদ্ধ কৰিছে।

উপৰি উক্ত আলোচনাৰপৰা আমি জানিব পাৰিছো যে মাদক দ্ৰব্যই কৰা উপকাৰৰ তুলনাত অপকাৰ বহুতো বেছি। গতিকে ইয়াৰ বিৰুদ্ধে সকলো শ্ৰেণীৰ শান্তিপ্ৰিয় লোকেই বলিষ্ঠ পদক্ষেপেৰে ওলাই আহি আন্দোলন কৰাটো অপৰিহাৰ্য্য হৈ পৰিছে। কেৱল চৰকাৰে আইন প্ৰণয়ন কৰিয়েই মাদক দ্ৰব্য সেৱনত বাধা আৰোপ কৰিব নিশ্চয় নোৱাৰে। ইয়াৰবাবে সেৱনকাৰী তথা সমাজৰ মাজত সামাজিক সচেতনতা জগাই তুলিব লাগিব। মুখ্যতঃ এই সামাজিক সচেতনতাৰ বহুলাংশ ছাত্ৰ-ছাত্ৰীসকলে বহন কৰিব লাগিব।

প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই প্ৰথমেই এই আন্দোলন নিজৰ ঘৰতে আৰম্ভ কৰিব লাগিব। পিতৃ-মাতৃয়ে বা ঘৰৰ আন কোনোবাই যদি মদ্যপান কৰিবলৈ উদ্যত হয়, তেনেহলে সন্তানৰূপী ছাত্ৰ-ছাত্ৰীয়ে তাক বাধা প্ৰদান কৰিবলৈ নৈতিক সাহস গোটাই ল'ব লাগিব। অসৎ কাৰ্য্যত প্ৰবৃত্ত হোৱাত পিতৃ-মাতৃক বাধা দিলে সন্তানে আওপকীয়াকৈ তেওঁলোকক তথা সমাজখনক উপকাৰ কৰাহে হ'ব। তদুপৰি মদ্যপান কৰিবলৈ অহা আলহী লোককো মদ্যপানৰ অপকাৰিতাৰ বিষয়ে জনাবলৈ কুণ্ঠাবোধ কৰিব নালাগিব। ওচৰ-চুবুৰীয়াৰ প্ৰতি ভাল ব্যৱহাৰ কৰাটো সকলোৰে কৰ্তব্য। ওচৰ-চুবুৰীয়াকো মদ্যপানৰ অপকাৰিতাৰ বিষয়ে বিতংকৈ বুজাই দিব লাগিব আৰু মদ্যপানৰপৰা আঁতৰত ৰাখিবলৈ চেষ্টা কৰিব লাগিব। ধৰ্মক দোহাই দি নিজৰ ঘৰত তথা গাঁৱৰ চুবুৰীয়াৰ ঘৰত অনুষ্ঠিত হোৱা সকাম-নিকামত মদৰ অত্যধিক প্ৰচলন দেখিলে তাক বন্ধ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে আপ্ৰাণ চেষ্টা চলাব লাগিব। প্ৰয়োজন হলে শাৰীৰিক ক্ষমতা প্ৰয়োগ কৰিবলৈও কুণ্ঠাবোধ কৰিব নালাগিব। গাৱেঁ-ভূঞে সভা পাতি বিভিন্ন সংগঠনৰ যোগেদিও সমাজৰ মাজৰপৰা এই কু অভ্যাস আঁতৰাই পেলাবলৈ প্ৰচেষ্টা ল'ব পাৰি।

আমাৰ অসমীয়া সমাজখনত গাঁৱতেই হওক বা চহৰতেই হওক, নিচাযুক্ত দ্ৰব্য খাই চেতনা হেৰুৱাই যোৱাৰ ফলত বহুতো লোক বাটে-ঘাটে পৰি থকা দেখিবলৈ পোৱা যায়। বিশেষকৈ বিহু, পূজা আৰু অন্যান্য উৎসৱৰ দিনবোৰত এনেবোৰ দৃশ্য প্ৰায়ে দেখিবলৈ পোৱা যায়। এইবোৰ বন্ধ কৰিবলৈ সকলোৱে যত্নবান হ'ব লাগিব।

সামৰণিত আমি ইয়াকে ক'ব বিচাৰো যে মাদক দ্ৰব্য নিবাৰণত ছাত্ৰ-ছাত্ৰীয়ে এক বলিষ্ঠ ভূমিকা ল'ব পাৰে। ইয়াৰ বাবে লাগিব এক সামাজিক সুস্থ পৰিৱেশ, মনোবল আৰু নৈতিক সাহস। সাহিত্য সৃষ্টিৰ যোগেদিও ইয়াৰ বিৰুদ্ধে মানুহৰ মাজত সামাজিক সচেতনতা জগাই তুলিব পাৰি। ✧

*(বিভিন্ন উৎসৰ সহায় লৈ)*

# কৃত্ৰিম প্ৰসাধনৰ অপকাৰ
## আৰু
# প্ৰাকৃতিক প্ৰসাধনৰ উপকাৰ

শ্ৰীমতী ভাৰতী বৰা
স্নাতক, ১ম বৰ্ষ

প্ৰাচীন কালৰে পৰা মানুহে সৌন্দৰ্য্য চৰ্চা কৰি আহিছে। অতীতৰ বিভিন্ন কাহিনীসমূহতো সৌন্দৰ্য্য চৰ্চাৰ বিষয়ে উল্লেখ পোৱা যায়। আজি এই একবিংশ শতিকাতো মানুহৰ মনত সৌন্দৰ্য্যৰ প্ৰতি আকৰ্ষণ দ্ৰুত গতিত বৃদ্ধি পাইছে। অতীতৰ লোকসকলে প্ৰসাধনৰ সামগ্ৰী সংগ্ৰহ কৰিছিলে প্ৰকৃতিৰ বুকুৰ পৰা; কিন্তু বৰ্তমান মানৱ সভ্যতাই অত্যধিকভাৱে ব্যৱহাৰ কৰে কৃত্ৰিম প্ৰসাধন। বৰ্তমান মানুহে বুজিব পৰা নাই যে এই কৃত্ৰিম প্ৰসাধনৰ ব্যৱহাৰৰ জৰিয়তে তেওঁলোকে এক ভয়ংকৰ কালৰ গ্ৰাসত দিনক দিনে পোত যাবলৈ ধৰিছে।

প্ৰাচীন গ্ৰন্থসমূহ অধ্যয়ন কৰিলে দেখা যায় যে, প্ৰাচীন ইজিপ্তবাসীয়ে খ্ৰীষ্টজন্মৰ প্ৰায় ৪০০০ বছৰৰ আগৰপৰা ধৰ্মীয় কাৰণতেই হওক বা শুকান জলবায়ুৰ পৰা ৰক্ষা পাবৰ বাবেই হওক বা সৌন্দৰ্যৰ বৰ্ধনৰবাবেই হওক; সুগন্ধী দ্ৰব্য বা তেল ব্যৱহাৰ কৰিছিল।

পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কাৰণেই হওক বা সৌন্দৰ্য্য ৰক্ষাৰ বাবেই হওক যি কাৰণতেই মানুহে প্ৰসাধন ব্যৱহাৰ নকৰক লাগে; বৰ্তমান বৈজ্ঞানিকসকলে চলোৱা পৰীক্ষাৰপৰা জানিব পৰা গৈছে যে, এইবোৰ মানুহৰ বাবে ক্ষতিকাৰক। কাৰোবাৰবাবে অলপমান উপকাৰ হলেও অপকাৰিতাৰ তুলনাত তেনেই নগণ্য। ১৯৭৪ চনত আমেৰিকাত চলোৱা এটা পৰীক্ষাৰপৰা জানিব পৰা গৈছে প্ৰায় সকলোবোৰ প্ৰসাধন সামগ্ৰীয়েই শুষ্ক আৰু স্পৰ্শকাতৰ (sensitive) মানুহৰ ছালত এলাৰ্জিৰ প্ৰতিক্ৰিয়া দেখুৱায়। এটা কথা ভালদৰে মনত ৰখা দৰকাৰ যে কৃত্ৰিম প্ৰসাধনে কেতিয়াও ছালৰ মসৃণতা, উজ্বলতা আৰু ৰং সলনি কৰাত সহায় কৰিব নোৱাৰে। প্ৰকৃতিৰ সৃষ্টিৰ ওপৰত মানুহে পৰিবৰ্তন কৰিবলৈ যোৱাটো একো একোটা ভ্ৰান্ত ধাৰণা মাথোন।

বৰ্তমান সময়ত সৌন্দৰ্য্য চৰ্চাৰ গুৰুত্ব বুজি বিভিন্ন কোম্পেনীবোৰে বাতৰিকাকত, ৰেডিঅ', টিভি, ইণ্টাৰনেট আদিৰ জৰিয়তে নিজৰ নিজৰ উৎপাদিত প্ৰসাধনৰ উৎকৃষ্টতাৰ বিষয়ে প্ৰচাৰ চলায়। ইটো কোম্পেনীয়ে সিটো কোম্পানীৰ লগত প্ৰতিযোগিতা কৰে আৰু প্ৰত্যেকেই নিজৰ নিজৰ উৎপাদিত সামগ্ৰী শ্ৰেষ্ঠ বুলি দাবী কৰে। যাৰ ফলস্বৰূপে ক্ৰেতা ৰাইজ এৰা-ধৰাৰ দোমোজাত উপনীত হৈছে। বেছি দামত বিক্ৰী কৰা এই দ্ৰব্যবোৰৰ পিছত ক্ৰেতা ৰাইজ অন্ধ হৈ মাথোন দৌৰিছে। আজিকালি নগৰে চহৰে 'বিউটি পাৰ্লাৰ' গঢ় লৈ উঠিছে আৰু এইবোৰৰ জৰিয়তে এচামে হাজাৰ-হাজাৰ টকা ঘটিছে; কিন্তু আন চামে এবাৰলৈও ভাবি চাইছেনে যে এই পাৰ্লাৰবোৰে প্ৰকৃততে মানুহৰ সৌন্দৰ্য্য বৃদ্ধি কৰিব পাৰিবনে?

গৱেষকসকলে জানিব পাৰিছে যে প্ৰসাধন সামগ্ৰী উৎপাদনত প্ৰায় ৫০০০ তকৈও অধিক বস্তু ব্যৱহাৰ কৰে। সেইবোৰ হ'ল— গ্লিছাৰিন, তেল, চৰ্বি, পেৰাফিন, মমজাতীয় পদাৰ্থ, এলকহল, ক্ষাৰদ্ৰব্য, লেন'লিন আদিয়েই প্ৰধান। প্ৰধানকৈ ব্যৱহৃত এনে প্ৰসাধন সামগ্ৰীবোৰ হ'ল পাউদাৰ, ক্ৰীম, নেইলপলিছ, চুলিত দিয়া বিভিন্ন ৰং, ছেম্পো, আইলিনাৰ, আইছেড, মইছৰাইজাৰ, টুথপেষ্ট, কলগেট আদি।

কোম্পানীয়ে ভিটামিনযুক্ত আৰু ছালৰ বাবে অতি উপকাৰী বুলি দাবী কৰা বিভিন্ন ক'ল্ডক্ৰীম, ভিটামিনযুক্ত ক্ৰীম, ভেনিছিং ক্ৰীম আদি ছালৰ অত্যন্ত ক্ষতিকাৰক বুলি বিজ্ঞানীসকলে প্ৰমাণ কৰিছে। ভিটামিনৰ অভাৱ মাথোন খাদ্যৰ যোগেদিহে পূৰণ কৰিব পাৰি। ছালৰ একেবাৰে ওপৰতে থকা 'এপিডাৰমিছ' নামৰ স্তৰত "মেলান'ছাইট" নামেৰে এবিধ কোষ থাকে। এইবিধ কোষে মানুহৰ 'মেলানিন' তৈয়াৰ কৰে। এই মেলানিনেহে মানুহৰ ৰং নিয়ন্ত্ৰণ কৰে। মেলানিনৰ বাবেই মানুহৰ মুখত হোৱা যিকোনো দাগ অলপ দিনৰ পিছত মূল ছালৰ লগত মিলি যায়। এই ক্ৰীমবোৰত সুগন্ধৰ বাবে ব্যৱহাৰ কৰা নেমুৰস, প'দিনা, জেছমিন, সুগন্ধি তেল, লেভেণ্ডাৰ আদিয়ে ৰাসায়নিক বিক্ৰিয়াৰ জৰিয়তে মানুহৰ শৰীৰত, শালমইনা, ক'লাদাগ, ছকলাবন্ধা ৰোগ ইত্যাদিৰ সৃষ্টি কৰে।

ওঁঠত ব্যৱহাৰ কৰা লিপষ্টিকৰ ৰং (ডাই আৰু টেট্ৰাব্ৰম'ফ্লৰ'চিন) আৰু সুগন্ধৰবাবে কিছুমান সুগন্ধি পদাৰ্থ ব্যৱহাৰ কৰে। এইবোৰ ছালৰ ভিতৰলৈ প্ৰৱেশ ক্ৰিব পাৰে। লিপষ্টিকৰ পৰা কেন্সাৰ বেমাৰ হোৱাৰ আশংকা আছে।

টেল্কাম পাউদাৰত টেল্ক শিলৰ গুড়ি ব্যৱহাৰ কৰে। এই গুড়িৰপৰা মানুহৰ যৌনাংগত কেন্সাৰ ৰোগ হোৱাৰ সম্ভাৱনা আছে বুলি বৈজ্ঞানিকে জনাইছে।

পাউদাৰ, টুথপেষ্ট ব্যৱহাৰে দাঁতৰ বা আলুৰ বিশেষ ক্ষতিসাধন কৰে। পাউদাৰত বা কলগেটত ব্যৱহাৰ কৰা ফ্ল'ৰাইডে দন্তক্ষয়ত অলপ বাধা দিয়ে সঁচা; কিন্তু ফ্ল'ৰাইডৰ পৰিমাণ অধিক হ'লে ই দাঁতৰ উপৰিও হাড়ৰ বিশেষ ক্ষতিহে কৰে।

অসময়তে চুলি পকা আৰু সৰাটো এটা ৰোগত পৰিণত হোৱা দেখা গৈছে। স্থায়ীভাৱে চুলিত ৰং কৰিবলৈ যিবোৰ পদাৰ্থ ব্যৱহাৰ কৰে, সেইবোৰত Paraphenylene-diamine মিহলোৱা হয়। ইয়াৰ উপৰিও আমি ব্যৱহাৰ কৰা ক'লা ৰঙৰ তেল, মেহেন্দী আদিত নিকেল, ক্ৰমিয়াম বা সীহ আৰু চুলি ধোৱা ছেম্পো বা চাবোনবোৰত পেৰ'ক্সাইড আৰু এম'নিয়া আদি প্ৰয়োগ কৰে। স্প্ৰে' কৰা দ্ৰৱত লা (shellae), আঠা (gum), কৃত্ৰিম ৰঞ্জন আদি থাকে। এই বিভিন্ন ৰাসায়নিক দ্ৰব্যবোৰে অকালতে চুলি পকা, সৰা, মাজেৰে চিঙি যোৱা আৰু যিকোনো সময়ত এলাৰ্জিৰ ক্ৰিয়াও দেখুৱায়। চুলি ভাল হ'বলৈ ব্যৱহাৰ কৰা টনিকত 'ছেলিছাইলিক এছিড' ব্যৱহাৰ কৰে। ই শৰীৰত এলাৰ্জিৰ সৃষ্টি কৰে।

আজি কিছুদিনৰ আগতে চুলিত মেহেন্দী ব্যৱহাৰ কৰা এগৰাকী বয়সস্থ মানুহক পৰীক্ষা কৰি বৈজ্ঞানিকসকলে জানিব পাৰিছিল যে মানুহগৰাকীৰ গাত ৭০% সীহ আছে; কিন্তু আমাৰ শৰীৰত মাত্ৰ ১০% সীহৰহে প্ৰয়োজন। অতিৰিক্ত সীহে কেতিয়াবা মানুহক মৃত্যুৰ মুখত পেলাব পাৰে। গৱেষকসকলে এটা কথাৰ পৰা আচৰিত হৈছিল যে তিৰোতা গৰাকীৰসৈতে সকলো সময়তে তেওঁৰ নাতি-নাতিনীবোৰৰ শৰীৰতো সীহৰ পৰিমাণ বৃদ্ধি পাইছে।

প্ৰ'টিনযুক্ত প্ৰসাধন সামগ্ৰীবোৰত প্ৰ'টিনৰবাবে ব্যৱহাৰ কৰা গাখীৰ, কণী আদিত সোনকালে অণুজীৱই প্ৰৱেশ কৰে। এই অণুজীৱ (যেনে— ভেঁকুৰ, বেক্টেৰিয়া) আদিৰ প্ৰভাৱত এই সামগ্ৰীবোৰে নিজৰ গুণাগুণ এৰি বিৰোধ প্ৰতিক্ৰিয়া দেখুৱাব পাৰে। ইয়াৰ উপৰিও প্ৰকৃতিৰপৰা লোৱা কেঁচা সামগ্ৰীবোৰত অণুজীৱ থাকিব পাৰে। এইবোৰ সামগ্ৰী প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰা পানী দূষিত হ'লে ই বিষজনিত ক্ৰিয়া দেখুৱায়। প্ৰসাধন উৎপাদনত ব্যৱহৃত যন্ত্ৰ-পাতি উপযুক্ত পৰিষ্কাৰ নকৰিলেও বিপদৰ সন্মুখীন হ'ব লগা হয়।

মূৰৰ চুলিত মাৰিবৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন প্লাষ্টিক ক্লেণ্ড, ৰবৰ, কিলিপ, বিভিন্ন কাপোৰৰ পৰা বনোৱা বস্তুবোৰেও ছালৰ ওপৰত বেয়া প্ৰভাৱ পেলায়। সময় আৰু সুবিধা থাকোঁতেই যদি আমি সাৱধান নহওঁ, তেতিয়া আমি মানৱজাতিয়ে নিজৰ মৃত্যু নিজেই মাতি অনা হ'ব। আমি মনত ৰখা দৰকাৰ যে সুষম আহাৰ, উপযুক্ত পৰিৱেশ আৰু মনৰ আনন্দইহে মানুহক দীৰ্ঘায়ু কৰাত সহায় কৰে। মানুহে এনেয়ে গছ-বন কাটি, কল-কাৰখানাৰ ধোঁৱাৰ পৰা বিভিন্ন পাৰমাণৱিক শক্তি আদিৰ জৰিয়তে পৰিৱেশ দূষিত কৰিছে। যাৰ ফলস্বৰূপে আমাৰ অতীতত থকা ছালৰ, চুলিৰ সৌন্দৰ্য্য ক্ৰমান্বয়ে নাইকিয়া হৈ পৰিছে। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা তথা আমাৰ প্ৰয়োজনীয়তাৰ বাবে এই প্ৰাকৃতিক সম্পদবোৰ আমি জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে নিজেই জীয়াই ৰাখিব লাগিব। তেতিয়াহে আমাৰ লগতে সমগ্ৰ জীৱ জগতৰে কল্যাণ সাধন কৰিব পৰা হ'ব।

অতীতত ওঁঠত ৰং সানিবলৈ বৰহমথুৰি, নখত জেতুকা, চুলি ধোৱাৰ বাবে জবাফুলৰ পাত, ঔটেঙাৰ বীজ, তিলৰ পাত, কলখাৰ মণিছালৰ গুটি আদি ব্যৱহাৰ কৰিছিল। প্ৰকৃতিৰ পৰা উপকৃত হ'ব পৰা ছাল আৰু চুলি ৰক্ষাৰ কিছুমান উপায় দিয়া হ'ল—

(১) আমলখিৰ পাত বা আমলখি খুন্দি গৰম কৰি তাৰ ৰস মূৰত সানিলে অকালতে চুলি পকাৰ লগতে সৰা বন্ধ কৰে।

(২) জবাফুলৰ পাত বা ফুল, জেতুকা পাতৰ লগত খুন্দি মিহলাই মূৰত লগাব লাগে আৰু আধাঘণ্টা মানৰ পাছত ধুই পেলাব লাগে। ই চুলি সৰা আৰু পকা ৰোধ কৰে।

(৩) গোলনেমু, কাজিনেমু আদিৰে মূৰ ধুব লাগে।

(৪) কেহেঁৰাজৰ ৰস মূৰত সানিব লাগে, নিম পাতৰ ৰস, ধঁতুৰা পাতৰ ৰস আদি লগাব লাগে।

(৫) একাপ কাৰা চাহত ২/৩ টোপাল নেমুৰস দি মূৰত লগাই আধাঘণ্টা ৰাখি ধুই পেলাব লাগে।

(৬) শিলিখাৰ ৰস মূৰত লগাব লাগে।

**মুখৰ ছালৰ যতন ঃ**

(১) হালধিৰ ৰস, মৌৰ লগত মিহলাই মুখত ঘঁহিব লাগে আৰু ১০ মিনিটৰ পিছত ধুই পেলাব লাগে।

(২) গোল নেমুৰ ৰস লগাব লাগে।

(৩) গাখীৰৰ সৰ মুখত সানিলে ছাল উজ্জ্বল হোৱাৰ লগতে মিহি হয়।

(৪) বন্ধাকবিৰ ৰস আধাকাপৰ লগত ২টা পিয়াঁজ খুন্দি মিহলাই ৰস উলিয়াই ঘঁহিব লাগে।

(৫) ময়দাৰ গুড়ি পানীত মিহলাই ১০ মিনিটমান সানি ধুই পেলাব লাগে।

(৬) মহানিমৰ ৰস মুখত সানিলে মুখত হোৱা ক'লা দাগৰ লগতে শালমইনা নাইকিয়া হয়।

(৭) কণীৰ কুহুম মুখত সানি ১০ মিনিটমান ৰখাব লাগে।

এজন প্ৰাপ্তবয়স্ক মানুহে নিজৰ স্বাস্থ্য আৰু সৌন্দৰ্য্য বজায় ৰাখিবলৈ প্ৰয়োজনীয় শ্ৰম কৰিব লাগে। এজন মানুহে দিনে খাব লগা খাদ্য সামগ্ৰীৰ পৰিমাণ হ'ল—

| খাদ্যদ্ৰব্য | পৰিমাণ |
|---|---|
| বীজশস্য (চাউল, আটা) | ৪৬০ গ্ৰাম |
| দাইল, মাহ | ৪০ গ্ৰাম |
| শাক-পাচলি | ৫০ গ্ৰাম |
| অন্যান্য পাচলি | ৬০ গ্ৰাম |
| আলু-কচু | ৫০ গ্ৰাম |
| গাখীৰ | ১৫০ গ্ৰাম |
| তেল চৰ্বীজাতীয় | ৪০ গ্ৰাম |
| চেনি-গুড় | ৩০ গ্ৰাম |

উপৰি উক্ত পৰিমাণৰ খাদ্যৰপৰা আহাৰত হ'ব পৰা শক্তি = ২৭৩৮.৬০ কিল'কেলৰি।

নিৰ্দিষ্ট বয়সৰ মানুহে উপযুক্ত শ্ৰম কৰি গড় হিচাপে উপৰি উক্ত পৰিমাণৰ আহাৰ খালে এজন নিৰোগী মানুহে নিজৰ সৌন্দৰ্য্য বজাই ৰাখি জীৱন যাপন কৰিব পাৰে। শেষত ক'ব পাৰি যে সৌন্দৰ্য্যৰ উৎস প্ৰকৃতিৰ বুকুৰপৰা দ্ৰব্য আহৰণ কৰি ব্যৱহাৰৰ যোগেদি আমি নিজকে সৌন্দৰ্য্যময়ী আৰু সু-স্বাস্থ্যৰ গৰাকী কৰি তুলিব পাৰিম।✧

*(বিঃদ্ৰঃ— বিভিন্ন গ্ৰন্থৰ সহায়লৈ)*

*ANGER Anyone can become angry– that is easy, but to be angry with the right person, to the right time, for the right person, to the right time, for the right purpose, and in the right way– this is not easy.*
*– Aristotle.*

আলোকপাত ঃ

# কপৌফুলৰ অবিহনে বহাগ বিহু

শ্ৰীহিতেশ ডেকা
স্নাতক, ১ম বৰ্ষ

বসন্তকালৰ বিহুৰ বতৰত ফুলা কপৌ, তগৰ, নাহৰ, কেতেকী, বকুল, গোলাপ আদি ফুলৰ ভিতৰত সম্ভৱতঃ কপৌফুলৰ স্থানেই সৰাতোকৈ ওপৰত। বহাগ বিহুত বিহুৱা ডেকাই চেনেহীৰ মৰমতে গছৰ ফেৰেঙনিৰ পৰা কপৌফুল চিঙি আনি দিয়ে। কপৌফুল যাচি হিয়াৰ বতৰা জনায়। গাভৰুৱে তাকে আদৰেৰে গ্ৰহণ কৰি ইয়াৰ তাৎপৰ্য্য বুজি খোপাত গুজি লয়। পিছত বিহু গীতেৰে আৰু নাচোনেৰে মনৰ কথা ডেকাৰ আগত প্ৰকাশ কৰি মনত সান্ত্বনা লভে। অসমীয়া সমাজত কপৌফুল প্ৰেমৰ প্ৰতীক হিচাপে চিহ্নিত হোৱা বুলি ক'ব পাৰি।

একে আষাৰতে কবলৈ হ'লে কপৌফুল মানেই বহাগ বিহু; বহাগ বিহু মানেই কপৌফুল। কপৌফুল ফুলাৰ লগে লগে বহাগ বিহুৰ আগজাননী পোৱা যায়। প্ৰকৃতিৰ ৰূপ সলনি হয়। চ'ত মাহৰ প্ৰায় মাজভাগৰপৰা পৃথিৱীৰ বুকুত বিচিত্ৰ ৰঙ আৰু ৰূপৰ কপৌফুল ফুলি প্ৰকৃতি সু-শোভিত হৈ পৰে। কপৌফুলে ৰঙালী বিহুৰ নামৰ অৰ্থও সাৰ্থক কৰি তোলে। এই ফুল ফুলা দেখিলে ল'ৰাৰপৰা বুঢ়ালৈ প্ৰতিজন অসমীয়াৰ মন-প্ৰাণ উত্তাৱল হৈ পৰে। ঘৰৰ পদূলিমুখৰ তামোল গছ কেইজোপাত বা আমজোপাত বা কঁঠাল গছত ওলমি থকা কপৌফুলৰ থোপা দেখিলে কাৰনো বাৰু হিয়া জুৰ পৰি নাযায়? প্ৰকৃতিপ্ৰেমী কবি, শিল্পীৰ পৰশত পৰি সেই মনোমোহা দৃশ্য ধৰি ৰখা হয়। মুঠতে কপৌফুলৰ অবিহনে ৰঙালী বিহুটি তেনেই অৰ্থহীন ৰূপ ধাৰণ কৰাৰ আশংকা নুই কৰিব নোৱাৰি।

কপৌফুল আমাৰ অতিকৈ আদৰৰ ৰঙালী বিহুত আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰাৰ বহুতো কাৰণ আছে। ভিন ভিন আকাৰ, আকৃতি, ৰঙৰ বৈচিত্ৰ্যময় গুণৰাজিয়েই কপৌফুলৰ স্থান উচ্চ হোৱাৰ বাবে যথেষ্ট আৰু গাভৰুৰ খোপাত কপৌফুলে অশেষ শোভা বৃদ্ধি কৰে যাৰ তুলনা পাবলৈ নাই। কপৌফুলৰ সুগন্ধইও মানুহৰ আকৰ্ষণ বঢ়াই তোলে।

চীনদেশত কপৌফুল প্ৰজননৰ প্ৰতীক হিচাপে পৰিগণিত হৈছে। কোনো সন্তানহীনা তিৰোতাক তেওঁৰ স্বামীয়ে কপৌফুল উপহাৰ দিলে সন্তান জন্ম হয় বুলি চীনৰ লোকসকলে বিশ্বাস কৰে। বিহুগীতত কপৌফুলৰ বৰ্ণনা অসংখ্য। কপৌফুলক লৈ গোৱা বিহুগীতৰ সংখ্যাৰ লেখ পাবলৈ টান। এতিয়া আগৰ দৰে প্ৰকৃতিত কপৌফুল পোৱা নাযায়। ই অতি দুৰ্ভাগ্যৰ কথা, ইয়াৰ পৰিমাণ ক্ৰমান্বয়ে কমি আহিব ধৰিছে। আগৰ দিনত হাবি-জংঘলৰ গছ-গছনিসমূহত বিভিন্ন প্ৰকাৰৰ কপৌফুল ফুলি প্ৰকৃতিক বৰ্ণনাতীতভাৱে সজাইছিল; কিন্তু আজি-কালি সংৰক্ষিত গছ-গছনি বোৰৰ বাহিৰে আন মূল্যবান গছ-গছনিসমূহ ৰক্ষা কৰাটো অতি টান হৈ পৰিছে। জীৱশ্ৰেষ্ঠ মানবৰ কাৰ্য্য দেখিলে আজি তবধ মানিব লাগে। কপৌফুলো মানুহৰ অপকৰ্মৰ গৰাহৰপৰা ৰক্ষা পৰা নাই। অসমত এতিয়া বহুতো কপৌফুলৰ প্ৰজাতিয়ে প্ৰকৃতিৰ বুকুৰ পৰা একেবাৰে বিদায় মাগিলে আৰু বহুতে মৃত্যুৰ ক্ষণ গণিছে। ইয়াৰ বাবে দায়ী নিশ্চয় মানৱ জাতি।

অৱশ্যে বিজ্ঞানীসকলৰ বৈজ্ঞানিক প্ৰচেষ্টাত কপৌফুলক জীয়াই ৰখাৰ বাবে পৰম অৱদান আগবঢ়াইছে বুলি ক'ব লাগিব। উদ্ভিদ বিজ্ঞানীসকলে ভিন ভিন প্ৰজাতিৰ কপৌফুলৰ জন্ম দিব পাৰিছে। অসমৰ বিজ্ঞানীয়েও "টিউৱত" কপৌফুল ফুলাবলৈ সক্ষম হৈছে। মুঠতে ক'ব পাৰি যে আগৰ দিনৰদৰে বৰ্তমান কপৌফুল নাই। বৰ্তমান দুই-এঠাইত কপৌফুল আছে। আজি কালি কপৌফুলৰ অভাৱত নাচনীয়ে কাগজ বা প্লাষ্টিকৰ ফুল খোপাত গুজি লয়।✧



# কবিতা গুচ্ছ



# তেজৰ দিনত মৃত্যুৰ পৰিচয়

শ্ৰীমতী মঞ্জু দত্ত
উঃ মাঃ, ১ম বৰ্ষ



(১)

কেনেকৈ শিলৰ প্ৰাচীন সাঁকোত মাটি মেলে
চোতালে চোতালে সমবেত শোকাৰ্ত্ত পৰিয়াল
ঘৰৰ মুধচত ভাগে ঠেৰুচিগা আকাশ।
কোনোবা নদীয়েদি উজাই আহে তেজৰ সোঁত
সেওঁতা উকা কৰে
আহি মই চাব নোৱাৰোঁ
কেনেকৈ বুকুৰ মাজত নৃত্য কৰি কৰি উত্তৰ
নৃত্য কৰি কৰি দক্ষিণ
কেনেকৈ বন্দুকৰ পাছত বন্দুক
লাংচিং হেন চোকা দেগাৰৰ পাছত
মানুহ বিচাৰি মানুহে ঘূৰি ফুৰে।
বৰ সহজভাৱে ক'ৰবাত দুৰ্ভিক্ষ হয়
ক'ৰবাত মৰ্মান্তিক গণহত্যা অথবা নিৰ্লজ্জ ধৰ্ষণৰ আঁৰত
ঘুণে খায় সকলোৰে আজন্ম অধিকাৰ দস্তাবেজ
বাঃ ইয়াতকৈ আছে কি আৰু তিক্ত জীৱনৰ ধাৰাপাত
আহঃ তুমি নক'বা
আঁতৰাই নিদিবা তোমাৰ বুকুৰ শিলাময় দুহাত
চোৱাঁ!
কেনেকৈ শেনে ছানিছে আকাশ।

***********

(২)

মোৰ ইচ্ছাপত্ৰত চহী কৰি
ওলাই আহো তিনিআলিলৈ কাণ দুখন থিয় কৰি
গম লওঁ শুনিম বুলি মানুহৰ নতুন বুৰঞ্জী।
টানি টানি চেতনাবোৰ বলে
মানুহৰ অমূল্য সময়ৰ সতে
পৰিবনেকি সৰি বাস্তৱ
গোন্ধলগা সন্ধিয়া সময়ত।।
মোৰ এতিয়া কেনেকুৱা, সুধিবলৈ কোনো নাই
কান্ধত ডাঙৰি ভাৰ লৈ কান দাইটিয়ে কলে
উৰুলি পুঙা হৈয়ে দিনৰ দিনতো কটায়
আলিবাটৰ আবেলিত কিনো বিচাৰি চাব।
এৰা উতনুৱাৰ নখ পুতিলেও ভেটা ছিগে।।
মোৰ এতিয়া কেনেকুৱা কিনো সুবিধা
হাত ভৰি অংগ পতংগ সুলুকিয়েই গৈছে
চকু মূৰ বুকু সকলো একাকাৰ
মোৰ মৃত্যু সংবাদ বাতৰি কাকতত ওলাইছে
বহু ঠাইৰ বহু ব্যক্তিয়ে সমবেদনা জনাইছে
মৰণোত্তৰ পৰীক্ষাৰ ৰিপৰ্টত লেখিছে
অচিন বেমাৰ..............।

***********

# আঘোণ

শ্ৰীমতী ভাৰতী নাথ
উঃ মাঃ, ২য় বৰ্ষ

আঘোণৰ কুঁৱলি সনা সেমেকা ৰাতিপুৱা
দাৱণীৰ উচপিচ মন।
সোণোৱালী ৰঙেৰে জিলিকি উঠিছে পকা ধানৰ ঠোক।
মনবোৰো উলাহত উঠিছে নাচি।
লখিমী আদৰি আনি ভঁৰালত সামৰালিকে
দেহাত নাথাকিব যে তৰণি।।
আঘোণৰ পথাৰত তই লাৱণী দাৱনী।
দাৱনী, তই ৰঙাচোলা নিপিন্ধিবি;
তই এনেও শুৱনি।।
তই দাৱনী বৰ সাদৰী!
মাঘত পথাৰ সামৰি বিহুটি অহালে বাট চোৱা
তই লখিমী দাৱনী।

***********

*বিশেষ দ্ৰষ্টব্য ঃ কলেজ সপ্তাহত পুৰস্কাৰপ্ৰাপ্ত।*



# দ্বিধা

শ্ৰীমতী বেবী দত্ত
স্নাতক, ২য় বৰ্ষ

ই চিৰন্তন।
স্বাৰ্থপৰ মানুহে যিহেতু
পাৰ পালে ভুৰত লখিয়াই।
তেজপিয়া নেতাই প্ৰজাক জোতাৰে গছকে
তাৰ বাবে ইতিহাসক মনত ৰাখিবলে কোৱাঁ।
মাতৃ-ভগ্নীক নাঙঠ কৰাৰ বিনিময়ত
দৌলতৰ দূৰ্গ সজা ইতিহাস।
কিন্তু প্ৰতিকাৰ?
আমি অসহায়বোৰে
পশ্চাৎগামিতাৰ অপৰাধবোধত
প্ৰতিদিন নিজৰ ডিঙিত ৰেপ দিছোঁ
হাঁতুৰীৰে কোবাইছোঁ বিবেক,
বটালিৰে হৃদয় ৰুকিছোঁ অনুক্ষণ।
যিহেতু,
মন থাকিও ৰণ কৰা নাই
সংশয়,
জানোছা হাৰি যাওঁ।

***********

# মাতৃৰ আহ্বান

শ্রীবিশ্বজিত দলে
স্নাতক, ১ম বর্ষ



সপোন বেদীত দেখিছোঁ
মাতৃৰ করুণ বিননী।
ৰাঙলী বিশাল তেজৰ নদীত
ককবকাই বিনন্দীয়া সুৰত
কৰিছে আৰ্তনাদ।।
শুনা হে বন্ধু মাতৃৰ আহ্বান
প্রতাৰণাৰ কবলত মই
নামি গ'লো পুতলা হৈ।
মহামন্ত্র অমৃত ঢালি
মাতিছিল মোক হাতবাউল দি।।
উস! দিছে আজি সৰ্বশৰীৰ কঁপাই
সমস্ত জ্ঞানৰ মহামন্ত্র জপাই
দিগন্ত প্রসাৰী শুনিছো মাথোন
দৰিদ্রতাৰ আতংক।
ধৰ্ম নিৰপেক্ষ সুন্দৰ দেহা
ৰূপান্তৰ আজি বেদনাৰ বেশলে।।
সৌন্দৰ্য্যৰ অপাৰ মিশ্রিত জাতি
লীন হ'লে তাণ্ডৱ সোঁতত।
মধুস্মিতা লাস্যময়ী ৰূপ
তীব্ৰ বেগেৰে হৈ গ'ল বিৰূপ।।

হে মোৰ প্ৰাণৰ অমৃত সন্তান!
নিবেদিছোঁ সকলোলৈ
বীৰৰূপে যুঁজি ৰক্ষা কৰা
দৰিদ্ৰৰ কৰাল গ্ৰাসৰ পৰা।।

কষ্ট সহিষ্ণুতাৰ তোমালোকে অক্ষয়
দিছিলো মই তত্মৃতৰ পঞ্চামৃত।।
কিন্তু আজি.......................
ভুল হৈ ভুগিছোঁ যান্ত্ৰণা
সুবৰ্ণৰ মিশ্রিত জাতি
অৰ্পিত দেশপ্রেমীৰ মুঠিত
নিবেদিছোঁ কৰিবা পৰিত্ৰাণ
হে মোৰ বীৰাংগনাৰ সন্তান।
দৰিদ্ৰ লাঞ্ছনাৰ অমৃত বেদত
নহবা তুমি শান্ত।
শুনা মোৰ অমৃতৰ সন্তান
মই কক-বকাই দিগভ্ৰান্ত্ৰ।।

***********

# গোলাপৰ অপেক্ষাত

শ্ৰীভাস্কৰ চুতীয়া
স্নাতক, ২য় বৰ্ষ

গোলাপ, মই অপেক্ষা কৰোঁ
তুমি অহালৈ
চ'ত আহিলে
তুমিও আহা।
গুলপীয়া সাজ পিন্ধি
তুমি ৰৈ থাকা,
তোমাৰ সৌন্দৰ্য্যত
মই হওঁ আত্মহাৰা।
তুমি মোক হাত বাউল দি মাতা
মই আগুৱাই যাওঁ।
মই তোমাৰ কাষ চাপিলে
মোক তুমি ওপচাই পেলোৱা
তোমাৰ গুলপীয়া ৰঙেৰে।
এই পৰশ পাবলৈকে,
অপেক্ষা কৰোঁ এটা বছৰ।
হে' গোলাপ তুমি যেন সদায় এনেদৰেই থাকা
এয়ে মোৰ মৌন কামনা।

***********



# মোৰ কবিতা

শ্ৰীৰিতুমণি গগৈ
উঃ মাঃ, ১ম বৰ্ষ

ব'হাগৰ বতাহত হাঁহি উঠক চিনাকি আকাশ
বুকুবোৰ ভৰি উঠক।
প্ৰত্যয় আৰু প্ৰত্যাশাবোৰে
নতুন আশাৰ চিকমিকণিৰে,
জলমলাই উঠক তোমাৰ
সপোন ভৰা দুই চকু।
ঘৃণা-বিদ্বেষৰ হিংসা-সন্ত্ৰাসৰ
কলিয়া ডাৱৰ আঁতৰাই
ব'হাগৰ ধুমুহা সামৰা বুকুৰে
মূৰ দাঙি চাওঁ আহা
শান্তিৰ, সৃষ্টিৰ এই বসন্ত ঋতুলৈ।

***********

# সোণোৱালী আঘোণ

শ্ৰীহেমন্ত চেতিয়া
উঃ মাঃ, ২য় বৰ্ষ

আঘোণ মাহৰ ধাননি পথাৰত
দেখোঁ সপোন সোণোৱালী দিনৰ
সেই সপোনে আনি দিয়ে
নতুন দিনৰ ৰঙীণ আশা
হ'বনে বাৰু পূৰণ মোৰ
জীৱনৰ প্ৰত্যাশা।
সোণোৱালী পথাৰৰ পকা ধানৰ ঠোকবোৰে
কাণে কাণে যেন কৈ যায়,
আমাক পোহৰ প্ৰত্যাশি বন্তি বুলি।
ৰূপহী দাৱনীৰ হাতৰ পৰশত
কথা কোৱা কাঁচিবোৰে যেন
ডেকাবোৰক হাতবাউলি মাতে,
ডাঙৰি তুলিবলৈ।
ডেকাবোৰে আনন্দতে গাই যায় এইবুলি.........
'হালি জালি নাচি বাগি ডাঙৰি ভাৰ লৈ
আহিছোঁ দাৱনি তোমাৰ কাষলৈ'।

***********

*বিশেষ দ্ৰষ্টব্য ঃ কলেজ সপ্তাহত পুৰস্কাৰপ্ৰাপ্ত।*



*ব্যংগ কবিতা*

# নিচাৰ পৰিণতি

শ্ৰীকৰুণজ্যোতি শইকীয়া
স্নাতক, ২য় বৰ্ষ

নিচা খালে মিছা হ'ব
মান-সন্মান হেৰাই যাব
জ্ঞানী মানুহ বুলি কোনেও
গণ্য নকৰিব।।
চুলাই ৰাগিত নবহিব
মন পগলা হ'ব
কাৰোবাক ভুলতে, কিবা কৈ গ'লে
পিছত পিঠিত ধুলাই হ'ব।।
কানি সেৱন নকৰিব
সা-সম্পত্তি হানি হ'ব
কানিৰ খোলাত টিকিৰা মাৰোঁতেই
পুৱাৰ পৰা গধূলি হ'ব।।
ভাং সেৱন নকৰিব
ভাঙে সাং কৰিব
ছাঁটোকে বাঘ দেখিব
ক'বলগীয়া কথা-বতৰা পাহৰি যাব।।
চিগাৰেট সেৱন নকৰিব
কেন্সাৰ ৰোগে লগ ল'ব
জীয়াই থকাৰ মানস কণো
অকালতে হেৰাই যাব।।

***********

# আশাৰ পদুম কলি

শ্ৰীহেমন্ত কোঁচ (জিৎ)
স্নাতক, ৩য় বৰ্ষ

আশাৰ পদুম কলি
অন্তৰ আকুল কৰি।।
অতীতৰ স্মৃতি সোঁৱৰাই।।
চমকি চমকি উঠে হৃদয়ত বান।
গৰজি গৰজি উঠে অন্তৰ।।
নাজানো বিলাব প্ৰেম, প্ৰেমিকক।
নক'লো প্ৰেমৰ কথা
আশাৰ পদুম কলি ফুলাব নোৱাৰিলো
পানীৰ সোঁতত
হৃদয়ৰ বান গৰজি উঠিছিল
পবিত্ৰ প্ৰেমৰ গীতত।
অতি আদৰৰ আশাৰ পদুম
নিমিষতে মৰহি গ'ল
আশাহীন জীৱন মোৰ অকলশৰীয়া
জনম বিফলে গ'স
উৰি গ'ল পখী।
পৰি গ'ল, শেৱালী।।
মনতে মৰহি গ'ল
আশাৰ পদুম কলি।।

***********



# তোমালৈ

দিলীপ নাথ
স্নাতক, ১ম বৰ্ষ

বুকুৰ মাজত ৰাখি
অন্তৰৰ কোণত স্থাপি
থলো মই তোমাৰ কথা।
প্ৰেমৰ অমৃতে ভৰা
তোমাৰ সেই কথাবোৰ
আজিও কিয় কোৱা নাইকিয়া।
নক'বানে এদিন তুমি
মুক্ত কণ্ঠেৰে
ভাগৰুৱা প্ৰেমিকৰ কথা।
প্ৰথম চিনাকিতে
কিয় বাৰু লাগিছিল আউল
হৃদয় চিন্ন-বিচ্ছিন্ন কৰি।
আছোঁ মই এতিয়াও
তোমাৰ বাবে ৰৈ
কামনা-বাসনা সকলো এৰি থৈ।
আঁউসীৰ দুভাগ ৰাতি
যায় মোৰ হিয়া ভাগি
তোমাৰ সেই মৌ-সনা
মুখ খনিলৈ।
তুঁহ জুইৰ দৰে জ্বলে
কিয় মোৰ অন্তৰৰ
ক্লান্তিহীন মনৰ ছাঁয়া।
নিশ্চয় এদিন তুমি
বিচাৰিবা অতীতৰ স্মৃতি
দুচকুত চকুপানী লৈ
আছোঁ মই তোমালৈ ৰৈ।।

***********

# তুমি সেউজীয়া উপত্যকা

শ্ৰীমতী ৰূপামণি বুঢ়াগোঁহাঞি (বেলি)
স্নাতক, ৩য় বৰ্ষ

*তুমি সেউজীয়া উপত্যকা! তোমাৰ কোলাত মূৰ থৈ*
*মই চাব খোজোঁ সেউজীয়া জীৱনৰ সুগভীৰ বিশালতা।*

*আৰু তুমি গোৱা গান*
*তুমি আকাশ*
*নীলা বিষাদেৰে ঢাকি থোৱা কলিজা*
*তুমি বিদ্যুত।*
*আলোড়িত কৰা কলিজাৰ সঁফুৰা।*
*তুমি জলপ্ৰপাত।*
*কলিজাত তুলি ধৰা প্ৰশান্তিৰ জলধাৰা।*

*ভালপোৱা কি বেদনাৰ অন্য নদী?*
*ভালপোৱা কি চতক পখীৰ দুখ?*
*ভালপোৱা কি অনন্ত প্ৰতীক্ষাৰ অসুখ?*

*কাণ পাতিলেই শুনা*
*নিস্তব্ধ হৃদয়ৰ শত শত বোবা বেদনাৰ*
*করুণ উচুপনি*



*প্ৰতি মুহূৰ্ততে ভাঁহি আহে*
*একেটি মাথোন শব্দ "মৃত্যু"*
*যি নিষ্ঠুৰ অবাঞ্ছিত মৃত্যুৰ*
*নাই সামান্যতম যুক্তি।*
*পাষণ্ডহঁতৰ হাঁহিৰ বিলাসত*
*অনায়াসে লাঞ্ছিতা হয় শত শত বাই-ভনী।*

*তুমি সেউজীয়া উপত্যকা। মই তোমাৰ কোলাত মূৰ থ'ম।*
*চাম হেপাঁহ পলুৱাই*
*পাহি মেলি পাখি মেলি*
*সেউজীয়া স্তৱকমালা।*

***********

# বন্ধুত্ব

শ্ৰীবিটুমনি গগৈ
উঃ মাঃ, ১ম বৰ্ষ

তেতিয়া বহাগ বিহুৰ বতৰ। মই নগাঁৱত থাকো। মোৰ আচল ঘৰ উত্তৰ লক্ষীমপুৰত। নগাঁৱত মোৰ মামাৰ ঘৰ। মই নগাঁৱতে জন্ম হৈছিলো কাৰণে মামাহঁতে মোক মৰমতে নগাঁৱতে ৰাখিছিল আৰু পঢ়ুৱাইছিল। হঠাৎ ঘৰৰপৰা খবৰ আহিল চোতালত পৰি মাৰ হাত এখন ভাগিল আৰু বিহুত লক্ষীমপুৰত থাকিব লাগিব। মই মাৰ অৱস্থালৈ চাই ঘৰলৈ অহাটোকে ঠিক কৰিলো। পিছদিনা ৰাতিপুৱাই গা-পা ধুই মামা-মামীৰ পৰা বিদায় লৈ নগাঁৱৰ জয়শ্ৰী চিনেমা হলৰ কাষতে থকা ব্লুহিল কাউণ্টাৰত টিকট কৰি গাড়ীত বহোঁ। ইতিমধ্যে গাড়ীখনৰ সকলো যাত্ৰীয়ে আসন অধিকাৰ কৰিলেহি আৰু গাড়ীখনে যাত্ৰা আৰম্ভ কৰিলে। গাড়ীখন আহি তেজপুৰ পালেহি। সেইদিনা আহোঁতে মোৰ মনটো একেবাৰে ভাল লাগি অহা নাছিল। তেজপুৰত গাড়ীখন ৰখোৱাৰ লগে লগে মোৰ কাষৰ চিটৰ যাত্ৰীজন নামি গ'ল আৰু চিটটো খালী হৈ গ'ল। গাড়ীখনে তেজপুৰত যাত্ৰীখিনি নমাই যাত্ৰা আৰম্ভ কৰিলে। গাড়ীখনৰ ভিতৰত আমি পাঁচজন মানুহহে লক্ষীমপুৰৰ যাত্ৰী আছিলো। গাড়ীখন তেজপুৰৰ পৰা আহি বিশ্বনাথ চাৰিআলি পালেহি। বিশ্বনাথ চাৰিআলিত চাহ খাবৰবাবে গাড়ীখনৰ সকলো যাত্ৰী নামি গ'ল। আন আন যাত্ৰীবোৰৰ লগতে মইও চাহ একাপ খাবৰ ইচ্ছাৰে নামি গ'লো। মই হোটেলত বেছি দেৰী নকৰি গাড়ীত আহি বহিলোহি। মোৰ কাষৰ চিটটো বিশ্বনাথ চাৰিআলিলৈকে খালী হৈ আহিছিল। মোৰ সেইদিনা মনটো একেবাৰে মৰা আছিল। খিৰিকীৰ গ্লাছ এখন খুলি চাৰিআলিৰ দোকান-পোহাৰবোৰকে চকু ফুৰাই মনটো ভাল লগাবলৈ চেষ্টা কৰিলো। মোৰ চকু এইবাৰ আলোচনীৰ দোকান এখনত ওলমি থকা 'অন্তৰীপ' এখনলৈ গ'ল। তেতিয়াহে মোৰ মনত পৰিল অন্তৰীপ খনলৈ প্ৰকাশ পোৱাৰ আশাৰে দুটা গল্প পঠিয়াইছিলো। মই দেৰী নকৰি গাড়ীখনৰপৰা নামি আলোচনীখন কিনি আনিলো। আলোচনীখন কিনি আনি লগে লগে সূচীপত্ৰখন চকু ফুৰাই দেখিলো নাই, মোৰ গল্প দুটা এই সংখ্যাত প্ৰকাশেই নাপালে। মোৰ মনটো আৰু বেয়া লাগি গ'ল। কিবা এটা অবুজ বেদনাই মনটো জোকাৰি পেলালে। কি কৰিম, কি নকৰিম ভাবি থাকোঁতেই মোৰ কাষৰ চিটটোত এজন শকত ল'ৰা আহি বহিলহি। মই উচপ খাই উঠিলো। মই লৰাটোৰ মুখলৈ চালো। শকত চেহেৰা, গোল মুখ, চকুত চছমাৰে সৈতে ল'ৰাজনক বেছ স্মাৰ্ট যেন লাগিছে। ল'ৰাজনৰ হাতত দহখন মান ইংৰাজী আলোচনী দেখি পঢ়াত চোকা যেনেই ভাব হ'ল। গাড়ীখনে নিজৰ গন্তব্য স্থানলৈ বুলি গতি কৰিলে। মোৰ মনটো অলপ পাতলাবলৈ ল'ৰাজনক কলৈ যাব সুধিলো। লক্ষীমপুৰলৈ যাম বুলি ক'লে। ল'ৰাজনক মই আৰু একো নোসোধাকৈয়ে তেওঁৰ বিষয়ে সকলো ক'লে। ল'ৰাজন তেজপুৰ বিশ্ববিদ্যালয়ত পঢ়ি আছে, ল'ৰাজনৰ দেউতাকে পুলিচত কাম কৰে। লক্ষীমপুৰৰ নকাৰীত থাকে। দেউতাকৰ খবৰ লবলৈ লক্ষীমপুৰলৈ আহিছে। তাৰ পিছত মোৰ বিষয়েও ল'ৰাজনে অলপ সুধিলে। প্ৰত্যুত্তৰত মইয়ো মোৰ বিষয়ে অলপ ক'লো। এনেদৰেই কথাই কথাই ল'ৰাজনৰ লগত মোৰ বন্ধুসুলভ প্ৰীতি গঢ়ি উঠিল। গাড়ীখনত আমি দুয়োজনে স্ফুৰ্তিও কৰিলো। গাড়ীখন আহি লক্ষীমপুৰ পালেহি। ল'ৰাজনে মোক বিদায় সম্বৰ্ধনা জনাই মোতকৈ আগতে নামি ৰিক্সা এখনত গুছি গ'ল। ময়ো গাড়ীৰ পৰা নামি ৰিক্সা এখন মাতি গড়েহঁগাৰ পিনে আগবাঢ়িবলৈ ক'লো। ৰিক্সাখন আহি মানুহৰ জুম এটাৰ ওচৰত ৰখাই দিলেহি। মই জুমটোৰ ফালে চকু ফুৰালো। কেইজনমান মানুহে ল'ৰা এজনক বেয়াকৈ মাৰি আছে। বাহিৰৰপৰা কেইজনমান মানুহে "মাৰ তাক মাৰ তাক, পকেট মাৰিবলৈ আহিছে" আদি নানা ককৰ্থনা কৰা শুনিলো। ঘটনাটো কি, বুলি চাবলৈ মই ৰিক্সাখনৰ পৰা নামি গ'লো। নামি গৈ যি দৃশ্য দেখিলো সপোন যেন লাগিল। মানুহবোৰে পিটি থকা ল'ৰাটো অন্য কোনো নহয়; বৰঞ্চ মোৰ কাষত বহি অহা সেই স্মাৰ্ট ল'ৰাজন। সি হেনো লক্ষীমপুৰৰ নাম কৰা পকেটমাৰ। মই লগে লগে পিছ পকেটত হাত দিলো। ভাগ্য ভাল, মামাই দিয়া টকা দুহেজাৰ আছে। মনতে ভাবিলো সি ছাগৈ মোৰ সৈতে বন্ধুত্বৰ এনাজৰীত বান্ধ খালে সেইবাবেহে মোৰ পকেটৰ টকা এতিয়াও আছে।✧

# স্মৃতিৰ দিগন্তত সূৰ্য্যোদয়

**শ্ৰীমতী পুৰবী বৰুৱা**
স্নাতক ২য় বৰ্ষ (কলা শাখা)

হুমুনিয়াহ এটা এৰি বাৰান্দাৰ আৰামী চকীখনত নিজৰ শৰীৰৰ সমস্ত ভাৰসাম্য এৰি ৰাজেশে ছিগাৰেট এটা জ্বলাই দীঘলকৈ হোপা এটা মাৰিলে। এৰি দিয়া চিগাৰেটৰ ধোঁৱাখিনিয়ে আমনি কৰিলে মায়াক। মায়াই কৈ যোৱা কথাবোৰে ৰাজেশক দহ বছৰৰ আগৰ সোণালী দিনবোৰলৈ ঘূৰাই নিয়ে। চঞ্চল হৈ পৰে ৰাজেশৰ বিষাদেৰে ভৰা মনটো। অন্তৰত জাগ্ৰত হোৱা প্ৰশ্নবোৰ অন্তৰতে নিঃশেষ হৈ যায়। মাত্ৰ নিশ্চুপ হৈ শুনি যায় মায়াৰ কথাবোৰে। অতীতৰ স্মৃতিৰ পক্ষীজাকে আকৌ দেউকা কোবাই উৰি আহে ৰাজেশৰ খণ্ড-বিখণ্ড হোৱা হৃদয়ৰ পদুলিলৈ। যৌৱনৰ বয়সত কৰা আশা-আকাংক্ষাবোৰে ৰাজেশৰ মনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল।

ৰাজেশৰ ঘৰৰ সন্মুখৰ ৰেল আলিয়েদি যেতিয়া ৰেলখন বহুত সময়ৰ মূৰত পাৰ হৈ গৈছিল, তেতিয়াহে সি গম পালে সময়ৰ কথা। তেতিয়া নিশা ১১ বাজিছিল। দহ বছৰৰ আগৰ স্মৃতিৰ সেউজীয়া কল্পনাৰ প্ৰতিচ্ছবিখনে ৰাজেশৰ মনত গভীৰ ভাৱে ৰেখাপাত কৰিছিল। ৰাজেশৰ চকুৰ আগত সজীৱ হৈ পৰিছিল কলেজ কেণ্টিন, লাইব্ৰেৰী, সোৱণশিৰি পাৰৰ, মহাবিদ্যালয়ৰ উৎ[illegible] হেঙুলীয়া স্মৃতিবোৰ। ৰাজেশ তেতিয়া স্নাতকোত্তৰ প্ৰথম বৰ্ষৰ ছাত্ৰ। ৰুবী স্নাতক ২য় বৰ্ষৰ ছাত্ৰী। বহুত ঘাত-প্ৰতিঘাতৰ মাজেৰে ৰাজেশে মনৰ কল্পনাবোৰ বাস্তৱত ৰূপ দিব বিচাৰিছিল; কিন্তু হঠাৎ এদিন সি আহত হৈছিল; যিদিনা ৰুবীয়ে ধনী-দুখীয়াৰ বৈষম্যৰ কাৰণে বিয়াৰ প্ৰস্তাৱ ত্যাগ কৰিছিল। সি ভাবিবই পৰা নাছিল তাৰ লগত যুগ্ম জীৱনৰ পাতনি মেলিব খোজা ৰুবীৰ অমানসিক পৰিৱৰ্তনৰ কথা। কালি সন্ধিয়া পৰত লগ পোৱা ৰুবীজনী আৰু এই ৰুবীজনীৰ মাজত স্বৰ্গ-মৰ্ত্য পাৰ্থক্য। ইয়াৰ কাৰণ সি বিচাৰি পোৱা নাছিল। দহ বছৰৰ আগতে ৰাজেশে ৰুবীৰ গাত ধৰি কৰুণ সুৰেৰে কৈছিল "ৰুবী কি হৈছে তোমাৰ..........এইবোৰ কথা...........". তালৈ কোনো ভ্ৰূক্ষেপ নকৰি তাই একেছাতে ৰাজেশৰ ওচৰৰ পৰা আঁতৰি খঙেৰে কৈ উঠিছিল, "DON'T TOUCH ME"! আদেশ বা অনুৰোধ এইবোৰ যি বুলিয়েই নাভাবা লাগে, মই স্পষ্টভাৱে কৈ দিছোঁ মোক পাহৰি যোৱা"। ৰুবীয়ে কথাখিনি কোৱাৰ পাছত ৰাজেশে একো কোৱাৰ সুবিধা নাপালে। কথাখিনি কৈ তাই তাৰ ওচৰৰ পৰা আঁতৰি গুছি গ'ল।

সেইদিন ধৰি ৰাজেশ আৰু ৰুবীৰ মুখা-মুখি হোৱা নাই। সেই সুবিধাকণ এজনেও এজনক দিব নিবিচাৰে। ৰুবীয়ে ৰাজেশক দিয়া অপমানবোৰে বহুত দিন ধৰি তাক আচ্ছন্ন কৰি ৰাখিছিল। আজি দহ বছৰৰ পাছত ৰাজেশ গোঁহাই এজন বেলেগ মানুহ। আগৰ সেই উৎসাহী, সুশ্ৰী চেহেৰা ৰাজেশৰ এতিয়া নাই। তাৰ প্ৰয়োজনতকৈ বেছি আচোঁৰ পেলাইছে বয়সে। বৰ্তমান ৰাজেশ এজন বনৰক্ষী বিষয়া। আজি দুদিনৰ আগতে নিজৰ চহৰখনলৈ বদলি হৈ আহিছে সি। দিনটো ব্যস্ততাৰ মাজত সময়বোৰ পাৰ কৰি সন্ধিয়া নিতৌ মায়াৰ লগত মিলি যায়, পাহৰি যায় অতীতৰ স্মৃতিবোৰ।

বহুত দূৰৰপৰা ১২ বজাৰ ঘণ্টাৰ ধ্বনি ভাঁহি আহে। যদিও বয়সৰ বহুতো দূৰত্ব, তথাপিও সন্ধিয়াৰ পৰা বহু নিশালৈকে দুয়ো মিলি যায় বন্ধুৰ দৰে। কেতিয়াবা ৰাজেশৰ কান্ধত মূৰ থৈ নিদ্ৰাদেৱীৰ কোলাত হেৰায় যায় মায়া।

মায়াই কোৱা কথাবোৰ আকৌ মনত পেলাই ৰাজেশে বহুত দিনৰ আগতে এৰি অহা ৰুবী আৰু মায়াৰ সংগীত বিদ্যালয়ত এড্‌মিচনৰ দিনা দেখা মহিলাগৰাকীৰ সাদৃশ্য বিচাৰি চিন্তা কৰি কোনো উত্তৰ নাপায়। উকা কপালখনেৰে সেইগৰাকী জানো ৰুবী। মায়াক সুধিব বিচাৰিছিল ৰাজেশে সেই মহিলাগৰাকীৰ কথা; কিন্তু তেতিয়া মায়া নিদ্ৰাদেবীৰ কোলাত হেৰাই গৈছিল। তেতিয়া ৰাতি বহু হৈছিল।

গতানুগতিকতাৰে আগবাঢ়ি গৈছিল ৰাজেশৰ পৃথিৱীখন। মায়া আৰু ৰুবীৰ সম্পৰ্ক অধিক গভীৰ হৈ পৰিছিল। ৰাজেশে স্পষ্টকৈ জানিছিল আজি দহ বছৰৰ আগত এৰি অহা ৰুবী মায়াৰ সংগীত শিক্ষয়িত্ৰী। সেই কাৰণে ৰাজেশে কোনো প্ৰশ্ন কৰা নাছিল সেই শিক্ষয়িত্ৰী গৰাকীৰ বিষয়ে, কিন্তু শিক্ষয়িত্ৰী গৰাকীৰ উকা কপালখন.....?

ৰুবীক দেখাৰ দিনাৰ পৰা ৰাজেশে বহুত কষ্টৰে দিনবোৰ পাৰ কৰিছিল। সেই দিনা আছিল মায়াৰ জন্মদিন। আগৰ জন্মদিনৰ দৰেই ৰাজেশে সেইদিনাও পাতিছিল মায়াৰ জন্মদিন। সন্ধিয়া শীতল পৰিৱেশেৰে ভৰপূৰ ঘৰখনৰ কলিংবেলটো হঠাৎ বাজি উঠাত দুৱাৰখন খুলি মায়াই চিঞৰি দিলে— 'বাইদেউ আপুনি আহিছে?' উত্তৰত শিক্ষয়িত্ৰী গৰাকীয়ে কলে "তোমাৰ জন্মদিনত নাহি পাৰোঁনে?"

মায়াই তাইৰ শিক্ষয়িত্ৰী ৰুবীক বহিবলৈ দি ভিতৰলৈ গৈ ৰাজেশক হাতৰ আঙুলিত ধৰি আনিলে তাইৰ বাইদেউৰাকৰ লগত চিনাকি কৰিবলৈ। ৰাজেশে ভাবিছিল, ইমানটা বসন্ত পাৰ হোৱাৰ পাছত কেনেকৈ মুখামুখী হ'ব ৰুবীৰ লগত। ৰুবীৰ ওচৰ পাই ৰাজেশ অস্থিৰ হৈ পৰিছিল। ৰুবীৰ মুখখন দেখি মনত পৰিছিল কেন্টিনত কৰা অপমানৰ প্ৰতিটো শব্দ। ৰাজেশৰ মনৰ অৱস্থাটো বুজি ৰুবীয়ে কৈছিল "তোমাৰ ছোৱালী বুলিয়ে নহয়, মায়া আমাৰ বিদ্যালয়ৰ সকলোৰে আদৰৰ। ৰুবীয়ে মায়াৰ জন্মদিনৰ বাবে অনা উপহাৰটো হাতত তুলি দি কলে ৰাজেশক— "মোক তুমি এতিয়াও ক্ষমা কৰিব পৰা নাই। মোৰ উকা কপালখন দেখি বুজা নাই নহয়। আচলতে কি জানা মা-দেউতাৰ উচ্চ আকাংক্ষা সম্পন্ন মনোবৃত্তিৰ বাবে তোমাৰ লগত বিয়া নহলো যেতিয়া কাৰো লগতে বিয়া নহলো। সেই কাৰণে তোমাৰ ছোৱালী মায়াকে মোৰ ছোৱালীৰদৰে ভাবি ল'লো।" ৰুবীৰ কথাবোৰ ৰাজেশে সংযত মনেৰে শুনিব নোৱাৰিলে। ইমানপৰ মনে মনে থকা ৰাজেশে খুউব খঙেৰে কৈ উঠিল— "তুমি যাক মোৰ ছোৱালী বুলি ভাবিছা তাই মোৰ ছোৱালী নহয়। তাই মোৰ একমাত্ৰ ভনীজনীৰহে ছোৱালী। মায়াই মোৰ জীৱনটো হাঁহিৰে ভৰাই ৰাখিছে।" এই কথা সকলোবোৰ শুনি আছিল মায়াই। মায়াৰ অনুৰোধতে শেষত ৰাজেশে ৰুবীক ক্ষমা কৰি দিছিল। শেষত আধা বয়স যোৱাৰ পাছত মায়াৰ কাতৰ মিনতিত ৰাজেশে ৰুবীক গ্ৰহণ কৰিলে। মায়াই আছিল তেওঁলোকৰ জীৱনৰ একমাত্ৰ মিলনৰ তৰা।

নাটকীয় যেন লগা আগৰ সেই পৰিস্থিতিবোৰে ৰাজেশ আৰু ৰুবীক প্ৰত্যেক মুহূৰ্ততে নিৰ্বাক কৰি ৰাখিছিল। পৰস্পৰে পৰস্পৰৰ সন্মুখলৈ আহিব পৰা নাছিল বহুদিন। সেই নিৰ্বাক মুহূৰ্তবোৰ পাৰ কৰি দুয়োৰে হৃদয়ত মাত্ৰ ধৰা পৰিছিল— পাৰস্পৰিক বেজাৰ আৰু সমবেদনা.....।✧

*DEBT, Pay what you owe and you'll know what is your own.* —*Benjamin Franklin.*

# এতিয়াৰ পৰাই

শ্ৰীমতী মধুস্মিতা বৰগোহাঁই
স্নাতক, ২য় বৰ্ষ

'সি মোৰ কলিজা খালে ঔ। এতিয়াৰ পৰাই সি ইমান বদমাছ, গুণ্ডা হ'ল। তাক সৰুৰেপৰা মই এনেয়ে ডাঙৰ-দীঘল কৰিলো। এতিয়া আক' সি মোৰেই বুকুত জুই দিছে। তাক মই আৰু জীয়াই নাৰাখো। নালাগে মোক এনেকুৱা ল'ৰা।'

ঘৰৰপৰা মাকৰ চিএঞৰ-বাখৰ শুনি স্কুলৰ পৰা অহা কল্যাণ পদূলি মুখতে থমকি ৰ'ল। মাকৰ চিএঞৰ কিন্তু তাৰ কাৰণে বেছি সময় ৰহস্য হৈ নাথাকিল। সি বুজি পালে যে তাৰ ককায়েক সুমনে আজি আকৌ ক'ৰবাত অঘটন ঘটাই থৈ আহিছে। আৰু মাকে গম পাই এই বিননি জুৰিছে। কল্যাণৰ ঘৰ আজাদৰ এখন ভিতৰুৱা গাঁৱত। সিহঁতৰ ঘৰত চাৰিটা প্ৰাণী। মাক, দেউতাক, কল্যাণ আৰু সুমন। দেউতাক এল.পি. স্কুল এখনৰ প্ৰধান শিক্ষক। এজন শিক্ষক হিচাপে থাকিবলগীয়া সকলোখিনি গুণেই তেওঁৰ গাত আছে। সুমন অষ্টম শ্ৰেণীৰ ছাত্ৰ। ঘৰখনৰ ডাঙৰ ল'ৰা হোৱাৰ বাবেই সি সকলোৰে মৰম-স্নেহবোৰ বেছিকৈ পাইছিল। দেউতাকে সৰুৰেপৰা সিহঁতৰ পঢ়া-শুনাৰ প্ৰতি বিশেষ যত্ন কৰিছিল। দুয়োটাৰে স্বভাৱ-চৰিত্ৰও বৰ ভদ্ৰ। দেখিলেই মৰম লগা, ল'ৰা দুটাক গাঁৱৰ মানুহেও মৰম কৰিছিল। স্বভাৱ-চৰিত্ৰ, দেখাই-শুনাই আদিকে ধৰি সুমন বেছি ভাল আছিল। সি প্ৰাথমিক বৃত্তিও পাইছিল; কিন্তু সি হাইস্কুল পোৱাৰ পাছৰেপৰাই সলনি হ'বলৈ ধৰিলে। যতে-ততে সি ল'ৰাৰ লগত বেয়া কামবোৰ কৰি ফুৰিবলৈ ধৰিলে। পাছলৈ সিহঁতৰ ঘৰত প্ৰায়েই মানুহ আহি সুমনৰ বিষয়ে গোচৰ দিয়া হলহি। তেতিয়া মাকে কয়— "আমাৰ সুমন বেয়া নহয়। সি এনেকুৱা বেয়া কাম কেতিয়াও নকৰে। আপোনালোকে বেলেগ ল'ৰাকে সুমন বুলি ভাবিছে।" লাহে লাহে সুমন ইমানেই বেয়া হ'বলৈ ধৰিলে যে লোকৰ বাৰীৰ আম, কঁঠাল, জামু, হাঁহ, কুকুৰা একোৱেই সিহঁতৰ হাতৰপৰা সাৰি যাব নোৱাৰা হ'ল। সুমনৰ লগত থকা, জগত, গনেশ, মোহন, ৰতনহঁত এইবোৰ কামত বেছি পাকৈত। এদিন গোটেই কেইটাই ভৱেন মহাজনৰ বাৰীৰ জেওৰা ভাঙি কুঁহিয়াৰ খালেগৈ আৰু কুঁহিয়াৰবোৰ ভাঙি নষ্ট কৰি থৈ আহিলে। সিহঁতক কেনেবাকৈ ভৱেন মহাজনে দেখিলে। তেওঁ খেদি আহিছিল যদিও সিহঁতক ধৰিব নোৱাৰিলে। কুঁহিয়াৰবোৰ নষ্ট হোৱা দেখি তেওঁ খঙত একো নাই হৈ চিধা সুমনহঁতৰ ঘৰলৈ গ'ল। ভৱেন মহাজনক সেই গাঁৱৰ সকলো সমীহ কৰি চলে। তেওঁ যোৱা দেখি সুমনৰ মাকে আথে বেথে বহিবলৈ দিলে। ভৱেন মহাজনে কলে— "মই ইয়াত বহি কথা মহলা মাৰিবলৈ অহা নাই। তোমাৰ ল'ৰাই মোৰ বাৰীত যি কাণ্ড কৰি থৈ আহিছে তাকহে ক'বলৈ আহিলো। কুঁহিয়াৰবোৰ খোৱাৰ বাবে মোৰ খং উঠা নাই। সিহঁতে কিয় কুঁহিয়াৰবোৰ নষ্ট কৰি থৈ আহিল। জেওৰাখনৰো একেবাৰে অৱস্থা নাইকিয়া কৰিলে। তোমাৰ ল'ৰাক ভালকৈ চম্ভালিবা নহলে কিন্তু মই তাৰ ঠেং ভাঙিম।"

এই বুলি সুমনৰ মাকক কোনো কথা কোৱাৰ সুযোগ নিদি ভৱেন মহাজন গমগমাই গুছি গ'ল। দেউতাক আকৌ স্কুলৰপৰা চাইকেল বাই বাই আহোঁতে বহুত সময় লাগে। সেইদিনা দেউতাক আহি ঘৰ সোমাওঁতে মাকে সুমনৰ কথা ক'লে। দেউতাকে খঙতে সুমন ক'ত বুলি বিচাৰি যেতিয়া পাছফালে পুখুৰীত বৰশী বাই থকা দেখিলে তেতিয়া তেওঁৰ খং দুগুণে চৰিল। ওচৰতে থকা ফলাখৰি এডাল লৈ তেওঁ সুমনক উৰাই ঘূৰাই মৰিয়াবলৈ ধৰিলে। সুমনে চিএঞৰত গছৰ পাত সৰুৱালে। ঠিক সেই সময়তে সেইপিনেদি নোমল গাঁওবুঢ়া গৈছিল। তেওঁ সুমনৰ চিএঞৰ শুনি সুমনহঁতৰ ঘৰলৈ আহি সুমনক তেনেকৈ মৰিওৱা দেখি কলে— 'ছিঃ ছিঃ তুমি বাৰু ল'ৰাটোক ইমানকৈ মৰিয়াব লাগেনে? কিনো জগৰ লগালে সি?' দেউতাকে কলে— "এইটোৰ উদ্দণ্ডালী দিনক দিনে বাঢ়ি গৈছে। প্ৰতিদিনেই সি কাৰোবাৰ ঘৰত জগৰ লগাই থৈ আহিবই। আজি ভৱেন মহাজনৰ ঘৰৰ কুঁহিয়াৰ খাই গোটেইখন তহিলং কৰিলে। মই ৰাতিপুৱাই চাইকেল বাই বাই লোকৰ ল'ৰা-ছোৱালীক শিক্ষা বিলাবলৈ যাওঁ। সকলো ল'ৰা ছোৱালীকে পঢ়া-শুনা স্বভাৱ চৰিত্ৰ যে ভাল হ'ব লাগে সেই বিষয়ে বুজাওঁ আৰু ই মোৰেই ল'ৰা হৈ জহন্নামে গৈছে। ই মোৰ নাক কাণ সকলো কাটিলে। হায় হায়! মই বাকী মানুহৰ আগত কেনেকৈ মুখ উলিয়াম?"

'ঐ কল্যাণ তই ইয়াত বৈ কি কৰিছ?' হঠাৎ কাৰোবাৰ মাতত কল্যাণৰ তন্ময়তা ভাগিল। ঘূৰি চাই দেখে যে তাৰ লগৰ দেৱজিৎ। সি খেলিবলৈ ওলাই আহিলেই। কল্যাণে ইমান সময় ঘৰৰ কথাকে ভাবি আছিল। সি ল'ৰা-লৰিকৈ ঘৰলৈ গ'ল। তেতিয়া মাকৰ চিঞৰ-বাখৰ অলপ কমিছে। সি লাহেকৈ কাপোৰ-কানি সলাই মুখ-হাত ধুই আহি মাকে বাঢ়ি দিয়া ভাতকেইটা খাই ওলাই আহিয়েই মাকণ পেহীৰ মুখা-মুখী হ'ল। মাকণ পেহী সিহঁতৰ ঘৰৰ ওচৰৰে। মাকণ পেহীয়ে কলে— 'কল্যাণ তই স্কুলৰ পৰা কেতিয়া আহিলি?' কল্যাণে কলে— 'অলপ আগতে পাইছোঁহি।' এই বুলি কৈ সি মাকণ পেহীৰ ওচৰলৈ গৈ ফুচফুচাই সুধিলে— 'কি ঐ পেহী আমাৰ ঘৰত কি হ'লনো? মাকণ পেহীয়ে কলে— 'কি হ'বনো তহঁতৰ ঘৰত? আজি সুমনে শিলগুটি দলিয়াই ল'ৰা এটাৰ চকু ফুটোৱালেহেঁতেন। ভাগ্যে শিলগুটিটো চকুত নালাগিল; কিন্তু কপালত লাগি কপাল ফুটিলে। তেজে একেবাৰে নৈ বোৱাদি বলে। সেই সময়ত আকৌ আমাৰ পেহাৰৰ বেমাৰ চাবলৈ ডাক্তৰ আহিছিল। ডাক্তৰে লৰালৰিকৈ ল'ৰাটোক মলম-চলম লগাই বেণ্ডেজ কৰি দিলে। তেজ অলপ আগতহে বৈছে।' কল্যাণে সোধাত মাকণ পেহীয়ে কলে— 'প্ৰদীপ মহৰীৰ ল'ৰাটো ক'ৰ পুতেক "বিকি"।' কল্যাণে কলে— 'সি দেখোন আমাৰ লগৰ মতিৰ ভায়েক। ভালেটিহে অথনি মতিক ইমান দৌৰী যোৱা দেখিছিলো।' পেহীৰ লগত কথা পাতি পাতি দেৱজিৎহঁতৰ ওচৰ পালেগৈ। গধূলি সি খেলৰপৰা আহি দেখিলে সিহঁতৰ ঘৰখন একেবাৰে নিজম পৰি আছে। সি ভাবিলে দেউতাক ছাগে এতিয়ালৈকে অহাই নাই। সি হাত-ভৰি ধুই ভিতৰলৈ সোমাই গ'ল। ইতিমধ্যে সুমনো আহি ঘৰ সোমাইছিলহি। আজি সুমনে ঠিক ভয় খাইছে। দেউতাকেতো কি কৰে ঠিক নাই। দুয়োটাই প্ৰাৰ্থনা কৰি পঢ়া টেবুলত বহিল। অলপ পাছত দেউতাকে সিহঁত দুটাক মাতিলে। দেউতাকে ইমান সময় একো নোকোৱা দেখি কল্যাণ আচৰিত হৈছিল। এতিয়া পিছে তাৰ বুকু ধপধপাবলৈ ধৰিলে। সিহঁত দুটা গৈ দেউতাকৰ ওচৰত ৰ'লগৈ। দেউতাকে কিছু সময় মনে মনে থাকি ক'লে— 'মই আজি অতি মৰ্মান্তিক দুখ পাইছোঁ। কিয় পাইছোঁ তহঁতি নিশ্চয় বুজিছ। মোৰ দুটাই ল'ৰা। তহঁতিয়েই মোৰ জীৱনৰ আশা-ভৰসাৰ থল। তহঁতৰ কাৰণেই মই কিমান দুখ-কষ্ট সহ্য কৰিছোঁ তাৰ হিচাপ নাই। ভাবিছিলো—এটা জনমত দুখ পাইছোঁ পিছৰটো জীৱনত মোৰ ল'ৰাহঁতৰপৰা সুখ পাম; কিন্তু তহঁতৰ স্বভাৱ-চৰিত্ৰ দেখি মই গম পাইছোঁ মোৰ এই আশা, আশা হৈয়েই ৰ'ব। মোৰ গোটেই জীৱন দুখতেই যাব। বিশেষকৈ সুমনৰ স্বভাৱ-চৰিত্ৰই মোক বেছি চিন্তিত কৰি তুলিছে। সি মোক এটা দিনো শান্তিত থাকিবলৈ দিয়া নাই। মই ইমান দূৰ চাইকেল বাই স্কুললৈ যাওঁ কেৱল তহঁতৰ বাবেই। তহঁতি এদিন মোৰ কথা ভাবি চাইছনে বাৰু? নাই চোৱা! তহঁতি এদিনো মোৰ কথা ভাবি চোৱা নাই। চোৱা হ'লে মই সুমনৰ কাৰণে ইমান লাজ-অপমান পাবলগীয়া নহ'লহেঁতেন আৰু মাৰলৈ চা— মই স্কুললৈ যোৱাৰ পিছত, তহঁতি স্কুললৈ যোৱাৰ পাছত, অকলেই ঘৰখনৰ সকলো কাম কৰি যায়। ভাগৰ লাগিলেও উপায় নাই। কৰিবই লাগিব। তহঁতি স্কুলৰপৰা আহিবৰ হলে তেওঁ লৰালৰিকৈ ভাত-আঞ্জা ৰান্ধি থয়— তহঁতি ঠাণ্ডা ভাত খাবলৈ বেয়া পাবি বুলি। তহঁতি ভালপোৱা তৰকাৰীবোৰ ৰান্ধে আৰু কিমানযে কি নকৰিব। তহঁতি যদি মোৰ আৰু মাৰৰ কথা চিন্তা কৰিলিহেঁতেন তেতিয়া আমি বহুত সুখ পালোহেঁতেন।'

দেউতাকৰ দুই চকুৰে পানী বৈ আহিছিল। অলপ আঁতৰত বৈ থকা মাকেও চাদৰৰ আঁচলৰে চকু পানী মোহাৰিছিল। কল্যাণে তাৰ চকুপানীৰবাবে সকলোবোৰ অস্পষ্ট দেখিছিল। হঠাৎ সুমনে দেউতাকৰ ভৰিত পৰি হাও-হাওকৈ কান্দিবলৈ ধৰিলে। কান্দি কান্দিয়েই ক'লে— 'দেউতা মোক ক্ষমা কৰি দিয়ক। সঁচাকৈয়ে মই ভুল কাম কৰিছিলো।' মোৰ নিজৰ তৃপ্তিৰ বাবেই মই এইবোৰ কৰিছিলো। কিন্তু আজি মই বুজি পাইছোঁ মই আৰু এনেকুৱা বেয়া কাম কেতিয়াও নকৰোঁ। মই ভাল লৰা হ'ম দেউতা। আপুনি আৰু মোৰ কাৰণে দুখ নাপাব।' দেউতাকে লাহে লাহে সুমনৰ মূৰত হাত ফুৰালে। অলপ পিছতে মাকে আহি সিহঁতক ভাত খাবলৈ মাতিছিল। ভাত খাওঁতে কোনেও একো মতা নাছিল। ভাত খাই সিহঁত সকলোবোৰ শুই পৰিছিল। সেইদিনা সুমনে ভাবিছিল— সি ভাল হ'ব। বহুত ভাল হ'ব। এতিয়াৰ পৰাই সি ভালকৈ পঢ়িব আৰু ঘৰখনলৈ শান্তিৰ নিজৰা নমাই আনিব। কল্যাণে কি ভাবিছিল সুমনে নাজানে। সুমনৰ মুখৰ পৰা অজানিতে ওলাই আহিছিল "এতিয়াৰ পৰাই"।✧

# মীনাৰ চিঠি

শ্ৰীউমানন্দ বৰা
স্নাতক, ২য় বৰ্ষ

জেঠ মাহৰ সাত তাৰিখ। পূৱৰ বেলিটোৱে প্ৰখৰ তাপ বিলাইছে। এচমকা ৰশ্মি পৰ্দা নটনা আইনাৰ খিৰিকীৰ মাজেৰে সোমাই গৈ কুম্ভকৰ্ণ নিদ্ৰাত মগ্ন হৈ থকা ৰাজুৰ মুখখনতে পৰিলগৈ। বৰ নিষ্ঠুৰ বেলিটো। ৰাতিপুৱাই এনেদৰে যুৱক এজনক নিদ্ৰা ভংগ কৰা উচিতনে? লাহে লাহে সি এঙামুৰি দি চকু মেলিলে। উসঃ! চকুতে পৰিছে। ৰাতি পৰ্দাখন ভালদৰে টানিবলৈ নহ'ল। সেইবাবে আজি ইমান সোনকালে সাৰ পাব লগা হ'ল। লাহেকৈ সি আঠুৱাখন দাঙি টেবুলত থকা হাতঘড়ীটোলৈ চালে। ৯ বাজি ১০ মিনিট। সি বিশ্বাস কৰিব পৰা নাই ঘড়ীটোক। লাহে লাহে খিৰিকীখনৰ ওচৰলৈ গৈ বেলিটোলৈ চালে — হয়, ৯ বাজিবৰ হ'ল।

মুখখন মোহাৰি ৰুটিনখনলৈ চালে— ক্লাছ ৮ বজাৰপৰা আছিল। এতিয়া ৯-১০। তাৰ মানে ৮ আৰু ৯ বজাৰ ক্লাছ দুটা খটি হ'ল। মনতে সি কিবা অলপ ভোৰভোৰালে "এনেকৈয়ে চলি আহিছে। হ'ব দুটা ক্লাছহে।"

ব্ৰাছপাতত টুঁঠপেষ্ট অকণমান লগাই টাৱেলখন কান্ধত পেলাই দুৱাৰখন মেলি ওলাই গ'ল।

'ৰাজু! পিছফালৰ পৰা প্ৰণৱে মাত লগালে। তোমাৰ এখন চিঠি আছে। যোৱাকালি তোমাক নাপাই ময়েই ৰাখি থলো, এইখন লোৱা।

'ৰাতিপুৱাই চিঠি! মই বৰ Lucky। মীনাই ফটো পঠোৱাৰ কথা আছিল। মীনাৰে হ'ব চাগৈ।' ৰাজুৱে মনতে ভাবিলে। চাওঁ দে, চিঠিখন হাতত লৈ দেখিলে যে খামৰ ওপৰত লিখা আছে—

To,

Mr. Raju Dutta.
Dibrugarh University.
Hostel No–"B"
Room no–6

কিন্তু From লিখা নাই কোনে পঠালে বাৰু? মীনাই নপঠালে কোনে পঠাব? তাতে আকৌ এইবাৰ ফটো পঠোৱাৰ কথা। প্ৰথমে অলপ আচৰিত হৈছিল যদিও নিজকে সহজ কৰি ল'লে। চকুৰ প্ৰচাৰতে মুখ-হাত ধুই ৰুমত সোমাল।

আনন্দতে সি কিবা অলপ গুণ গুণালে। ব্ৰাছপাত আৰু টাৱেলখন সি টেবু'লত থলে। তাৰ পাছত খামটো খুলি সি আচৰিত হ'ল। কাৰণ খামটোত ফটো নাই। তাৰ ঠাইত তিনি চাৰিখিলা কাগজৰ এখন দীঘল চিঠি। যি কি নহওক বুলি সি জাপ কেইটা খুলিলে। সি দেখিলে চাৰিখিলা কাগজ আছে। "God Bless You" শিৰোনামাৰে প্ৰথম পৃষ্ঠাৰ আৰম্ভণি। এটা মৃদু সম্বোধনেৰে তাৰ আটাইতকৈ প্ৰিয় মীনাই তালৈ লিখিছে। সম্বোধনটোত লাহেকৈ এটা চুমা খাই সি পঢ়ি যাবলৈ ধৰিলে।

God Bless You

তাং— ১০/৯/২০০১

মৰমৰ

ৰাজু দা,

পত্ৰ লিখনিৰ আৰম্ভণিতে তোমালৈ মোৰ হৃদয়ভৰা মৰমবোৰ আগবঢ়ালো। আশা কৰোঁ তলসৰা ফুলৰ দৰে অৱহেলা নকৰি নিশ্চয় গ্ৰহণ কৰা যেন। মোৰ বৰ্তমান ভাল। আশা কৰোঁ পৰমেশ্বৰৰ কৃপাত তোমাৰো নিশ্চয় ভালেই ছাগৈ।

ৰাজু দা, মই আজি তোমালৈ কোনোদিনে নিলিখা 'দুষাৰমান কথা লিখিম বুলি ভাবিছোঁ। যদি অনুমতি দিয়া তেন্তে লিখিব পাৰোঁ। দিবানে নিদিয়া? মই কিন্তু অনুমতি দিয়া বুলি ধৰি লৈছোঁ আৰু এয়া দুষাৰমান লিখিম বুলি কলম আগবঢ়াইছোঁ।

কোনোদিনে নিলিখা কথা লিখিম বুলি ক'লত তুমি বৰ উৎসুক হৈ পৰিছা নেকি? উৎসুক হ'বলগীয়া কোনো কাৰণ নাই। কাৰণ, মই কোনো দিনে নিলিখা কথা মোৰ বিষয়ে লিখিম বুলি ভবা নাই। তোমাৰ বিষয়ে লিখিম বুলিহে ভাবিছোঁ। কি কথা বাৰু? ধৰাঁ, কুম্ভকৰ্ণ সদৃশ তোমাৰ নিদ্ৰাৰ কথা, তোমাৰ টেবুলত পোৱা বিদেশী মদৰ বটলৰ কথা, তোমাৰ পৰীক্ষাৰ ফলাফলৰ কথা, ইত্যাদি।

খং কৰিছা নেকি? তুমি চাগৈ ভাবিছা এইজনীক আজি কিহে পালে? কিন্তু ৰাজুদা ভাবৰ ধুমুহাই যেতিয়া মনসাগৰত তল-ওপৰ লগাই, তেতিয়া লিখনি নাইবা প্ৰকাশৰ মাধ্যমেৰে সেই ধুমুহাক শীতল কৰা হয়। ক্ৰোধৰ তীব্ৰ জ্বালামুখীত তেনেদৰেই শাৰীৰিক শাস্তি দি নাইবা গালি-শপনিৰে শাঁত কৰা হয়। মোৰ মনতো আজি ভাবৰ ধুমুহাই ঠাই পাইছে। ক্ৰোধৰ তীব্ৰ

জ্বালামুখীও উদ্গীৰণ হৈছে! কিয়? কিয় জানা?— তোমাৰ অৰশ্যে, অকল তোমাৰেই নহয়; শত-সহস্ৰ যুৱক-যুৱতীৰ লীলা-খেলাবোৰ দেখি।

ৰাজু দা, তুমি আজিকালি ৰাতিপুৱা ৫ বজাত উঠানে? মুঠেই নুঠা। কাৰণ তোমাৰ ওচৰত মা-দেউতা নাই। ৰাতিপুৱা সাৰপাই উঠা সময় চাগৈ ৯-১০ বজা। মই ভাবোঁ, তুমি তোমাৰ সংলাপক অৱহেলা কৰিছা। তুমি আজি পঢ়িম কালি পঢ়িম বুলি পঢ়িবলগীয়া বিলাক জমা কৰি থোৱাঁ আৰু শেষত গৈ পৰীক্ষাৰ সময়ত একোটা বিষয় একোখন মহাভাৰত হয়গৈ। বেয়া নাপাবা, মই শিশুক বুজোৱাৰদৰে তোমাক বুজাবলৈ নাযাওঁ। কাৰণ তোমাক বুজাব পৰা জ্ঞান হয়তো মোৰ নাই; কিন্তু কিছুমান কথা মই নিলিখি নোৱাৰিলো।

ৰাজুদা, মদ দৈনিক এবটলমান লাগেনে? নে তাতকৈ বেছি? দেউতাৰাই মাহিলি টকা পঠিয়াই আছে কিহৰ চিন্তা? কেতিয়াবা নিশ্চয় মোৰ চিন্তাই তোমাক জুমুৰি দিয়ে; কিন্তু অযথা চিন্তাৰ প্ৰয়োজন নাই। মই তোমাক বিশ্বাসঘাটকতা নকৰোঁ; কিন্তু মোৰহে কেতিয়াবা চিন্তা হয়। মই চিঠিত এনেদৰে মদ খোৱাৰ কথা লিখি তোমাক মদ খোৱাৰ অভ্যাস এৰুৱাব নোৱাৰোঁ; কিন্তু মনত ৰাখিবা ৰাজুদা, এদিন অনুতাপ কৰিব লাগিব। এনেকুৱা এটা দিন আহিব যিদিনা অতিপাত মদ খাই তুমি স্থিৰতা হেৰুৱাই ব্যস্ত পথৰ দাঁতিত পৰি থাকিবা আৰু বাটৰুৱা কুকুৰে তোমাৰ মুখত প্ৰস্ৰাৱ কৰি যাব; তীব্ৰবেগী নিশাৰ ট্ৰাকৰ চকা তোমাৰ ভৰিৰ ওপৰেদি পাৰহৈ যাব (ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যাতে সেয়া হ'বলৈ নাপায়)। তাৰ পাছত চকাযুক্ত চকী এখনৰ আশ্ৰয় লৈ পিছৰ জীৱনছোৱাত ঘৰৰ বাৰান্দাত বহি পদূলিমুখলৈ চাই দিন কটাবলগীয়া হ'ব। সেয়েহে কাতৰ অনুৰোধ কৰিছোঁ; ৰাজুদা, যিমান সোনকালে পাৰা ইয়াক ত্যাগ কৰা।

ৰাজুদা, তুমি বাৰু কি কথাছবি ভাল পোৱা? অসমীয়া, হিন্দী, ইংলিছ? অসমীয়া চিনেমা? অসমীয়া চিনেমা কোনে চায়? এইবিলাক ব'ৰ চিনেমা নহয় জানো? কাৰণ ইয়াত হিন্দী চিনেমাৰ দৰে নাভিৰপৰা ছয় ইঞ্চি ব্যৱধানত কাপোৰ পিন্ধি আৰু উলঙ্গ হৈ নচা অভিনেত্ৰীৰ নৃত্য নাই। R.C.C. Building ৰ ওপৰৰ পৰা জপিয়াই কৰা মাৰ-ধৰৰ দৃশ্য ইয়াত নাই। ইংলিছ চিনেমাৰ দৰে যৌন উত্তেজক দৃশ্যও ইয়াত নাই। সেই কাৰণে এইবোৰ বেয়া। নহয় জানো?

ৰাজুদা, তোমালোকৰ হোষ্টেলত আজি-কালি ব্লু-ফিল্মৰ পয়োভৰ কেনেকুৱা? মাহত এনিশা নে সপ্তাহত এনিশাকৈ ব্লু-ফিল্মৰ পয়োভৰ হয়? চিনেমা, টকা-পইচা এইবিলাকৰ কথা কোৱাৰ বাবে তোমাৰ চাগৈ মোৰ ওপৰত ভীষণ খং উঠিছে? শুনা ৰাজুদা! মই তোমাক দীঘল বক্তৃতা দিবলৈ নাযাওঁ। হিন্দী, অসমীয়া, ইংলিছ যি ভাষাৰেই নহওক চিনেমা চাবা; কিন্তু য'ত কিবা শিকিবলৈ পাবা তাকহে চাবা। অযথা সময় তথা ধনৰ অপব্যয় নকৰিবা। ৰাজুদা! বিৰক্তি লাগিছে নেকি? লাগিছে যদি শুনা, তোমাৰ দেউতাৰাই তোমালৈ পঠোৱা প্ৰতিটো পইচাত দেউতাৰাৰ তেজৰ টোপাল সন্নিহিত হৈ আছে। গতিকে অকণমান ভাবি চাবা তেতিয়া দেউতালৈ অন্ততঃ মনত পৰিব।

ৰাজুদা, বহুত হৈ গ'ল আজিলৈ আৰু নিলিখো। সময়-সুবিধা পালে পুনৰ কেতিয়াবা লিখিম। পুনৰ মৰমেৰে—

ইতি

তোমাৰ মৰমী

"মীনা"

এইখন সি কি পঢ়িলে; মীনাৰ চিঠিনে আন কিবা? ৰাতিপুৱাই সি নিজকে বিশ্বাস কৰিব নোৱৰা হ'ল। মনতে ভাবিলে, জীৱনত যদি আটাইতকৈ কাৰোবাক বেছি ভাল পাওঁ সেইজনী তুমিয়েই। সেইজনী মীনাই এনেদৰে চিঠি লিখে! কিয় লিখিলে? ফটো পঠাম বুলি এইখন কি পঠাইছে? সি যিমানেই ভাবিছে সিমানেই চঞ্চল হৈ পৰিছে। আকৌ এবাৰ দাঁত-মুৰ কামুৰি আৰম্ভণিৰ পৰা চিঠিখন পঢ়ি গ'ল। সেই একেখনেই চিঠি। চতুৰ্থ পৃষ্ঠাৰ শেষত "তোমাৰ মৰমী মীনা" সি চিঠিখন টেবুলত থ'ব খুজি আচৰিত হয়। চিঠিখনৰ পিছফালে আৰু কিবা লিখা আছে। খণ্ডত একো নাই হৈ সি পঢ়ি গ'ল—

বিঃদ্ৰঃ

প্ৰিয় বন্ধু ৰাজু,

মোৰ বৰ্তমান ভাল। মীনাই তোক বৰকৈ জ্বলালে নেকি? ৰাজু, তোৰ চাগৈ মীনাৰ চিঠি বুলি পঢ়ি বৰ খং উঠিছে। নহয় জানো? কাৰণ আজিকালি আধুনিকাবোৰেতো তোৰ দৰে ডেকাক এইদৰে 'গাইড' নিদিয়ে। চিনেমা হ'লত একেলগে আড্ডা মৰা, হাতত মদৰ গিলাছ তুলি দিয়া; পাৰ্কত বহি কথা পতা আদিবোৰহে ভাল পায়। এইবোৰ নহলে ভালপোৱা কিহৰ? বেয়া নাপাবি—তোৰ প্ৰিয় মীনাই এইখন তোলৈ লিখা নাই। এইখন আচলতে মইহে লিখিছোঁ। নাজানো এইখন কিয় লিখিলো? চিঠিয়েইনে আন কিবা? বিশ্বাস কৰ ৰাজু, তোলৈ এইখন কিয় লিখিব লগা হ'ল মই নিজেই নাজানো। কিয় বাৰু? কিয়? তোৰ শুভ কামনাৰে আজিলৈ সামৰিছোঁ।

ইতি

তোৰ বন্ধু

"অজয়"

আকৌ সেই ভাবৰ খু-দুৱনি। বিশ্বাস কৰ ৰাজু! তোলৈ এইখন কিয় লিখিব লগা হ'ল? কিয় বাৰু? কিয়?

তোৰ শুভ কামনাৰে.............✧

# উইল

শ্ৰীমতী কাকুমণি বৰা
স্নাতক, ১ম বৰ্ষ

ডিছেম্বৰ মাহৰ এক নিয়ৰসিক্ত ৰাতিপুৱা। চাৰিওফালে কুঁৱলীয়ে এজনী ৰাক্ষসীৰদৰেই খেদি আহিছে। যেন এফালৰ পৰা সকলোকে গিলি পেলাব। জাৰ বাৰুকৈয়ে পৰিছে। নদী কাষৰীয়া গাওঁ হোৱাবাবে মধুপুৰ গাঁৱত জাৰৰ প্ৰকোপ আৰু বেছি হৈছে। ভৱেন বৰুৱাই প্ৰতিদিনে কৰাৰদৰে প্ৰাতঃভ্ৰমণৰপৰা আহি বাৰাণ্ডাৰ আৰামী চকীখনত গাৰ সমস্ত ভৰ দি বহি পৰিল। তেওঁৰ চকুৰ আগত বাৰে বাৰে ভাঁহি আহিল হাজৰিকাৰ নাতি ঋতুৰাজৰ মৰম লগা কণমাণি মুখখন। তেওঁ আজি নদীৰ ফালে ফুৰিবলৈ গৈছিল আৰু তাতেই লগ পাইছিল হাজৰিকাৰ হাতত ধৰি ঘূৰি ফুৰা ঋতুৰাজক। ঋতুৰাজক হাজৰিকাই বৰুৱাক ককা বুলি মাতিবলৈ শিকাইছিল। আৰু সি ঠুনুকঠানাক মাতেৰে ককা বুলি মাতিছিল। কি যে ভাল লাগিছিল বৰুৱাৰ। সেই অকণমানি ল'ৰাটোৰ মুখত ককা বুলি শুনি। তেওঁৰ অন্তৰখন যেন ভৰি উঠিছিল। যেন অতদিনে নোপোৱা কিবা এটা হে পালে। ঋতুৰাজক তেওঁ বৰকৈ মৰম কৰিছিল আৰু তেওঁৰ এনে লাগিছিল যে তেওঁ ঋতুৰাজৰ লগত খেলিয়েই থাকিব। হাজৰিকাৰ প্ৰতি ভৱেন বৰুৱাৰ ঈৰ্ষাই লাগিছিল। কাৰণ বৰুৱাই নোপোৱা কিবা এটা সুখ হাজৰিকাই পাইছে। ঋতুৰাজক এৰিবলৈ মন নগলেও বৰুৱা উভতি আহিবলৈ বাধ্য আৰু অহাৰেপৰা তেখেত বেলেগ ভাৱত মুগ্ধ হৈ বহি আছে।

বৰুৱা আৰু হাজৰিকা নলে-গলে লগা বন্ধু। সৰুৰে পৰা দুয়োটাই গাওঁখনৰ ভিতৰতে আছিল সহজ সৰল। মৰমীয়াল মেধাৱী ছাত্ৰ। গাঁৱৰ সকলোৰে প্ৰিয়পাত্ৰ হ'বলৈ দুয়োটাই সক্ষম হৈছিল। বৰুৱা আৰু হাজৰিকাই সুখ্যাতিৰে মেট্ৰিক পাছ কৰিলে। হাজৰিকাই মেট্ৰিক পাছ কৰিয়েই পঢ়া এৰিলে আৰু খেতি-বাতি কৰাত মনোনিৱেশ কৰিলে; কিন্তু বৰুৱাই নগৰত গৈ ইংৰাজী বিষয়ত বি-এ পাছ কৰি গাঁৱৰে হাইস্কুলখনত নিযুক্তি পালে। বৰুৱা শিক্ষক আৰু হাজৰিকা খেতিয়ক; যদিও দুয়োটাৰে বন্ধুত্ব একেদৰেই থাকিল। বৰং বেছি কটকটীয়াহে হ'ল। বৰ্তমান বৰুৱা-হাজৰিকা দুয়োজনেই সংসাৰী হ'ল। তেওঁলোকৰদৰেই পত্নী দুয়োগৰাকীও মৰমীয়াল আৰু সাদৰী। হাজৰিকাৰ দুজনী ছোৱালী আৰু এটা ল'ৰা অভিশেখ। বৰুৱাৰ বিবাহিত জীৱনৰ সাক্ষী মাত্ৰ অবিনাশ। অবিনাশৰ মাত্ৰ দুবছৰ বয়সতে মাক কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ সিহঁতক অথাই সাগৰত পেলাই এই সংসাৰ ত্যাগ কৰে। বৰুৱাই চকুৰে ধুঁৱলী-কুঁৱলী দেখিলে। এফালে স্কুল— এফালে সংসাৰ আৰু আনফালে অবিনাশক মানুহ কৰাৰ দায়িত্ব। তেওঁৰ লগৰীয়াসকলৰ বহুত চেষ্টাৰ মূৰতো বৰুৱাই পুনৰ বিবাহত মত নিদিলে। জানোচা অবিনাশৰ কষ্ট হয়।

এদিন দুদিনকৈ অবিনাশ আৰু অভিশেখ ডাঙৰ হৈ আহিল। সিহঁতক স্কুলত নাম ভৰ্তি কৰি দিয়া হ'ল। বাপেকহঁতৰ দৰে সিহঁতৰ মাজতো প্ৰগাঢ় বন্ধুত্ব স্থাপন হ'ল। আৰু পিতৃ আদৰ্শেৰে অনুপ্ৰাণিত হৈ সিহঁতে এদিন প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিলে। অভিশেখে কলা শাখাত গাঁৱৰে কলেজখনত নামভৰ্তি কৰিলে; কিন্তু অবিনাশে বিজ্ঞান পঢ়িবলৈ ইচ্ছা কৰি চহৰৰ কলেজ এখনত বিজ্ঞান শাখাত নাম লগালেগৈ। অবিনাশ হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত অসমৰ ভিতৰতে ষষ্ঠ স্থানত উত্তীৰ্ণ হ'ল। বাপেকৰ ইচ্ছা আছিল অবিনাশক ডাক্তৰ কৰাৰ। অবিনাশেও মেডিকেল কলেজত সুবিধা পালে। বৰুৱাই মাজে মাজে গৈ অবিনাশৰ খবৰ-খাতি, খা-খৰচ আদি দায়িত্ববোৰ পালন কৰি থাকে। এদিন অবিনাশে সুখ্যাতিৰে ডাক্তৰী পাছ কৰিলে। বাপেকৰ ইচ্ছা অবিনাশে গাঁৱত থাকি ৰোগীক সুশ্ৰূষা কৰক; কিন্তু অবিনাশে নগৰত থাকি তাতে নাৰ্ছিং হোম খুলি ৰোগী চোৱাটোহে খাটাং কৰিলে। বৰুৱাই পুত্ৰৰ কথা শুনি বৰ আঘাট পালে যদিও তাক বাধা নিদিলে।

এদিন অবিনাশ সঁচাকৈয়ে নগৰলৈ ওলাই গ'ল। তাত সি এখন ডাঙৰ নাৰ্ছিং হোম খুলিলে। প্ৰথমতে সপ্তাহ-মাহেকৰ মূৰে মূৰে ঘৰলৈ আহি বাপেকৰ খবৰ-খাতি ৰাখিছিল; কিন্তু শেষৰ ফালে এবছৰৰ মূৰতো এদিন নহা হ'ল। বৰুৱাই চাকৰিৰপৰা অৱসৰ লৈ ঘৰতে থাকিবলৈ ললে। লগুৱা অৱনীৰ শুশ্ৰূষাত বৰুৱাৰ স্বাস্থ্য অলপ ভাল হৈ আছিল যদিও বৰ্তমান মানসিকভাৱে ভাগি পৰাত বৰ্তমান অৱস্থা শোচনীয়।

এদিন বৰুৱাই খবৰ পালে যে নগৰৰে এজন ধনী ঠিকাদাৰৰ একমাত্ৰ কন্যা এজনীক বিয়া কৰাই অবিনাশ ঘৰ জোঁৱাই হ'ল। অবিনাশ এদিন ঘূৰি আহিব বুলি বৰুৱাৰ যিকণ

আশা আছিল সেইকণো সেইদিনাৰপৰা নাইকিয়া হ'ল। এদিন অৰশ্যে অবিনাশ আহিছিল পত্নী দীপশিখাকলৈ। আহিয়েই বাপেকক দুয়োটাই ভৰিত ধৰি ক্ষমা বিচাৰিছিল। বাপেকেও সিহঁতক ক্ষমা কৰি দিছিল। বৰুৱাই বৰকৈ আশা কৰিছিল যে পুতেক-বোৱাৰীয়েকৰ সৈতে তেওঁ এখন সুখৰ সংসাৰ পাতিব; কিন্তু নগৰীয়া বোৱাৰীয়েকক গাঁৱলীয়া পৰিৱেশে দুদিনতে আমুৱালে। এদিন বৰুৱাই পুতেকক ক'লে যে সিহঁতৰ গাঁৱত এখন কলেজৰ অভাৱ; গতিকে গাঁৱৰ ৰাইজে সিহঁতৰ পৰি থকা মাটি দোখৰ বিচাৰিছে আৰু বৰুৱাইও দিম বুলি কথা দিছে। অবিনাশে কথাটো শুনি একেবাৰে জাঙুৰ খাই উঠিল। সি বাপেকক ক'লে 'আজি-কালি মাটিৰ দাম বহুত বেছি। গতিকে এনেয়ে মাটি দিব নোৱাৰি।' সি আৰু ক'লে— সি হেনো সকলোখিনি মাটি একেলগে বিক্ৰী কৰি এখন বাগান কিনিব। আজি সি বাপেকক এই কথাটো ক'বলৈহে আহিছে। বাপেকে এতিয়াহে বুজিলে সিহঁত এনেদৰে অহাৰ অৰ্থ। বৰুৱাই খঙত একো নাই হৈ পুতেকক ক'লে যে তেওঁ পুতেকক অলপ মাটিও বিক্ৰী কৰিবলৈ নিদিয়ে। অবিনাশে ক'লে— 'তাৰ যিখিনি প্ৰাপ্য সিখিনি বাপেকে তাৰ নামত উইল কৰি দিব লাগে, সি যি কৰে কৰিব।' সি আৰু কলে যে এজন উকীলো মাতি থৈ আহিছে আৰু তেখেত আজিয়েই আহি পোৱাৰ কথা আছে। বাপেক একেবাৰে মৌন হৈ পৰিল। তেওঁ বৰ বেজাৰ পালে। আজি সিহঁতৰ অৰ্থাৎ পিতা-পুত্ৰৰ মাজৰ এটা সাধাৰণ কথাৰ মীমাংসা এখন কাগজৰ উইলত নিৱদ্ধ হ'ব, তাকো কৰিব এজন বেলেগ উকীলেহে।

উকীলজন আহিল আৰু বৰুৱাক সম্পত্তিখিনি কাৰ নামত কি দিয়ে কৈ যাবলৈ ক'লে। সেই সময়ত বৰুৱাৰ পুতেকক অচিনাকি অচিনাকি যেন লাগিছিল। তেওঁ অবিনাশক পুত্ৰ বুলি ক'বলৈকো লাজ কৰিছিল। তেওঁৰ অৱনীকহে আপোন লাগিছিল। তেওঁ উকীলজনক ক'লে যে ঘৰৰ কাষৰ মাটিখিনি কলেজৰ নামত; খেতিৰ মাটি দুপুৰা অৱনীৰ নামত আৰু বাকী থকা মাটিখিনি অবিনাশৰ নামত উইল কৰিব লাগে। উকীলজনে এই সকলোবোৰ লিখি শেষত বৰুৱাৰ চহী ললে। অবিনাশে বাপেকে কৰি দিয়া উইলখন দেখি খঙত জ্বলিপকি উঠিল; কিন্তু বৰুৱাই সিহঁতৰ কথাত কোনো কাণসাৰ নিদিলে। আজি তেখেতৰ মনটো বৰ পাতল পাতল লাগিল। উকীলজন যোৱাৰ পাছত বৰুৱা অকলশৰে বাহিৰৰ চকী এখনত বহি আছিল। অলপ দেৰীৰ পিছত তেওঁ দেখিছিল যে অবিনাশ আৰু দীপশিখা তেওঁৰ কাষেদিয়েই দপদপাই ওলাই গৈছে। সেই অবিনাশ যি গ'ল গ'ল। আজি তিনি বছৰে তাৰ কোনো খা-খবৰ নাই।

অভিশেখে বি-এ পাছ কৰি গাঁৱৰে হাইস্কুলখনত সোমাল। সি গাঁৱৰে এগৰাকী শিক্ষিত যুৱতীক বিয়া কৰালে। সিহঁতৰ এটি পুত্ৰসন্তান জন্ম হ'ল। নাম ঋতুৰাজ। অভিশেখে আজি সুখী জীৱন যাপন কৰি আছে; কিন্তু বৰুৱাই পালে কি? অবিনাশৰ সুখৰ বাবেই তেওঁৰ গোটেই জীৱনটো দুখতে পাৰ কৰিলে; কিন্তু অবিনাশে তেওঁক দিলে কি? পিতৃ বুলি অকণমান সহানুভূতিও প্ৰকাশ নকৰিলে। গাঁৱৰে এজন মানুহ নগৰলৈ যাওঁতে অবিনাশক লগ পাইছিল আৰু তাৰ এজনী ছোৱালী জন্ম হোৱা কথাটো আহি বৰুৱাক কৈছিল। অবিনাশৰ ছোৱালী হোৱা কথাটো গম পাই বৰুৱাৰ নাতিনীয়েকক চাবলৈ বৰকৈ ইচ্ছা গৈছে। তেওঁ নদীৰ পাৰত হাজৰিকাৰ নাতি ঋতুৰাজক দেখি অহাৰে পৰা অবিনাশৰ ছোৱালীজনীৰ মুখখন মনতে কল্পনা কৰিয়েই বহি আছে। তেওঁ ভাবিছে তাই বাৰু দেখিবলৈ কেনেকুৱা হৈছে। তাই বাৰু বৰুৱাক ককা বুলি মাতিবনে?

"দেউতা গৰম পানী হ'ল। ভিতৰলৈ আহক। গা ধোৱকহি"— বুলি অৱনীয়ে মতাত তেওঁ বাস্তৱলৈ ঘূৰি আহিল। তেওঁ অৱনীলৈ চালে। তাৰো বয়স হৈছে। তেওঁ ভাবিলে এইবাৰ তেওঁ অৱনীৰ বিয়াখন পাতি দিব লাগিব। তেওঁ কল্পনা কৰিলে যে অৱনীৰ এজনী মৰমলগা ছোৱালী জন্ম হ'ব আৰু তেওঁক ককা বুলি মাতিব। বৰুৱাইও অৱনীৰ পত্নী আৰু ছোৱালীজনীৰ লগত সুখৰ সংসাৰ পাতিব। তেওঁৰ মুখত এক আনন্দৰ হাঁহি বিৰিঙি উঠিল। কাইলৈৰপৰা ছোৱালী চোৱাৰ কাম আৰম্ভ কৰিব বুলি ভাবি নতুন উদ্যমেৰে অৱনীৰ পাছে পাছে ভিতৰলৈ সোমাই গ'ল গা ধুবৰ বাবে।✦

# মুক্তি

মোঃ ইমদাদ আহমেদ
স্নাতক, ২য় বৰ্ষ

টি ভি চলি আছে—

হেল্ল', নমস্কাৰ, ওৱেলকাম।

— মে হু অমিতাভ বচ্চন, অউৰ আপ দেখ ৰহে হে "STAR PLUS" পৰ "কৌন বনেগা ক্ৰৌৰপতি"।

মেৰে সামনে বেঠে হুৱে হে আসাম, উত্তৰ লখিমপুৰ চে আয়ে হুৱে শ্ৰীমান শ্যামল বৰুৱা।

শ্যামল নে জীত লিয়া পঁচাশ লাখ ৰূপয়া।

অমিতাভ বচ্চন— শ্যামলজী, আপনে পঁচাশ লাখ ৰূপয়া জিতা হে, কেইসা লগ ৰহা হে আপকো?

শ্যামল— বহুত আচ্ছা লগ ৰহা হে। মেৰে বতচ্ছৌ কা সপ্না সচ হো গয়া।

অমিতাভ বচ্চন— তো আচ্ছা, অভি এক ক্ৰড়ৌৰ ৰূপয়াকে লিয়ে য়ে ৰহা আপকা সৱাল কম্পিউটাৰ স্ক্ৰীণ পৰ। অগৰ আপনে ইছ সৱাল কা ছহি জৱাব দে দিয়া তৌ আপকৌ এক ক্ৰড়ৌৰ ৰূপয়া মিলেগা।

"১৯৮৩ বিশ্বকাপ ক্ৰি.কেট খেল কা ফাইনেল মেচ কা ৰাণাৰ্চ আপ দেশ কোন থা"—?

[A] INDIA [B] WEST INDIES

[C] ENGLAND [D] PAKISTAN

শ্যামল— WEST INDIES, SIR.

অমিতাভ বচ্চন— SURE, Confident, Lock কৰ দো।

শ্যামল— Yes Sir.

অমিতাভ বচ্চন— বিলকুল চহি জৱাব। অউৰ ইচকে সাথ আপনে জিত লিয়া হে ১ ক্ৰৌড় ৰূপয়া; আপতৌ বন গয়ে "STAR PLUS" কে "কৌন বনেগা ক্ৰৌৰপতি" কে ক্ৰৌড়ৰপতি।

"শ্যামল"

কাৰোবাৰ মাতত যেন, শ্যামল সাৰ পাই গ'ল। চকু মেলি চাই দেখে সি বিছনাত আৰু মাকে কাষত বৈ তাক জগাইছে।

শ্যামলে ভাবিলে, তাৰ মানে এইটো এটা সপোনহে আছিল। কোটিটকীয়া সপোন। এনেতে সন্মুখৰ বেৰত ওলমি থকা কেলেণ্ডাৰখন দেখি তাৰ তৎক্ষণাৎ মনত পৰি গ'ল যে আজি দিনৰ ১০ বজাত চৰকাৰী কাৰ্য্যালয় এটাত সাক্ষাৎকাৰ আছে। বিছনাৰ পৰাই ঘড়ী চাই দেখে ইতিমধ্যে আঠ বাজিবৰ হ'ল। সি বিছনাৰপৰা জাপমাৰি উঠি মাকক চাহ বনাবলৈ কৈ মুখত ব্ৰাছ লৈ বাথৰুমত সোমাল।

শ্যামল! শ্যামল বৰুৱা এজন প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানপ্ৰাপ্ত পৰ্দাথ বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী ঊনত্ৰিশ বছৰ বয়সীয়া যুৱক। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছত আৰম্ভ হৈছিল তাৰ জীৱনৰ আচল পৰ্য্যায়; অৰ্থাৎ কৰ্মসংস্থাপনৰ সন্ধান। আজি পাঁচ বছৰৰপৰা ৰ'দ-বৰষুণ নেওচি ডিগ্ৰীৰ চাৰ্টিফিকেট লৈ সি পগলা কুকুৰৰ দৰে ঘূৰি ফুৰিছে চৰকাৰী বেচৰকাৰী অফিছবোৰৰ মুখে মুখে। চাকৰি বিচাৰি ঘূৰি ঘূৰি যেতিয়া বিফল হৈ গধূলি সি ঘৰ সোমায়, তেতিয়া ঘৰৰ সকলোৰে মুখবোৰ দেখি তাৰ এইবোৰ সকলো এৰিথৈ পলাই যাবলৈ মন যায়।

যথাসময়ত গা-পা ধুই, চাহ জলপান খাই, মাকৰ আশীৰ্বাদ লৈ শ্যামল সাক্ষাৎকাৰলৈ বুলি ওলাই গ'ল।

এখন ব্যস্ত নগৰ। কাৰো যেন কাৰো মুখলৈ চাবৰ সময় নাই, আহৰি নাই। সকলোৱে কেৱল দৌৰিছে, মাথো দৌৰিছে কিবা এটা পোৱাৰ আশাত। শ্যামলে নগৰৰ বাছ ষ্টপেজ এটাত থিয় হৈ আছে। এনেতে বিপৰীত দিশৰপৰা তীব্ৰ গতিৰে অহা এখন গাড়ীয়ে এগৰাকী বৃদ্ধাক খুন্দিয়াই গুছি গ'ল। বৃদ্ধা গৰাকী ৰাস্তাৰ মাজত পৰি ছটফটাবলৈ ধৰিলে; কিন্তু কাৰো বৃদ্ধাগৰাকীক তুলি ধৰিবলৈ সময় নাই। লগে লগে শ্যামল দৌৰি গৈ বৃদ্ধা গৰাকীক গাড়ী এখনত উঠাই চিকিৎসালয়ত ভৰ্ত্তি কৰি পৰিয়ালৰ মানুহক ফোনেৰে খবৰ দি বাছত উঠি গন্তব্য স্থানলৈ বুলি যাত্ৰা কৰিলে।

কাৰ্য্যালয়ৰ সন্মুখ পাই দেখে যে দহটা পদৰবাবে হাজাৰ হাজাৰ প্ৰাৰ্থী সাক্ষাৎকাৰৰ বাবে বহি আছে। সকলোৰে মনত এটাই আশা, যাতে চাকৰিটো পায়। ভোকে-পিয়াহে আবেলি চাৰি বজালৈকে বহি থকাৰ অন্তত শ্যামলৰ নামটো মতা হ'ল। সাক্ষাৎকাৰ দি শ্যামল কাৰ্য্যালয়ৰপৰা ওলাই আহিল। এইটোকে ধৰি শ্যামলৰ আজি পাঁচ বছৰে কিমান যে সাক্ষাৎকাৰ দিয়া হ'ল তাৰ হিচাপ নাই; কিন্তু ফলাফল সদায়ে শূন্য। সাক্ষাৎকাৰ দি দি শ্যামলৰ আনক সাক্ষাৎকাৰ ল'ব পৰাকৈ অভিজ্ঞতা হৈ গ'ল।

তাৰ যেন আজি ঘৰলৈ যাবলৈ মন নগ'ল। সি তাৰ ঘৰ অভিমুখে যোৱা পথটোৰেদি নগৈ অন্য এটা পথেৰে আগবাঢ়ি গ'ল। খোজ কাঢ়ি দুই-তিনি ঘণ্টা মান যোৱাৰ পাছত সি এখন নদীৰ পাৰত উপস্থিত হ'ল আৰু সি নদীৰ পাৰৰ শিল এটাত বহি পৰিল। তাৰ মনলৈ নানা চিন্তা আহি তাক জুমুৰি দি ধৰিলে। তাৰ দুচকুত ঘৰখনৰ প্ৰতিচ্ছবিখন ভাঁহি আহিল।

বৃদ্ধ দেউতাকৰ একমাত্ৰ পেন্সনৰ পইছাৰে ঘৰখন চলাব নোৱাৰি সি দুই এঘৰত টিউচন কৰে। খেতিৰ নামত যি অলপ মাটি আছিল তাৰ পঢ়াৰ নামত সেয়াও শেষ হ'ল। টকাৰ অভাৱত ভায়েক জীৱনে হাইস্কুল শেষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈয়ো পঢ়া বাদ দিব লগা হ'ল। ভনীয়েক ৰীতাক বিয়া দিব নোৱৰাৰ বাবে ঘৰতে বহি আছে। সিহঁতৰ সকলোৰে যেন এটাই আশা ঘৰৰ ডাঙৰ লৰা শ্যামলে চাকৰি কৰি ঘৰৰ অৱস্থা ঠিক কৰিবলৈ সক্ষম হ'ব।

কথাবোৰ ভাবি ভাবি সি আৰু ৰ'ব নোৱৰি শিশুৰ দৰে কান্দি পেলালে। তাৰ এই পৃথিৱীত আৰু এক মুহূৰ্তও থাকিবলৈ ইচ্ছা নোহোৱা হ'ল। ইয়াৰ পৰা সি মুক্তি বিচাৰিলে। অৱশেষত সি অৱশ্যে মুক্তি পালে।

পাছদিনা স্থানীয় বাতৰি কাকতত খবৰ ওলাল যে "নদী এখনৰ পৰা এজন অচিনাকী যুৱকৰ মৃতদেহ উদ্ধাৰ"—।✧

*CHANGE It is best not to swap horses while crossing the river.* *–Abraham Lincoln.*

# নিয়তিৰ পৰিহাস

শ্ৰীমতী ৰূপামণি বুঢ়াগোহাঞি (বেলি)
স্নাতক, ৩য় বৰ্ষ

ৰভাৰ তলত সোমায়েই মামনিয়ে চাৰিওফালে চকু ফুৰাই চাবলৈ ধৰিলে। সু-সজ্জিত ৰভাতলী, সুন্দৰ কোমল দলিচাৰ ওপৰত বহি আছে চহৰৰ ধনী ব্যৱসায়ী চম্পক বৰুৱা আৰু মামণি বৰুৱাৰ তিনি বছৰীয়া ছোৱালী বাৰ্বি। পুতলাৰদৰে বাৰ্বিক মাজত লৈ ৰভাৰ চাৰিওফালে চকীত বহি আছে ৰঙ-বিৰঙৰ দামী বস্ত্ৰ পৰিহিতা আৰু বিভিন্ন চুলি কাটেৰে সজ্জিতা চহৰৰ ভদ্ৰমহিলা, লগতে পুৰুষসকল। নানা প্ৰকাৰৰ বিলাতী সুগন্ধই ৰভা-তলীখন আমোল-মোলাই আছে। যেন বাৰ্বিৰ জন্মদিন নহয় এটা ৰাজ যজ্ঞহে। মামণি আৰু তাইৰ গিৰিয়েক অতিথি অভ্যৰ্থনা কৰাত ব্যস্ত। এনে এটা পৰিৱেশত সোমাই মণিয়ে কি কৰিব, কি নকৰিব একো ভাবিব পৰা নাই। তাইৰ নিজকে বৰ নিঃকিন যেন লাগিছে, কিয়নো তাইক এতিয়ালৈকে কোনোৱে এযাৰ মাতকে দিয়া নাই। এইখন সমাজে মণিহঁতৰদৰে মানুহক সদায় অৱজ্ঞাৰ চকুৰে চায়। কাৰণ ধন-দৌলত আৰু আভিজাত্যৰ পিছে-পিছে দৌৰা এই সমাজখনৰ লগত মণিয়ে ফেৰ মাৰিব পৰা নাই। মণিৰ কেতিয়াবা দুখ লাগে এওঁলোকৰ অভ্যৰ্থনাৰ মাজত লুকাই থকা প্ৰকৃত ব্যৱসায়িক দৃষ্টিভংগী আৰু নিকৃষ্ট ৰূপটো দেখি।

মণি আৰু মামণি দুয়োজনী নলে-গলে লগা বান্ধৱী আছিল। প্ৰথম শ্ৰেণীৰে পৰা দুয়োজনী একেলগেই পঢ়িছিল; কিন্তু মণি আছিল দুখীয়া ঘৰৰ আৰু মামণি আছিল ধনী ঘৰৰ। তথাপি মণি স্কুলত সদায় প্ৰথম হৈছিল। প্ৰতিটো শ্ৰেণীয়েই তাই অতি সুখ্যাতিৰে পাছ কৰিছিল; কিন্তু মামণি মণিৰ দৰে চোকা নাছিল। সেয়ে তাই সদায় মণিৰ পাছে-পাছে লাগি ফুৰিছিল যাতে মণিয়ে তাইক অলপ সহায় কৰে। সেইমতে মণিয়ে তাইক সহায়ো কৰিছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত মণি অংক আৰু ইংৰাজী বিষয়ত লেটাৰসহ প্ৰথম বিভাগত পাছ কৰিলে; কিন্তু মামণিয়ে যেনে-তেনে দ্বিতীয় বিভাগ পালে। মণিয়ে টকাৰ অভাৱত কলেজত নামভৰ্তি কৰিব নোৱাৰিলে; কিন্তু মামণিয়ে এখন নামজ্বলা কলেজত নামভৰ্তি কৰিলে আৰু পঢ়াত উঠি-পৰি লাগিল। সেই সময়তে মণিক বিয়া কৰাবৰ বাবে এজন ল'ৰা আগবাঢ়ি আহিল। মণিৰ মাক-দেউতাকে ভালেই পালে আৰু সোনকালে মণিক বিয়া দি দিলে।

প্ৰায় ডেৰবছৰ মান ভালদৰেই কটালে। তাৰ পাছত লাহে লাহে মণিৰ জীৱনলৈ নামি আহিল এছপৰা অন্ধকাৰাছন্ন ডাৱৰ। মণিৰ এটা ল'ৰা সন্তান জন্ম হ'ল। তাৰ নাম থলে চিম্পল। চিম্পলৰ জন্মৰ প্ৰায় দুমাহ মানৰ পাছতেই মণিৰ গিৰিয়েক এটা ভয়াবহ ৰোগত আক্ৰান্ত হ'ল আৰু উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যু হ'ল। মণিৰ তেতিয়া অথাই সাগৰত ডুব যোৱা অৱস্থা। তাই কি কৰিব কি নকৰিব ভাবি শেষত সিদ্ধান্ত কৰিলে তাই কেৱল চিম্পলৰ বাবেই জীয়াই থাকিব লাগিব। সেয়ে তাই উপাৰ্জনৰ পথ বিচাৰি হাবাথুৰি খালে; কিন্তু ক'তো একো এটা পথ বিচাৰি নাপালে। শেষত তাই গৰম দিনত দিন হাজিৰা আৰু ঠাণ্ডাৰ দিনত উল গুঠিয়েই পেট প্ৰৱৰ্তন কৰিবলৈ ধৰিলে। লাহে লাহে চিম্পলো ডাঙৰ হৈ আহিল। তাক সেই উপাৰ্জনেৰে পঢ়াবলৈ মণিয়ে স্থিৰ কৰিলে।

ইফালে মামণিয়ে বি.এ. পাছ কৰি চহৰৰ ধনী ব্যৱসায়ী চম্পক বৰুৱাৰ সৈতে বিয়া হৈ সুখেৰে দিন কটাবলৈ ল'লে। মামণিয়ে মণিক প্ৰায় পাহৰিয়েই পেলালে; কিন্তু মণিয়ে তাইক পাহৰা নাই। এদিন হঠাতে মণিয়ে বজাৰত ছুৱেটাৰ বিক্ৰী কৰিবলৈ যাওঁতে তাত মামণিক লগ পালে। দুয়োজনীয়ে ইজনীয়ে সিজনীৰ খা-খবৰ ল'লে। মণিয়ে তাইৰ জীৱনত ঘটা সকলো ঘটনা বিৱৰি ক'লে। মামণিয়ে মণিৰ ছুৱেটাৰকেইটা চাবলৈ বিচাৰিলে আৰু চাই লৈ ক'লে— "তুমি ইমান ধুনীয়াকৈ ছুৱেটাৰ দুটা গাঁথিছা, এই দুটা মইয়ে লওঁ"। কিমান টকাকৈ লাগে ক'বা। মই বাৰ্বিৰ কাৰণেও তোমাক এটা ছুৱেটাৰ গাঁথিবলৈ দিম। এইবুলি কৈয়ে মামণিয়ে ছুৱেটাৰ দুটা বেগত ভৰালে। মণিয়ে মনে মনে ভালেই পালে। মামণিয়ে ছাগৈ তাইৰ অৱস্থাটো বুজি তাইক অলপ সৰহকৈয়ে টকা দিব। যাবৰ সময়ত মামণিয়ে মণিক ক'লে— "অ', মণি কাইলৈ মোৰ ছোৱালী বাৰ্বিৰ জন্মদিন আছে তুমি যাবা কিন্তু, নগলে বহুত বেয়া পাম। মণিয়ে হ'ব বুলি কৈ মামণিৰ ঘৰৰ ঠিকনাটো লৈ তাইৰ পৰা বিদায় ল'লে।

আচলতে জন্মদিনলৈ আহিবলৈ মণিৰ বৰ ইচ্ছা নাছিল। পাকত পৰিহে আহিছে। আৰ্থিক অনাটনে আগুৰি ধৰা মণিৰ

সংসাৰখনত পেটৰ ভোকতকৈ মুখৰ লাজেহে খাই মাৰিছে। তাতে আজি-কালি জন্মদিনলৈ অহা বুলি ক'লে উপহাৰ এটাৰ কথাটো থাকেই। সেই কাৰণেই তাই নাহোঁ বুলিয়েই ভাবিছিল; কিন্তু আগদিনা চিম্পলে প্ৰাইমাৰী বৃত্তিৰ টকা ৫০ টা পোৱা বাবে তাৰে উপহাৰ এটা লৈ জন্মদিনলৈ আহিছে। মণিয়ে তাক প্ৰতিশ্ৰুতি দি আহিছে যে জন্মদিনৰ পৰা আহিয়েই তাৰ টকাকেইটা ঘূৰাই দিব; কাৰণ মামণিয়ে তাইৰ ছুৱেটাৰ দুটাৰ পাৰিশ্ৰমিক নিশ্চয় দিবই।

মণিয়ে ৰভাতলৰ এচুকত চিম্পলৰসৈতে অলপ সময় বহিলে। তাৰ পাছত অকস্মাতে মামণিয়ে তাইক দেখা পাই খাবৰ বাবে জোৰ কৰি লৈ গ'ল। মণিয়ে মামণিয়ে কিবা কোৱালৈ বাট চাই ৰ'ল। কিন্তু তাই ভবা কথা কোৱাতকৈ মামণিয়ে মণিক বিধে বিধে খোৱা বস্তুহে দিয়াত লাগিছে। তাই ছুৱেটাৰ বা তাৰ দামৰ বিষয়ে একোৱেই উলিওৱা নাই। অথচ মামণিয়ে মণিয়ে গাঁথি দিয়া এটা ছুৱেটাৰকে পিন্ধি আছে। আৰু বহুতৰপৰা ছুৱেটাৰটোৰ প্ৰশংসাও পাইছে। খাই-বৈ উঠি মণিয়ে বাৰ্বিক উপহাৰটো দি ঘৰলৈ যাবৰ বাবে সাজু হ'ল আৰু মামণিক ক'লে— "মামণি আমি যাওঁ, ঘৰলৈ বহু-বাট খোজকাঢ়ি যাব লাগিব। মামণিয়ে মাত্ৰ ক'লে "তুমি কিন্তু বাৰ্বিৰ কাৰণে ছুৱেটাৰ এটা গাঁথি দিবই লাগিব দেই।" মণিয়ে একো নামাতিলে। তাইৰ মূৰত যেন কোনোবাই হাতুৰীৰ কোব এটাহে বহুৱালে। কিয়নো তাইৰ আগৰ ছুৱেটাৰ দুটাৰ পাৰিশ্ৰমিক নিদিলেই; আকৌ এটা গাঁথি দিব লাগে।

খং, ঘৃণা আৰু ক্ষোভেৰে একেকোবেই মণিয়ে ডিম্পলৰ হাতত ধৰি মামণিৰ ঘৰৰপৰা ওলাই আহিল। শ্ৰমৰ মৰ্য্যাদা দিব নোখোঁজা এই শ্ৰেণীটোৰ প্ৰতি তাইৰ ঘৃণা উপজিল। যি মানুহে অবাৰত হাজাৰ হাজাৰ ধন খৰচ কৰিব পাৰে; সেই মানুহে তাইৰ শ্ৰমৰ বিনিময়ত সামান্য টকাকেইটা দিবলৈ টান পায় কিয়? মণিয়ে ভাবি ভাবি একো উত্তৰ নাপালে। ৰঘুমলাৰ দৰে ছানি ধৰা সমাজৰ এই শ্ৰেণীটোৱে সকলো জাতিৰ মানুহকে শেষ কৰি দিছে। ক্ষোভ আৰু বিতৃষ্ণাৰে তাই কেতিয়া ঘৰ পালেহি ক'বই নোৱাৰিলে। সেই দিনা ৰাতিটো সিহঁতে লঘোনেই কটাবলগীয়া হ'ল। মণিয়ে গোটেই ৰাতিটো বিছনাত পৰি কেৱল মানুহ যে একে তেজ মঙহেৰে গঢ়া হ'লেও ধনৰ কৱলত পৰি মানুহে মানুহক চিনি নোপোৱা হৈছে, লগে লগে মনৰো যে কি বিচিত্ৰ পৰিবৰ্তন ঘটিছে; তাকে ভাবি ভাবিয়েই কটাই দিলে। কিয় ধনী শ্ৰেণীয়ে দুখীয়াক ইমানকৈ শোষণ কৰিবলৈ বিচাৰে তাই ভাবি নাপালে। ইফালে চিম্পলে মাকক সাবটি ধৰি কান্দিবলৈ ধৰিলে।

পিছদিনা পুৱা ফেহুঁজালি দিয়াৰ লগে লগেই মণিয়ে হাজিৰা কাম বিচাৰি ওলাই গ'ল, কিয়নো তাই কিবা নহয় কিবা প্ৰকাৰে এই পৃথিৱীৰ মানুহৰ তাণ্ডৱ নৃত্যবোৰ চাই জীয়াই থাকিব লাগিব। লগতে চিম্পলকো মানুহ হিচাপে গঢ়ি তুলিবই লাগিব। কিয়নো তাই এতিয়াহে বুজি পাইছে নিয়তিৰ কি পৰিহাস।✧

---

*বিঃদ্ৰঃ— কলেজ সপ্তাহত পুৰস্কাৰপ্ৰাপ্ত।*

# পৰাজিত নায়ক

শ্ৰীঅচ্যুত গগৈ
স্নাতক, ২য় বৰ্ষ

হয় মোৰ ঠিক মনত আছে সেই দিনা আছিল অমাৱস্যাৰ ৰাতি। নিমাত নিতাল সকলো। কষ্ট সহ্য কৰিও নিঠৰ হৈ ৰৈ থকা কষ্টসহিষ্ণু ধৰিত্ৰী আইৰ বুকুত ৰচিত সেই নিৰ্জন জনশূন্য ৰাজআলিটো। সেইদিনা অফিছত সামৰি থোৱা কাম কিছুমান কৰিব লগা হোৱাৰবাবে দেৰিকৈ উভতিব লগা হ'ল। এজাক কিনকিনিয়া বৰষুণে শীতৰ গভীৰতা আৰু বঢ়াই তুলিছে। কোনো দূৰ দিগন্তৰপৰা অহা এজাক ফেৰফেৰীয়া বতাহে কোনোবা অজান দেশলৈ ধাপলি মেলিছে। কোনোবা দেৱশিশুৰ আৰ্তনাদত অৰবিন্দ ৰাজখোৱাই গাড়ী ৰাখিবলৈ বাধ্য হ'ল। লাহেকৈ দুৱাৰ খুলি ৰাস্তাৰ কাষলৈ নামি গৈ দেখিবলৈ পায় এটা তৃষ্ণাতুৰ দেৱশিশুক, এখন সুন্দৰ নতুন টাৱেলত শুৱাই থোৱা আছে। আলফুলকৈ শিশুটিক তুলি লৈ অৰবিন্দ ঘৰমুৱা হৈছিল আৰু সেই অজান শিশুটিয়েই অৰবিন্দক দিছিল জীয়াই থকাৰ প্ৰেৰণা আৰু যাৰ মাজত বিচাৰি পাইছিল হেৰাই যোৱা নৱনীতাক।

সঁচাকৈ অৰবিন্দই নৱনীতাক প্ৰাণভৰি ভাল পাইছিল আৰু সেই অনুপাতে সমাজক সাক্ষী কৰি নৱনীতাক বিয়াও কৰাইছিল। মৰমতে হোমৰ শুৱিত নাম দিছিল গৃহলক্ষ্মী; কিন্তু বিয়াৰ তিনিমাহ পাছতেই নৱনীতা বলি হব লগা হৈছিল বসন্ত ৰোগত। নিৰ্দয় নিয়তিয়ে নিষ্ঠুৰভাৱে কাঢ়ি লৈ গৈছিল নৱনীতাক। আজি আৰু মৰমৰ গৃহলক্ষ্মী নাই। অকৃত্ৰিম ভালপোৱাৰ বিনিময়ত অৰবিন্দৰ দুগালত বোৱাইথৈ গৈছিল দুধাৰি বেদনাৰ অশ্ৰু আৰু হৃদয়ত জ্বলাই থৈ গৈছিল একুৰা উমি উমি জ্বলা তুঁহ জুই।

সেই অজান শিশুটিয়েই এদিন ডাঙৰ হৈ অৰবিন্দৰ ঘৰখনৰ দ্বিতীয়জন সদস্যৰূপে পৰিগণিত হৈছিল। মৰমতে শিশুটিৰ নাম দিছিল হিমাংশু। সেই অঞ্চলতেই অৱস্থিত শিশু নিকেতনখনত হিমাংশুক নাম লগাই দিছিল। লাহে লাহে হিমাংশুৱে মানুহৰ দৈনন্দিন জীৱনৰ দুখ-সুখৰ সমভাগী হৈ পৰিছিল। স্কুল পৰ্য্যায়ৰ সকলোবোৰ শ্ৰেণী অতিক্ৰম কৰি এদিন সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। হিমাংশুৱে প্ৰথম দিনা কলেজলৈ গৈ অনুভৱ কৰিছিল সি যেন আজি এখন নতুন পৃথিৱীত ভৰি দিছে। সি আগতে গাঁৱৰ ল'ৰাবোৰক কোৱা শুনা ৰেগিং শব্দটো আজি কি বস্তু জানিব পাৰিছে।

তেতিয়া হিমাংশু স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। কলেজৰ সকলোবোৰ আলোচনা চক্ৰ, নাচ-গান, খেল-ধেমালি আদিত অংশ গ্ৰহণ কৰিছিল। হিমাংশুৰ সকলোতকৈ প্ৰিয় বস্তু আছিল গীটাৰ। তেওঁ সুন্দৰভাৱে গীটাৰ বজাব পাৰিছিল। এদিন অজানিতে হিমাংশুৰ হাতত পৰিছিলহি এখন সঁচা প্ৰতিশ্ৰুতিৰে ভৰপূৰ চিঠি। যিখনে হিমাংশুক বিস্ময়ত হতভম্বৰ দৰে কৰি তুলিছিল। কাৰণ সি সপোনতো ভবা নাছিল অংকিতাৰ দৰে এজনী ধনীৰ দুলালীয়ে তাৰ হৃদয়ক আহ্বান জনাব।

লাহে লাহে অংকিতা হিমাংশুৰ হৃদয়ৰ আপোন হৈ পৰিছিল। আনকি এদিন অংকিতাৰ অনুপস্থিতিত হিমাংশুৰ প্ৰতিটো সময়, পল-অনুপল অশান্তিময় হৈ পৰিছিল। সামান্য কিবা এটা আহিবহে লাগে, হিমাংশুৱে কত কিযে উপহাৰ নিদিছিল। অংকিতাৰপৰা চিঠি পোৱা এদিন দেৰি হলেই হিমাংশুৰ এটা সম্পূৰ্ণ যুগ পাৰহৈ যোৱা যেন অনুভৱ হৈছিল। অংকিতাক লৈয়ে হিমাংশুৱে কিমানযে কল্পনাৰ কাৰেং সাজিছিল।

ধনীৰ জীয়াৰী হিচাপে অংকিতা সঁচাকৈ বৰ অভিমানী আৰু জেদী ছোৱালী আছিল। হিমাংশুৰ প্ৰায়বোৰ কথাত অভিমান কৰিছিল; কিন্তু সিহঁতৰ গভীৰ ভালপোৱাৰ মাজত অংকিতাৰ অভিমানবোৰে হিমাংশুৰ মনত ৰোমাঞ্চহে সৃষ্টি কৰিছিল। কিন্তু অভিমানতো সদায় অভিমান হৈ নাথাকে আৰু সকলো অভিমানতো সকলো সময়তে সহজভাৱে ল'ব নোৱাৰি। ফলস্বৰূপেই অংকিতাৰ অভিমানে এদিন হিমাংশুৰ মগজুৰ বিকৃতি ঘটাইছিল আৰু সিহঁতৰ গভীৰ ভালপোৱাৰ মাজত বিচ্ছেদৰ নদী বৈছিল।

গতানুগতিকভাৱেই এদিন হিমাংশুহঁতৰ কলেজত নৱাগত আদৰণী দিৱস উদ্‌যাপন কৰিছিল। সেই আদৰণী সভাতেই অংকিতাই এটা আধুনিক গীত গোৱাৰ প্ৰস্তুতি চলাইছিল। তেতিয়া সভা আৰম্ভ হ'বলৈ আধাঘণ্টামান সময় বাকী আছে। অংকিতাই গানটো এবাৰ অনুশীলন কৰি লওঁ বুলি জিৰণী কোঠাত প্ৰবেশ কৰিলে। গীতাৰখন হাতত তুলি লৈ এটা মৃদু সুৰ বজাবলৈ আৰম্ভ

কৰিলে। হঠাৎ গীটাৰৰ মাত শুনি হিমাংশুৱে অনুভৱ কৰিছে— এয়া কোন নবীন গীটাৰ বাদকৰ জন্ম; যিয়ে তাৰ অতি প্ৰিয় সুৰটো বজাব পাৰে। সুৰটোৰ কোনো কোনো ঠাইত ভুল লাগিছে যদিও হিমাংশুৰ ভাল লাগিছে। সি এক তড়িত গতিত আহি জিৰণী কোঠাত প্ৰৱেশ কৰি দেখে এয়া দেখোন অংকিতা। সি অংকিতাৰ ওচৰ চাপি গৈ এক কৰুণ দৃষ্টিত অংকিতালৈ চাই কৈছিল— "তুমি বজোৱা সুৰটো কোনো কোনো ঠাইত ভুল লাগিছে যদিও অলপ যত্ন কৰিলে তুমি দেখিছোঁ মোৰ নাম-যশ সকলো লোপ কৰি পেলাবা।" হিমাংশুৰ কথাকেইটা শুনি অংকিতাই অনুভৱ কৰিছে আজি যেন হিমাংশুৱে তাইক ইতিকিং কৰিছে। অংকিতাই গীটাৰখন এক মৃদু থেকেচা মাৰি এক প্ৰবল গতিত ৰুমৰপৰা ওলাই আহিল। অংকিতাৰ এনে ব্যৱহাৰে হিমাংশুক অতিষ্ঠ কৰি তুলিলে। মানৱীয়তাৰ খাতিৰত গীটাৰখন আগৰ ঠাইত থৈ হিমাংশু ওলাই আহিল।

দ্বিতীয় দিনা হিমাংশু কলেজলৈ আহি অংকিতাৰবাবে অপেক্ষা কৰি আছিল। অন্য দিনা অংকিতা আহিয়েই হিমাংশুক দেখা কৰি এটি মুকুতা সৰা হাঁহি মাৰি শুভ ৰাতিপুৱা জ্ঞাপন কৰে; কিন্তু আজি অংকিতাই হিমাংশুলৈ নাচালেও আৰু কোনো সঁহাৰিও নজনালে। পোনে পোনে লাইব্ৰেৰীলৈ গৈ বাতৰি পঢ়াত ব্যস্ত হৈ পৰিল। অংকিতাৰ এনেবোৰ ব্যৱহাৰে হিমাংশুক ক্ষুণ্ণ কৰি পেলাইছিল। হিমাংশুৱে ভাবিছিল; অভিমান শেষ হলেই নিশ্চয় স্বাভাৱিক অৱস্থালৈ উভতি আহিব; কিন্তু ক'তা তৃতীয় দিনাও অংকিতাৰ একে ব্যৱহাৰ।

সেইদিনা হিমাংশুৰ ভবা শক্তি সম্পূৰ্ণ হেৰাই গৈছিল। যাক মনে-প্ৰাণে ভাল পায় তাইৰপৰা এনে ব্যৱহাৰ। তাৰ আৰু সহ্য নহয়। আজি যেন হিমাংশুৱে কিবা এটা হেৰুৱাই পেলাইছে। এটি ভাৱাক্ৰান্ত মন লৈ হিমাংশু কলেজৰ পৰা ওলাই আহিছিল; কিন্তু সি ঘৰলৈ উভতি যোৱা নাছিল। হেৰাই যোৱা প্ৰতিমাৰ প্ৰাণ দিবলৈ হিমাংশু মোহময়ী পৃথিৱীৰ কোনোবা একোণত হেৰাই গৈছিল। হিমাংশু চিৰদিনৰবাবে নিৰুদ্দেশ হৈ পৰিল।

কেইবাদিনো হিমাংশু কলেজলৈ নহা দেখি অংকিতাই হিমাংশুহঁতৰ ঘৰৰ ওচৰৰে অৰুন্ধতী নামৰ ছোৱালীজনীক সুধি গম পালে হিমাংশু আজি কেইবাদিনো ঘৰত নাই। আজি এসপ্তাহ মানৰ আগতে কলেজলৈ আহি ঘৰলৈ উভতি যোৱা নাই। কথাকেইটা শুনি অংকিতা আবেলিৰ ৰান্ধনী বেলিটোৰ দৰে ৰঙা হৈ পৰিছিল। অংকিতাই নিজকে দোষী সাব্যস্ত কৰি কলেজৰ পৰা উভতি আহিছিল আৰু ওচৰে-পাজৰে হিমাংশুৰ খবৰ লৈ কোনো উত্তৰ নোপোৱাত শেষত হিমাংশুক বিচাৰি যোৱাৰ সিদ্ধান্ত লৈছিল। অংকিতা আজি অনুশোচনাত দগ্ধ হৈ পৰিছিল। কাৰণ তাই কৰা এটা সামান্য অভিমানেই যে হিমাংশুক তাইৰ পৰা ইমান দূৰলৈ লৈ যাব ভবা নাছিল। অংকিতাই হিমাংশুক বিচাৰি বিচাৰি ইখন চহৰৰ পৰা সিখন চহৰলৈ গৈ গৈ তায়ো প্ৰায় নিৰুদ্দেশ হৈ পৰিল।

আৰু আনপিনে অৰবিন্দ তেওঁ আজি জীৱন নাটৰ এজন পৰাজিত নায়ক, যি হিমাংশুৱে এদিন অৰবিন্দক দিছিল জীয়াই থকাৰ প্ৰেৰণা। সেই হিমাংশু কলেজলৈ গৈ উভতি নহাৰ দিন ধৰি বিচাৰি বিচাৰি ভাগৰুৱা হৈ পৰিছে। হিমাংশুৰ অনুপস্থিতিয়ে অৰবিন্দৰ সকলোবোৰ নিষ্ফল হৈ পৰিছে। আনকি ভাতকেইটা খাবলৈ লৈও এবাৰ পদুলিলৈ ওলাই চাইছে; কিজানি হিমাংশু উভতি আহিছেই। আনকি হিমাংশুৰ বাবে অৰবিন্দই আজীৱন দুৱাৰ মুকলি কৰি ৰাখিছে; কিন্তু হিমাংশু আৰু উভতি নাহিল। অৰবিন্দৰ খুলি ৰখা দুৱাৰ খোলা হৈয়ে ৰ'ল......✧

# মহান বিজ্ঞানীৰ ৰসাল কাহিনী

সংগ্ৰাহক ঃ
শ্ৰীমতী মিতালী চাংমাই
স্নাতক, ২য় বৰ্ষ

বিশ্ববিখ্যাত মাৰ্কিন বিজ্ঞানী টমাচ আলভা এডিছনৰ ধৈৰ্য্য আৰু একাগ্ৰতাৰ তুলনা নাই। তেওঁ একেলেথাৰিয়ে বহুত সময় একেটা কামতে লাগি থাকিব পাৰিছিল। কামত ধৰিলে খোৱা-বোৱা সকলো পাহৰি গৈছিল। এদিনাখনৰ কথা— এডিছনে বিজ্ঞানৰ কিবা এটা পৰীক্ষাত ৰাতিপুৱাৰ পৰা ব্যস্ত আছিল। ইপালে পত্নীয়ে দুপৰীয়াৰ ভাত বাঢ়ি বৈ আছে। ভাত খাবলৈ পত্নীয়ে এডিছনক কেবাবাৰো মাতিলে; কিন্তু এডিছনৰ গা নল'ৰিল। তাৰ পিছত পত্নীয়ে দুবাৰ মান চিঞৰিও মাতিলে। তথাপিও এডিচনৰ কাণসাৰেই নাই। অৱশেষত খং উঠি পত্নীয়ে পানী এবাল্টি নি এডিছনৰ মূৰত ঢালি দিলে। এইবাৰ এডিছন খাবলৈ বুলি উঠিল, কিন্তু খং হ'লে নুঠিল। তেওঁ মাত্ৰ হাঁহি মাৰি ক'লে— 'গাজনি ঢেৰেকণিৰ পিছত বৰষুণ আহিব বুলি মই ভাবিছিলোৱেই।'

# প্ৰাচীৰ পত্ৰিকা শিতান

# অসমীয়া বিজ্ঞানীলৈ ভাটনগৰ বঁটা প্ৰদান

শ্ৰীমতী মধুস্মিতা বৰগোহাঁই
স্নাতক, ১ম বৰ্ষ

*বিশুদ্ধ বিজ্ঞান আৰু প্ৰায়োগিক বিজ্ঞান বোলা কোনো বিজ্ঞান বিষয় নাই— আছে কেৱল বিজ্ঞান আৰু বিজ্ঞানৰ প্ৰয়োগ।*
*— লুই পাষ্টুৰ।*

অধ্যাপক ড° ভূপেন্দ্ৰ নাথ গোস্বামীলৈ ১৯৯৫ চনত ভাটনগৰ বঁটা আগবঢ়োৱা হয়। বাংগালোৰত অৱস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্সৰ (Indian Institute of Science) বায়ুমণ্ডলীয় বিজ্ঞান কেন্দ্ৰৰ (Centre for Atmospheoric Science) বায়ুমণ্ডলীয় বিজ্ঞানৰ- গৱেষণাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বাবে এই বঁটা প্ৰদান কৰা হৈছিল। উল্লেখযোগ্য যে ভাটনগৰ বঁটা; বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গৱেষণাৰ ক্ষেত্ৰত লেখত ল'বলগীয়া অৱদান আগবঢ়োৱাৰ বাবে প্ৰদান কৰা আমাৰ দেশৰ সৰ্বোচ্চ বঁটা।

বৰপেটাৰ পাটবাউসীত জন্মগ্ৰহণ কৰা ড° গোস্বামীয়ে কটন কলেজৰ পৰা ১৯৬৯ চনত বি,এছ,ছি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৭১ চনত এম,এছ,ছি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ আহমেদাবাদৰ ফিজিকেল ৰিচাৰ্ছ লেবৰেটৰীত প্লাজমা পদাৰ্থ বিজ্ঞানৰ গৱেষণা আৰম্ভ কৰে। প্লাজমা কণাৰ অৰৈখিক (Non-linear) তৰংগৰ গৱেষণাৰবাবে ডঃ গোস্বামীক গুজৰাট বিশ্ববিদ্যালয়ে ১৯৭৭ চনত ডক্তৰেট ডিগ্ৰী প্ৰদান কৰে।

ড° গোস্বামীয়ে ফিজিকেল ৰিছাৰ্চ লেবৰেটৰীত প্লাজমা পদাৰ্থ বিজ্ঞানত উচ্চ পৰ্য্যায়ৰ গৱেষণা চলাই থকা অৱস্থাত এবাৰ আমেৰিকাৰ বিখ্যাত বতৰ বিজ্ঞানী এজনৰ লগত তেওঁৰ পৰিচয় ঘটে। পদাৰ্থবিজ্ঞান আৰু গণিত বিজ্ঞানত থকা ড° গোস্বামীৰ ব্যুৎপত্তিত মুগ্ধ হৈ উক্ত বিজ্ঞানীজনে তেওঁক বতৰ বিজ্ঞানৰ ক্ষেত্ৰত গৱেষণা কৰিবলৈ আমন্ত্ৰণ জনালে। লগতে বিশ্ববিখ্যাত গৱেষণা প্ৰতিষ্ঠান, আমেৰিকাৰ মেচ্ছেচুবেট ইনষ্টিটিউট অৱ্ টেকনল'জিত বতৰ বিজ্ঞানত গৱেষণা কৰিবলৈ ড° গোস্বামীলৈ এটি সম্মানীয় গৱেষণা বৃত্তি আগবঢ়ালে। ড° গোস্বামীয়ে ইয়াতেই প্লাজমা গৱেষণাৰ ক্ষেত্ৰ পৰিত্যাগ কৰি বতৰ বিজ্ঞানত গৱেষণাৰ পাতনি মেলে। ইতিমধ্যে ড° গোস্বামীৰ গৱেষণাই আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে।✧

# মাতৃ

শ্ৰীপূৰ্ণকান্ত দাস
স্নাতক, ৩য় বৰ্ষ

ঃ "আই! গৰু-ছাগলী কেইটা চাবি, বন-বাৰীখিনি কৰিবলৈকো, নাযাবি, পঢ়ি থাকিবি। পৰীক্ষালৈনো আৰু কেইদিন। মই যাওঁ দেই।"— বাটে বাটে মাকে ৰিঙিয়াই তাইক কৈ গ'ল।

ঃ হ'ব বাৰু, তই যাচোন।— তাই কলে।

মাক গ'লগৈ। মাক যোৱালৈ তাই অলপ সময় চাই থাকিল।

এটা দুকঠলীয়া উৰুষা ঘৰ। চাল-বেৰ উঁৱলি যোৱা। চালত ভাঙৰ ডাঙৰ বিন্ধা। কলপাত দি ঢাকি থোৱা আছে। তাতেই বাস কৰে মাক আৰু জীয়েক দুয়ো। সিহঁত অকলশৰীয়া।

গৰু-ছাগলীকেইটা পদুলিলৈ উলিয়াই তাই সৰুসুৰা ঘৰুৱা কামবোৰ কৰি ল'লে। ঘৰ-দুৱাৰ মচি-কাচি মাটিৰ কলহেৰে পানী তুলিলে টিউবেলৰ পৰা। গাটো ভালদৰে ধুই কিছু সময় ৰ'দ ল'লে।

ঃ পিছত ভিজা চুলিখিনি জোঁকাৰি বান্ধি লৈ ভাতকেইটা ৰান্ধিবলৈ আখলত সোমাল। মাজতে এবাৰ গৰুকেইটাক ঘাঁহ-পানীও দি আহিল তাই। কামখিনি কৰোঁতে আঘোণৰ সেমেকা ৰাওলী পুৱাটো কেনেকৈ পাৰ হ'ল তাই গমকে নাপালে।

ঘৰতে কেইটামান গৰু-ছাগলী পুহি ঘৰখন কোনোমতে চলাই নিছে তাইৰ মাকে। মাক কেতিয়াবা দিন হাজিৰা কৰিবলৈকো যায়। তেনেকৈয়ে তেওঁ জীয়েকক পঢ়ুৱাইছে; তাই বিচৰা সকলোখিনি দিয়াৰ যত্ন কৰিছে। আগলৈ-পিছলৈ বুলিবলৈ এজনীয়েই ছোৱালী— অৰুণা। তাতে যেন তেওঁৰ পৰম সুখ, চৰম তৃপ্তি।

অতি কষ্টেৰে তাইক তেওঁ ডাঙৰ কৰিছে এজনী ঘাত মাউৰা ছোৱালীৰ দৰে। তাইক কেতিয়াও দেউতাকৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই তেওঁ। বুকুৰ উমেৰে জীপাল কৰি তাইক যেন ফুল এপাহৰদৰেই তেওঁ সাবটি লব। মাজে মাজে জীয়েকৰ নিস্তেজ গহীন শুকান মুখখনিলৈ চালে তেওঁৰ মনত শান্তি নোহোৱা হয়। ছোৱালীজনীৰ ওঁঠত হাঁহি নেদেখি বুকুৰ কোনোবাখিনি তেওঁৰ বিষাই উঠে। কেতিয়াৰপৰা বাৰু তাই ইমান গহীন হ'ল। কথাবোৰ ভাবি তেওঁ পাৰ নেপায়। ভাব হয় তেওঁ যেন ভুল কৰি পেলাইছে— কিবা এটা মাৰাত্মক ভুল। নহ'লেনো তাই ইমান গহীন হ'ব কিয়? মুখৰ হাঁহি, ৰঙীয়াল মনটো তাইৰচোন কেতিয়াও জঁয় পৰা তেওঁ দেখা নাই! তেন্তে? পৰিৱৰ্ত কাষৰপৰা তাইক লৈ অহাৰবাবে তাই বাৰু তেওঁক বেয়া পাইছে নেকি? এবাৰ যদি সুধি চালেহেঁতেন তাইক।

মাকৰ মুখখন চালে অৰুণাৰ বেয়া লাগে। এখন ৰঙীণ মুখ কেনেকৈ যে জঁয় পৰি গ'ল। গাত যদিও এতিয়া বয়সৰ আচোঁৰ লাগিছে তথাপি মনটো তেওঁৰ যৌৱনৰ চঞ্চলতাৰে ভৰপূৰ। তথাপি মাকৰ মনটো তাই সুখী হোৱা নেদেখে। কিবা এটা অপূৰ্ণতাই তাইৰ মাকৰ মনতো ভাৰাক্ৰান্ত কৰি তুলিছে নেকি?— তাই ভাবে।

কেতিয়াবা তাইৰ দুখ লাগে। তাইৰ বাবে আনৰ ঘৰত লেদেনা খাটি মৰা মাকজনীক তাই জানো সুখী কৰিব পাৰিছে! তাইৰপৰা তেওঁ যে কিমান আশা কৰে। তাইৰ বাদে মাকৰ আছেই বা কোন? যিবোৰ আছে অঙহী-বঙহী সেইবিলাকচোন নথকাৰ দৰেই।

তাই তেতিয়া সপোন দেখে— এখন ভাল ঘৰ সাজিব তাই। য'ত থাকিব তাই আৰু তাইৰ মাক। এখন সুন্দৰ সংসাৰ পাতিব সিহঁতে.....মাক তেতিয়া হয়তো সুখী হ'ব তাইক লৈ।

তেতিয়া তাই সৰু আছিল। তথাপি কিছুমান কথা তাই মানসপটত স্মৃতি হিচাপে জীপাল কৰি ৰাখিছিল অতদিনে। যাক তাই দেউতা বুলি সম্বোধন কৰিছিল, তেওঁ কেতিয়াও তাইক মৰম কৰা তাইৰ মনত নপৰে। তাইৰ দেউতাকৰ ঘৰখন তাইৰ মানসপটত ৰিণিকি ৰিণিকি ভাঁহি উঠে। তাইৰ দেউতাকে দুগৰাকী বিয়া কৰাইছিল। সিগৰাকীক তাইৰ মাকৰ আগতে বিয়া কৰাইছিল। সেই গৰাকী মাকে তাই আৰু তাইৰ মাকক চকু পাৰি দেখিব নোৱাৰে আৰু নানান অত্যাচাৰ কৰিছিল। তাই আচৰিত হৈছিল— যেতিয়া এই অত্যাচাৰবোৰ দেখি-শুনিও দেউতাক নীৰৱে আছিল। এদিন অৰুণাৰ মাক সেইখন ঘৰৰপৰা ওলাই আহিব লগা হৈছিল চিৰদিনৰ বাবে। মাকে লগত তাইকো লৈ আহিছিল।

প্ৰথমে অৰুণাহঁত আইতাকহঁতৰ ঘৰলৈকে আহি থাকিব লগা হৈছিল। তেতিয়া তাইৰ আইতাক জীয়াই আছিল। সতিনী খটা কিমান যে কষ্টকৰ সেই কথাই তাইৰ মনত বাৰুকৈয়ে সাঁচ বহুৱাইছিল। এদিন আইতাকহঁতৰ ঘৰৰপৰাও সিহঁত আঁতৰি যাব লগা হ'ল আৰু এখন নিজা ঘৰ সাজি থাকিবলৈ ল'লে।

ঘৰখন টনকীয়াল কৰাৰ স্বাৰ্থত মাকে আনৰ ঘৰত ৰোৱনী দাৱনী হিচাপে কাম কৰিব লগাত পৰিল। লগতে অৰুণাৰ পঢ়া-শুনাৰ সুবিধাটো কৰিবলৈ নাপাহৰিলে। এদিন অৰুণা হাইস্কুলৰ ডেওনাত ভৰি দিলে। শৈশৱ এৰি কৈশোৰত ভৰি দিয়া এলাগী অৰুণাই যৌৱনত ভৰি দিলে। এইবোৰ কথা মাকৰ উপলব্ধি হোৱা নাছিল। তেওঁ ভাবিছিল অৰুণা এতিয়াও কণমানি এজনী ছোৱালী বুলিহে। পঢ়াৰ সুবিধাৰবাবে মাকে তাইক গাঁৱৰে শিক্ষিত ডেকা পৱিত্ৰৰ ওচৰলৈ টিউশ্যনৰ বাবে পঠালে। পৱিত্ৰৰ হাতত অৰুণাক গতাই মাক এক প্ৰকাৰ নিশ্চিত হ'ল যে তাইৰ ছোৱালী অন্ততঃ অলপ হলেও পঢ়া-শুনাত আগতকৈ উন্নত হ'ব; কিন্তু তেওঁ লক্ষ্যই নকৰিলে যে সদ্য যৌৱনপ্ৰাপ্ত অৰুণা আৰু পৱিত্ৰৰ মাজত প্ৰেমৰ অংকুৰণ হবলৈ ধৰিছে। আৰু এদিন পৱিত্ৰৰ লগত অৰুণা পলাই গুচি গ'ল; কিন্তু মাকে কথাটো সহজভাৱে নলৈ গাঁৱত মেল চপাই অৰুণাক পৱিত্ৰৰ কাষৰপৰা নিজৰ ঘৰলৈ ঘূৰাই আনিলে।

তেতিয়াৰে পৰা আজিলৈকে অৰুণা মাকৰ লগতে আছে। এদিন তাই পুনৰ পঢ়িবলৈ লৈছিল— হাইস্কুলৰ ডেওনাটো পাৰ হোৱাৰ মানসেৰে। মাকৰো এইটোৱেই ইচ্ছা আছিল। কিবা এটা কৰি দেখুৱাবলৈ অদম্য উৎসাহ অনুভৱ কৰিলে তাই। তেতিয়ালৈকে দেউতাকে সিহঁতৰ খবৰ এবাৰো লোৱা নাছিল। তাই সেইবাবে অলপ ক্ষুণ্ণও হৈছিল। সেইবাবেই তাই আগবাঢ়িছিল যাত্ৰাৰ পথত অদম্য হেঁপাহেৰে। এদিন তাই সফলো হৈছিল হাইস্কুলৰ ডেওনাটো সৰকি।

এতিয়া তাইৰ বাবে আৱশ্যক হ'ল এটি কৰ্মসংস্থাপনৰ; কিন্তু আজিৰ প্ৰতিযোগিতাৰ যুগত তাই বাৰু কেনেকৈ পায় এই কৰ্মসংস্থাপন। তাই হতাশ নহ'ল। অসম পুলিছ বেটেলিয়ন কোম্পানীৰ এটা ইণ্টাৰভিউত ভাগ লৈ চাকৰি এটা যোগাৰ কৰিবলৈ সক্ষম হ'ল। আৰু তাই তাইৰ দক্ষতা আৰু একাগ্ৰতাৰ যোগেদি কোম্পেনীৰ এটা গুৰুত্বপূৰ্ণ বিষয়বাব দখল কৰিলে।

কিন্তু তাইৰ বাবে তেতিয়াও ৰৈ আছিল অনেক ধুমুহা। সাগৰত জোৱাৰ উঠি মাৰ যোৱাৰ দৰে তাইৰ ধুমুহা কিন্তু মাৰ নগ'ল। তাইৰ আটাইতকৈ মৰমৰ মাকজনীয়ে তাইক নিঠৰুৱা কৰিবলৈ ক্ষণ গণি আছিল। মৃত্যু এক স্বাভাৱিক প্ৰক্ৰিয়া কিন্তু কেতিয়াবা ই হৈ উঠে সম্পূৰ্ণ অস্বাভাৱিক। এক মটৰ দুৰ্ঘটনাত পতিত হৈ অৰুণাৰ মাক হস্পিটেলৰ কোনোবা কোঠাত পৰি থাকিল। খবৰ পায়েই তাই মাকৰ ওচৰ পালেহি। কিছুদিন মাকক পৰিচৰ্য্যা কৰি তাই পুনৰ ঘূৰি যাব লগা হ'ল নিজ কৰ্মস্থানলৈ। আৰু কিছু দিনৰ পাছত মৃত্যুৰ সৈতে যুঁজি থকা মাকে মৰণক সাবটি লৈ চিৰশান্তিৰ শীতল কোলাত শুই পৰিল। খবৰ পায়েই তাই দৌৰি আহিল মাকৰ কাষলৈ। বগা কাপোৰেৰে মেৰিয়াই থোৱা শটোৰ কাষত তাই একো ক'ব পৰা নাছিল। তাইৰ দুচকুৱেদি বৈ আহিছিল মাত্ৰ ধাৰাসাৰ অশ্ৰু। তাই চাই আছিল মাকৰ নিষ্কলুষ মৰম আকলুৱা মুখখনিলৈ।— নিৰৱতাই কেতিয়াবা বহুত কিবাকিবি প্ৰকাশ কৰিব পাৰে। তাই মাকৰ মুখলৈ তেতিয়াও কেৱল চায়েই আছিল।✧

# চৰম সফলতা

শ্ৰীনিবিড় মোহন হাজৰিকা
স্নাতক, ১ম বৰ্ষ

মানৱ নামৰ প্ৰাণীটিয়ে
লিখিছিল বহু সভ্যতা
আৰু প্ৰগতিৰ ইতিহাস
আশা এটিও পুহিছিল
শান্তি নামৰ সতীৰ
শ্ৰী মুখ চাবলৈ।
কিন্তু নেদেখিলে আজিলৈকে
শান্তি নামৰ পৱিত্ৰ সতীৰ
হৃদয় জুৰ কৰা মুখ খনি
শ্ৰীমতী শান্তিৰ চৰম সফলতা।

**********

# ভগ্ন হৃদয়

শ্ৰীতুলসী শইকীয়া
স্নাতক, ২য় বৰ্ষ

ভাষা বিচাৰি ফুৰি ফুৰোঁতে
হঠাৎ মনত পৰিল তোমালৈ
মোৰ বৃথা ভৰা ভগ্ন হৃদয়ৰ
অকণমান মৰমৰ ৰেণু দি যাবলৈ
কবিতা নহয় মোৰ নাম.....
এটি মাথোঁ নিজৰা
কুলু কুলু সুৰেৰে বৈ যায় বুকুত বান্ধি
কিছুমান অস্ফুট বেদনা
নানা সংগে নানা ৰঙে
কৰি যাওঁ পোহৰ
প্ৰৱঞ্চনাত পৰি, সিও হয়
জান্তিপ প্ৰসৱ
তোমাৰ বাবেই টুকিলো এটুপি চকুলো
নল'লা বুটলি তাক বেদনাত ভুগিলোঁ।

***********

# আশাৰ বন্তি

শ্ৰীমতী ৰশ্মি দত্ত
উঃ মাঃ, ২য় বৰ্ষ

আজি কুঁহেলিকাময় অন্ধকাৰৰ মাজত
মাজৰাতি ৰজনীগন্ধাৰ নতুন সুবাস
শেঁতা পৰা মাধৱী জোপাইও
কুঁহিপাত মেলি হাঁহিছে....।
আজি নাই নিৰাশাৰ অক্লান্ত আক্ৰমণ
সন্মুখত মাথো বসন্ত ঋতুৰ সুমধুৰ ধ্বনি;
যেন ৰামধেনুৰ সাতোটা ৰঙৰ ৰঙীণ আভাৰে
পাতি দিলা স্বৰ্গৰাজ্য
বহু আশাৰ ৰেওনিত.........।
আজি নবয় অন্ধকাৰৰ স্বৰূতাৰ মন্দাকিনী
আৰু নবয় তেজৰ স্ৰোতাস্বিনী নদী;
মনৰ সংশয় দূৰ কৰি
নিৰন্তৰ মহত্ববাণী দিলা।
অবিৰতভাৱে...................।
আজি নাই মৃত্যু স্বপ্নৰ যান্ত্ৰণা
নিনাদি উঠিছে এটি স্বাস্থোস্বল পুৱা;
সেই ৰক্তিম সূৰ্য্যৰ পোহৰত
ম্লান পৰা এখনি মুখত
আশাৰ বন্তি জ্বলিছে.........।

***********

# বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—২০০১-০২ চন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল অসমীয়া সুযোগ্য সন্তানে অসমৰ জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনত নিজ স্বাৰ্থ ত্যাগ কৰি দেশৰ ভৱিষ্যতৰ অসমীয়া সন্তানসকলৰ বাবে হাঁহি হাঁহি প্ৰাণ আহুতি দি গ'ল; সেইসকল মহান বীৰ-বীৰাংগনা শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ। এই মহাবিদ্যালয়ৰ ছাত্ৰ শ্বহীদ মহেন্দ্ৰ নাথৰ লগতে এই মহাবিদ্যালয়ৰ কাৰণে যিসকল জ্ঞাত-অজ্ঞাত ব্যক্তিয়ে অশেষ কষ্ট স্বীকাৰ কৰিলে তেখেতসকলৰ মহৎ ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছোঁ।

২০০১-২০০২ শিক্ষা বৰ্ষৰ লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি আপোনালোকৰ সেৱা আগবঢ়াবলৈ যি সুবিধা দিলে, তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু সতীৰ্থবৰ্গলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। বিশেষকৈ বন্ধু দীপক, পুলক, দীলিপ, ৰমেন, বিতুমণি, ৰাজীৱ, মিণ্টু, কেশৱ, প্ৰাঞ্জল আৰু বিনীতা, এনি, বুলমণি, লগতে দাদা গনেশ, ৰূপকুমাৰ আৰু উত্তৰ লক্ষীমপুৰ আঞ্চলিক ছাত্ৰ সংস্থাৰ সমূহ বিষয়ববীয়ালৈকে মোৰ শ্ৰদ্ধা আৰু প্ৰীতি নিবেদন কৰিলো।

সময় নদীৰ খৰ সোঁত কেতিয়াও স্তব্ধ নহয়; নকৰে কাৰো ববে ক্ষণিকো অপেক্ষা। ঠিক তেনেদৰে ময়ো পাৰ কৰিবলৈ ধৰিছোঁ ২০০১-২০০২ স্মৃতিৰে পৰিপূৰ্ণ বৰ্ষটো। স্মৃতিৰে পৰিপূৰ্ণ এই বছৰটিত হৰ্ষ-বিষাদ আদি তিক্ততাৰে পূৰ্ণ অভিজ্ঞতাসমূহে মোৰ বিগত মুহূৰ্তবোৰ কেতিয়াবা অতি ৰোমাঞ্চিত আৰু কেতিয়াবা অতি হতাশাগ্ৰস্ত কৰি তোলে।

মোৰ এবছৰীয়া কাৰ্য্যকালত সামান্যতম অভিজ্ঞতাৰে উপলব্ধি কৰিব পাৰিছোঁ যে— ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া এই তিনিটা মৌজাৰ সংগম স্থলত অৱস্থিত লঃ তেঃ কঃ মহাবিদ্যালয়খনে ১৯৭৭ চনতে প্ৰতিষ্ঠা লাভ কৰে। ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়া এই অনুষ্ঠানটো এতিয়াও একেবাৰে চালুকীয়া। পূৰ্ণাঙ্গ অৱস্থা পাবলৈ হয়টো এতিয়াও বহু সময়ৰ প্ৰয়োজন।

এই অনুষ্ঠানটো গঢ় দিয়াত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া এই তিনিটা মৌজাৰ সকলো ৰাইজে যি একাগ্ৰতা আৰু নিষ্ঠাৰে কাম কৰি বৰ্তমান অৱস্থাটোত উপনীত কৰালে, সেইসকলৰ মাজৰে মইয়ো এজন হৈ যিমানখিনি সেৱা আগবঢ়াব লাগিছিল; সেইয়া দিব পাৰিলোনে নোৱাৰিলো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

এই মহাবিদ্যালয়খনি উন্নতিৰ পথত আগবঢ়াই নিবলৈ বহু অভিলাস আছিল; কিন্তু তাৰ সামান্যতম অভিজ্ঞতাহে লভিলো। সাধাৰণ সম্পাদকৰ গধুৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতেই মোৰ প্ৰথম পদক্ষেপ হিচাপে ছদিনীয়া কাৰ্য্যসূচীৰে যোৱা ইং ১০/১২/২০০১—১৫/১২/২০০১ তাৰিখলৈকে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ পালন কৰোঁ। তাৰ পিছত দুদিনীয়া কাৰ্য্যসূচীৰে শ্ৰীশ্ৰীসৰস্বতী পূজা পালন কৰোঁ। ইয়াৰ পাছত আমাৰ কাৰ্য্যকালত অনুষ্ঠিত কৰিবলগীয়া সমূহ অনুষ্ঠানতে সকলোৰে সহায়-সহযোগ কামনা কৰিলো।

দুখৰ বিষয় যে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে সম্পূৰ্ণভাৱে অংশ গ্ৰহণ নকৰাটো। ইয়াৰ লগে লগে শিক্ষাগুৰু সকল এই দিন কেইটাত ওতঃপ্ৰোতভাৱে জড়িত হ'লে ছাত্ৰ-ছাত্ৰীসকল বহু উপকৃত হ'ব। কেইজনমান দায়িত্বশীল শিক্ষাগুৰুৰ বাহিৰে এনে অনুষ্ঠানত অন্যসকলৰ অনুপস্থিতি পৰিতাপৰ বিষয়।

আমাৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰ আৰু ছাত্ৰীৰ বাবে সুকীয়াকৈ স্থায়ী জিৰণী কোঠা নিৰ্মাণৰ ব্যৱস্থা কৰাৰ বাবে কলেজ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে কলেজৰ মূল প্ৰৱেশ পথত কলেজৰ প্ৰতিষ্ঠাপক সভাপতি, "ইন্দেশ্বৰ শৰ্মা দেৱৰ সোঁৱৰণত তেখেতৰ পুত্ৰ অধ্যাপক শ্ৰীযুত নৰেণ শৰ্মা দেৱে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষ্যে এলানি স্থায়ী তোৰণৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তোলাৰ বাবে তেখেতলৈকো আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই সকলোৰে ওচৰত আমি চিৰ কৃতজ্ঞ।

মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰতে মোক বুদ্ধি-পৰামৰ্শ দি মোৰ কাম সুকলমে পালন কৰাত সহায় কৰাৰ ক্ষেত্ৰত মাননীয় অধ্যক্ষা মহোদয়াৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ লগতে মোক দিহা-পৰামৰ্শ দি সহায় কৰা প্ৰত্যেক গৰাকী মান্যবৰ শিক্ষক-শিক্ষয়িত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌশেষত বঢ়া-টুটা ভাষাৰে প্ৰতিবেদন দাঙি ধৰিলো। অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা ভিক্ষা মাগিছোঁ।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ভৱিষ্যতৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়

ছাত্ৰ একতা সভা

*ধন্যবাদ সহকাৰে*

**শ্ৰীনৰেণ হাজৰিকা**

সাধাৰণ সম্পাদক,

ছাত্ৰ একতা সভা

লঃ তেঃ কঃ মহাবিদ্যালয়

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সৰ্বপ্ৰথমেই মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ "লঃ তেঃ কঃ মহাবিদ্যালয় আলোচনীত কেইশাৰীমান লিখিবলৈ পাই নিজকে পৰম সৌভাগ্যৱান বুলি ভাবিছোঁ।

প্ৰতিবেদন লিখিবলৈ লওঁতেই মনত পৰিছে সেই দিনটোৰ কথা, যিদিনা মোক সহকাৰী সাধাৰণ সম্পাদক পদত মনোনীত কৰি এই মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ দিছিল। এই ক্ষণতে মহাবিদ্যালয়খনিৰ সমূহ অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা, ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ হিয়াভৰা মৰম আৰু শ্ৰদ্ধা নিবেদন কৰিলোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আমি প্ৰথমে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰোঁ। মহাবিদ্যালয় সপ্তাহৰ উদ্বোধক আছিল উত্তৰ লক্ষীমপুৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা সুপ্ৰভা মেধি আৰু মহাবিদ্যালয় সপ্তাহৰ মূল সভাৰ বিশিষ্ট অতিথিৰ আসন শুৱনি কৰিছিল প্ৰাক্তন অধ্যক্ষ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ শ্ৰীযুত নবীন দত্ত দেৱ আৰু আমাৰ মহাবিদ্যালয়ৰে প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত নাৰায়ণ বৰগোঁহাঞি দেৱে। ইয়াৰ উপৰিও সহকাৰী সম্পাদকৰ গুৰু দায়িত্বত থাকি মই বিগত বছৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ-অভিযোগবোৰ ছাত্ৰ একতা সভাৰ সহযোগত নানান সীমাবদ্ধতাৰ মাজেৰে যিমানখিনি পাৰোঁ পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো। আমি লোৱা বহুকেইটা আঁচনিয়ে পূৰ্ণতা নাপালে যদিও তাৰে কেইটামান আঁচনিয়ে এই সভাৰ কাৰ্য্যকালতে পূৰ্ণতা পালে। ইয়াৰে ভিতৰত চমুকৈ উনুকিয়াব পাৰি যে মহাবিদ্যালয়ৰ সৌন্দৰ্য্য পৰিৱেশ গঢ়ি তুলিবৰ বাবে বৃক্ষৰোপণ কাৰ্য্য; অধ্যাপক-অধ্যাপিকাসকলৰ যান-বাহনৰ বাবে এটি অস্থায়ী আস্থান নিৰ্মাণ। ছাত্ৰ একতা সভাৰ এক উল্লেখযোগ্য সাফল্য হৈছে মহাবিদ্যালয়ত Uniform ব্যৱস্থা বাধ্যতামূলক কৰা। আমাৰ পূৰ্বৰ ছাত্ৰ একতা সভাই Uniform প্ৰৱৰ্তন কৰিছিল যদিও আমাৰ কাৰ্য্যকালত ই সম্পূৰ্ণৰূপে পূৰ্ণতা লাভ কৰিছিল। আশা কৰোঁ এই ব্যৱস্থাই মহাবিদ্যালয়খনলৈ ভেদভাৱ আঁতৰাই এক সুস্থ আৰু সুশৃংখল পৰিৱেশ কঢ়িয়াই আনিব।

শেষত মোৰ অতি কম সময়ৰ অভিজ্ঞতা আৰু সীমাৰদ্ধ জ্ঞানেৰে ক'বলৈ গ'লে এবছৰৰ কাৰ্য্যকালৰ ভিতৰতে সকলো কাৰ্য্য সম্পন্ন কৰাটো সম্ভৱপৰ নহয়। তথাপি এইখিনি সময়ৰ ভিতৰতে আমি যিমান পাৰোঁ ছাত্ৰ-ছাত্ৰীসকলৰ অসুবিধাসমূহ দূৰ কৰাৰ বাবে চেষ্টাৰ ত্ৰুটী কৰা নাছিলো। আশা কৰোঁ আমাৰ পিছৰ ছাত্ৰ একতা সভাৰ সদস্যসকলে আমাৰ আধৰুৱা কামবোৰ আৰু অন্যান্য উন্নয়নমূলক কাৰ্য্যসমূহ সম্পন্ন কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব।

মোৰ কাৰ্য্যকালত আগবঢ়োৱা সহায়-সহযোগ, দিহা-পৰামৰ্শৰ বাবে ছাত্ৰ একতা সভাৰ সদস্যসকল, সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীলৈ কৃতজ্ঞতা জনাওঁ। লগতে বিগত বছৰটোত হোৱা নানা ভুল-ত্ৰুটীৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিলো।

প্ৰতিবেদনৰ শেষত সমূহজনলৈ এটাই অনুৰোধ, আমি যেন আমাৰ মহাবিদ্যালয়খন চিৰসেউজ আৰু পৰিষ্কাৰ কৰি ৰাখোঁ। আৰু নিজৰ ভৱিষ্যত জীৱনটোৰ লগতে মৰমৰ মহাবিদ্যালয়খনকো বিশ্ব দৰবাৰত জাকত জিলিকা কৰি তোলোঁ।

*"Hard Working is the Key of Success."*

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়

**শ্ৰীপুলক দাস**
সহকাৰী সাধাৰণ সম্পাদক,
লঃ তেঃ কঃ মহাবিদ্যালয়

# গুৰু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ প্ৰাক্-মূহুৰ্ততে দেশৰ তথা জাতিৰ মঙ্গলৰ কাৰণে নিজৰ জীৱনক ধূলিৰ লগত একাকাৰ কৰোঁতাসকললৈ প্ৰণিপাত তথা অশ্ৰু-অঞ্জলি জ্ঞাপন কৰিছোঁ আৰু সেই মহান শ্বহীদসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো। যিসকল মহান ব্যক্তিৰ অপৰিসীম আত্মবলিদান আৰু নিঃস্বাৰ্থ ত্যাগেৰে আজি আমাৰ এই মহাবিদ্যালয়খনিক এই স্থানত উপনীত কৰাইছেহি তেওঁলোকলৈ আমাৰ ফালৰপৰা ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ বহিঃক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে অকণমান সেৱা আগবঢ়াবলৈ এই অভাজনক যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰি সুবিধা প্ৰদান কৰিলে তেওঁলোকলৈ মোৰ ফালৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কেৱল পুথিগত অধ্যয়নৰ জৰিয়তেই এজন ব্যক্তিয়ে পৰিপূৰ্ণতা লাভ কৰিব নোৱাৰে। পুথিগত অধ্যয়নৰ লগতে এজন মানুহক খেল-ধেমালি, নাচ-গান আদিবো প্ৰয়োজন। খেল-ধেমালিৰ জড়িয়তে মানুহৰ মাজত ঐক্য-সম্প্ৰীতি, আত্মীয়তা গঢ়ি উঠাৰ লগতে মানুহৰ মন প্ৰফুল্লিত কৰি তোলে আৰু ই মানুহৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশ সাধনত সহায় কৰে। শিক্ষাগত অৰ্হতাই এজন ব্যক্তিক যেনেদৰে সমাজৰ এজন উচ্চ প্ৰতিষ্ঠিত সম্পন্ন ব্যক্তি হিচাপে গণ্য কৰায়, তেনেদৰে খেল-ধেমালিৰ জড়িয়তেও এজন ব্যক্তিক সমাজ তথা দেশৰ গৌৰৱৰ প্ৰতীক হিচাপে গণ্য কৰাত সহায় কৰে।

এটা কথা মই দুখেৰে প্ৰকাশ কৰোঁ যে— আমাৰ মহাবিদ্যালয়ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই নগণ্য। তথাপিও যিসকল প্ৰতিভাৱান প্ৰতিযোগীয়ে নিজৰ প্ৰতিভা বিকাশৰবাবে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল, তেওঁলোকৰ প্ৰতি মোৰ আন্তৰিক ধন্যবাদ থাকিল। অৱশ্যে আমাৰ মহাবিদ্যালয়ত কিছুমান খেলৰ সামগ্ৰীৰ অভাৱ পৰিলক্ষিত হয়। তথাপিও

পৰাপক্ষত মই সকলো খেলেই খেলাইছিলো। উক্ত খেলসমূহত মই কেইবাজনো আগ্ৰহী আৰু প্ৰতিভাৱান খেলুৱৈ দেখিবলৈ পাইছিলো। আমাৰ মহাবিদ্যালয়ত খেলৰ সামগ্ৰী সীমিত হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত ব্যাঘাত জন্মিছে। গতিকে অধ্যক্ষ মহোদয়াই অভাৱনীয় সামগ্ৰীসমূহ যোগান ধৰি ছাত্ৰ-ছাত্ৰীক প্ৰতিভা বিকাশত সহায় কৰিব বুলি আশা ৰাখিলো।

বিগত বছৰত মোৰ কাম-কাজ আৰু বাৰ্ষিক ক্ৰীড়া সপ্তাহত প্ৰতিযোগিতাসমূহ আৰু মোৰ কাৰ্য্যকাল সুকলমে চলাই যোৱাত অধ্যাপক শ্ৰীযুত বিজু সোণোৱাল দেৱে উপদেষ্টা হিচাপে থাকি সৎ দিহা-পৰামৰ্শ আৰু উপদেশেৰে মোক যি সহায় কৰিলে, সেই বাবে মই তেখেতৰ ওচৰত চিৰঋণী হৈ ৰ'ম আৰু লগতে অধ্যাপক শ্ৰীযুত বিদ্যুত চুতীয়া, অধ্যাপক শ্ৰীযুত বসন্ত দত্ত আৰু শ্ৰীযুত বদন কলিতা চাৰৰ লগতে কৰ্মচাৰীসকলৰ সহায়ৰ কথা মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

মোৰ দাদা শ্ৰীযুত ঋতুপৰ্ণ বৰগোহাঁই, হোমেন দাস, ভৰত দিহিঙ্গীয়া, তপন জ্যোতি বৰুৱা আৰু মোৰ বন্ধু উমানন্দ, পুলক, আনন্দ, নৰতন, যদু, হেমন্ত, দিপু আদিলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মানুহ মাত্ৰেই ভুল থাকেই। গতিকে মোৰ কাৰ্য্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

সদৌ শেষত লঃ তেঃ কঃ মহাবিদ্যালয়খনে সকলো দিশতে আমাৰ এই পিছপৰা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে শিক্ষা, খেল-ধেমালি আৰু আন-আন দিশত এখন নামজ্বলা, জাকতজিলিকা মহাবিদ্যালয় হিচাপে গঢ় লোৱাৰ আশাৰে মোৰ এই চমু প্ৰতিবেদনখনি সামৰণি মাৰিলো।

শ্ৰীঅচ্যুৎ গগৈ
স্নাতক, দ্বিতীয় বাৰ্ষিক
২০০১-২০০২ বৰ্ষ

## গুৰু ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফলঃ ২০০১-২০০২

**ল'ৰাৰ ১০০ (এশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীফুলকান্ত পেগু — স্নাতক ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীজগত শইকীয়া — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীজংকি দলে — উঃ মাঃ ২য় বৰ্ষ

**ল'ৰাৰ ২০০ (দুশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীঅচ্যুৎ গগৈ — স্নাতক ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীফুলকান্ত পেগু — স্নাতক ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীৰাজু গগৈ — স্নাতক ২য় বৰ্ষ

**ল'ৰাৰ ৪০০ (চাৰিশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীঅচ্যুৎ গগৈ — স্নাতক ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীজগত শইকীয়া — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীবিপ্লৱ নাথ — স্নাতক ১ম বৰ্ষ

**ল'ৰাৰ ৮০০ (আঠশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীঅচ্যুৎ গগৈ — স্নাতক ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীবিপ্লৱ নাথ — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীজগত শইকীয়া — স্নাতক ১ম বৰ্ষ

**ল'ৰাৰ ১৫০০ (পোন্ধৰশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীবিপ্লৱ নাথ — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীমৃদুল নাথ — উঃ মাঃ ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীহিতেশ ডেকা — স্নাতক ২য় বৰ্ষ

**ছোৱালীৰ ১০০ (এশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীমতী বুলমণি সোণোৱাল — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীমতী কল্যাণী গগৈ — উঃ মাঃ ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীমতী বন্তি হাজৰিকা — উঃ মাঃ ২য় বৰ্ষ

**ছোৱালীৰ ২০০ (দুশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীমতী কল্যাণী গগৈ — উঃ মাঃ ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীমতী বুলমণি সোণোৱাল — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীমতী ৰাণী দত্ত — স্নাতক ১ম বৰ্ষ

**ছোৱালীৰ ৪০০ (চাৰিশ) মিটাৰ দৌৰ**

প্ৰথম ঃ শ্ৰীমতী কল্যাণী গগৈ — উঃ মাঃ ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীমতী ৰুমী দত্ত — উঃ মাঃ ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীমতী ৰাণী দত্ত — স্নাতক ১ম বৰ্ষ

ছোৱালীৰ ৮০০ (আঠশ) মিটাৰ দৌৰ

প্ৰথম ঃ শ্ৰীমতী কল্যাণী গগৈ উঃ মাঃ ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীমতী বুলমণি সোণোৱাল স্নাতক ১ম বৰ্ষ

তৃতীয় ঃ ×

ল'ৰাৰ গধুৰ বস্তু দলিওৱা ঃ

প্ৰথম ঃ শ্ৰীফুলকান্ত পেগু স্নাতক ২য় বৰ্ষ (13Mt)

দ্বিতীয় ঃ শ্ৰীযুগল শইকীয়া স্নাতক ১ম বৰ্ষ (10.80Mt)

তৃতীয় ঃ শ্ৰীৰাজীৱ খনিকৰ স্নাতক ১ম বৰ্ষ (10.8Mt)

ল'ৰাৰ কাঁহী দলিওৱা ঃ

প্ৰথম ঃ শ্ৰীফুলকান্ত পেগু স্নাতক ২য় বৰ্ষ (86Mt)

দ্বিতীয় ঃ শ্ৰীৰাজীৱ খনিকৰ স্নাতক ১ম বৰ্ষ (71.9Mt)

তৃতীয় ঃ দীপেন নাথ উঃ মাঃ ১ম বৰ্ষ (71.4Mt)

ল'ৰাৰ জাঠি দলিওৱা ঃ

প্ৰথম ঃ শ্ৰীফুলকান্ত পেগু স্নাতক ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীজগত শইকীয়া স্নাতক ১ম বৰ্ষ

তৃতীয় ঃ শ্ৰীদীপেন নাথ উঃ মাঃ ১ম বৰ্ষ

ল'ৰাৰ ওখ জাপ ঃ

প্ৰথম ঃ শ্ৰীফুলকান্ত পেগু স্নাতক ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীতিলক নাথ স্নাতক ১ম বৰ্ষ

তৃতীয় ঃ ×

ল'ৰাৰ দীঘল জাপ ঃ

প্ৰথম ঃ শ্ৰীজগত শইকীয়া স্নাতক ১ম বৰ্ষ

দ্বিতীয় ঃ শ্ৰীদীপেন নাথ উঃ মাঃ ১ম বৰ্ষ

তৃতীয় ঃ শ্ৰীফুলকান্ত পেগু স্নাতক ২য় বৰ্ষ

ছোৱালীৰ দীঘল জাপ ঃ

প্ৰথম ঃ শ্ৰীমতী বুলমণি সোণোৱাল স্নাতক ১ম বৰ্ষ

দ্বিতীয় ঃ শ্ৰীমতী বৰ্ণালী বৰা উঃ মাঃ ২য় বৰ্ষ

তৃতীয় ঃ শ্ৰীমতী কল্যাণী গগৈ উঃ মাঃ ২য় বৰ্ষ

ছোৱালীৰ গধুৰ বস্তু দলিওৱা ঃ

প্ৰথম ঃ শ্ৰীমতী পূৰবী বৰুৱা স্নাতক ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীমতী বিস্মিতা বৰা উঃ মাঃ ২য় বৰ্ষ

তৃতীয় ঃ শ্ৰীমতী বন্তি হাজৰিকা উঃ মাঃ ২য় বৰ্ষ

ছোৱালীৰ কাঁহী দলিওৱা ঃ

প্ৰথম ঃ শ্ৰীমতী পূৰবী বৰুৱা স্নাতক ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীমতী বিস্মিতা বৰা উঃ মাঃ ২য় বৰ্ষ

তৃতীয় ঃ শ্ৰীমতী পূৰ্ণিমা শইকীয়া উঃ মাঃ ১ম বৰ্ষ

ছোৱালীৰ জাঠি দলিওৱা ঃ

প্ৰথম ঃ শ্ৰীমতী পূৰবী বৰুৱা স্নাতক ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীমতী বিস্মিতা বৰা উঃ মাঃ ২য় বৰ্ষ

তৃতীয় ঃ শ্ৰীমতী বুলমণি সোণোৱাল স্নাতক ১ম বৰ্ষ

লৰাৰ মাৰাথান দৌৰ ঃ

প্ৰথম ঃ শ্ৰীবিপুল নাথ স্নাতক ১ম বৰ্ষ

দ্বিতীয় ঃ শ্ৰীহিতেশ ডেকা স্নাতক ২য় বৰ্ষ

তৃতীয় ঃ শ্ৰীমৃদুল নাথ উঃ মাঃ ১ম বৰ্ষ

চতুৰ্থ ঃ শ্ৰীজগত শইকীয়া স্নাতক ১ম বৰ্ষ

শ্ৰীদীপেন নাথ উঃ মাঃ ১ম বৰ্ষ

*********

# আভ্যন্তৰীণ ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদন আৰম্ভ কৰিবলৈ লোৱাৰ আগতেই প্ৰণিপাত যাচিছোঁ যিসকল অসমীয়া সুযোগ্য সন্তানে অসম মাতৃৰ ৰক্ষাৰ কাৰণে নিজ স্বাৰ্থ ত্যাগ কৰি বিভিন্ন সময়ত নিজকে উছৰ্গা কৰিলে আৰু যিসকল বীৰ-বীৰাঙ্গনাই অসমৰ অস্তিত্ব ৰক্ষাৰবাবে নিজৰ প্ৰাণ হাঁহি মুখে আহুতি দিলে।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে লক্ষীমপুৰ-তেলাহী-কমলাবৰীয়া এই তিনিটা মৌজাৰ সোঁমাজত অৱস্থিত বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ একমাত্ৰ ঘাই কেন্দ্ৰস্বৰূপ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনিয়ে শিক্ষা আৰু বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাই আহিছে। এই মহান

অনুষ্ঠানখনিত ছাত্ৰ একতা সভাৰ আভ্যন্তৰীণ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে এই শিক্ষানুষ্ঠানৰ প্ৰতি সেৱা আগবঢ়াবলৈ অকণমান সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়াকে মুখ্য কৰি প্ৰতিজন শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধাযুক্ত সেৱা নিৱেদিছোঁ আৰু ছাত্ৰ-ছাত্ৰীবৃন্দলৈ মোৰ কৃতজ্ঞতা আৰু হিয়াভৰা ওলগ জনাইছোঁ।

ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত মনত বহুতো আশা লৈ মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰি যাম বুলি দৃঢ় সংকল্পবদ্ধ হৈছিলো। ছাত্ৰ-ছাত্ৰীক অৱশ্যে একো নতুনত্ব দিব নোৱাৰিলেও দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত মোৰ নিজৰ কৰ্তব্যত অলপো অৱহেলা কৰা নাছিলো আৰু মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠানতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিলো। অৱশ্যে আভ্যন্তৰীণ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে মই আপোনালোকক কি দিব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

মোৰ কাৰ্য্যকালৰ আটাইতকৈ উল্লেখযোগ্য মুহূৰ্তটো আছিল বাৰ্ষিক ক্ৰীড়া সপ্তাহ। এই ক্ৰীড়া সপ্তাহ ১০/১২/২০০১ ৰপৰা আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত মোৰ কাৰ্য্যত মই ভবাৰদৰে সফলতা অৰ্জন কৰিব নোৱাৰিলো। যিহেতু আমাৰ মহাবিদ্যালয়ত খেলৰ সামগ্ৰীসমূহৰ বাৰুকৈয়ে অভাৱ। তথাপিও মই কেইপদমান সামগ্ৰীৰে ক্ৰীড়া সপ্তাহ চলাবলৈ আগবাঢ়িছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ খেলৰ প্ৰতি আগ্ৰহ দেখি মই দুগুণ উৎসাহেৰে ক্ৰীড়া সপ্তাহ সুকলমে শেষ কৰিবলৈ সাহস পাইছিলো। এই ক্ষেত্ৰত সহায় আগবঢ়োৱা মাননীয়া অধ্যক্ষ মহোদয়া শ্ৰীযুক্তা ডঃ লাৱণ্য বুঢ়াগোঁহাই বাইদেউ, আভ্যন্তৰীণ ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত বিদ্যুৎ চুতীয়া চাৰ, অধ্যাপক শ্ৰীযুত প্ৰফুল্ল নাথ চাৰ, অধ্যাপক শ্ৰীযুত বসন্ত চাৰ আৰু অধ্যাপক শ্ৰীযুত বিজু সোণোৱাল চাৰৰ ওচৰত মই চিৰঋণী।

মোৰ কাৰ্য্যকালত বিভিন্ন সময়ত দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয়া অধ্যক্ষ মহোদয়া আৰু সকলো শিক্ষাগুৰু, কৰ্মচাৰী আৰু মোৰ বন্ধু-বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু প্ৰতিমুহূৰ্ততে সহায় আগবঢ়োৱা বিজুমণি, পপী, কংকনা, অপৰাজিতা, দীপালী, বৰ্ণালী, নিমিষা, বেবী, নিকুঞ্জ, ৰীতা, জুলি, বেলি, দ্ৰোণ, নৱতন, নিবিড়, প্ৰণৱ, প্ৰণৱজ্যোতি, ৰঞ্জু, উমা, অচ্যুৎ, কৰুণ, জীৱন দা, হৰনাথ আৰু মনত নপৰা বহুজনলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল।

শেষত লঃ তেঃ কঃ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি অজানিতে হোৱা ভুল-ক্ৰটীৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়

*ধন্যবাদ সহকাৰে*
**শ্ৰীমতী মধুস্মিতা বৰগোঁহাই**
লঃ তেঃ কঃ মহাবিদ্যালয়

## লঘু ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফল ঃ ২০০১-২০০২

**বেডমিন্টন ঃ**

| | | | |
|---|---|---|---|
| ছেম্পিয়ন | ঃ | শ্ৰীফুলকান্ত পেগু | স্নাতক ২য় বৰ্ষ |
| ৰানাৰ্চ্ছ আপ | ঃ | শ্ৰীতৰুণ দত্ত | স্নাতক ১ম বৰ্ষ |

**কেৰম বৰ্ড ঃ**

| | | | |
|---|---|---|---|
| ছেম্পিয়ন | ঃ | শ্ৰীভৰত চাংমাই | স্নাতক ৩য় বৰ্ষ |
| ৰানাৰ্চ্ছ আপ | ঃ | শ্ৰীৰূপজ্যোতি গগৈ | স্নাতক ৩য় বৰ্ষ |

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



সম্পাদিকাৰ কলমৰ আৰম্ভণিতে অলপতে আমাৰ মাজৰপৰা হেৰাই যোৱা খ্যাতনামা কবি স্বৰ্গীয় নৱকান্ত বৰুৱালৈ মোৰ প্ৰণিপাত জ্ঞাপন কৰিছোঁ। তেখেতৰ বৈদেহী আত্মাই চিৰশান্তি লাভ কৰক।

শব্দৰ গাঁথনিৰে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়া, উপাধ্যক্ষ মহোদয়, বিভাগীয় উপদেষ্টা প্ৰমুখ্যে চিৰপূজ্য শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰীসকললৈ সশ্ৰদ্ধ প্ৰণাম আৰু আন্তৰিক স্নেহ জ্ঞাপন কৰিছোঁ। ২০০০-২০০১ বৰ্ষৰ সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদিকাৰ পদত গৰিষ্ঠসংখ্যক ভোটেৰে বিজয়ী কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিলে তেওঁলোকলৈ মই ধন্যবাদ জ্ঞাপন কৰিলো।

সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদিকাৰ পদত অধিষ্ঠিত হোৱাৰেপৰা এখন সৰ্বাংগ সুন্দৰ আলোচনীৰ সপোন অহৰ্নিশে দেখিছিলো; কিন্তু সপোন সপোন হৈয়ে ৰ'ল। সেয়া বাস্তৱত ৰূপায়িত কৰিব পৰা নগ'ল। মোৰ এই সপোন বাস্তৱত সম্পূৰ্ণৰূপে ৰূপায়িত কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহো বাৰুকৈয়ে হ'ব লাগিব; কিন্তু সেই উৎসাহ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত একেবাৰে কম। ইয়াৰ উপৰিও লিখনি আৰু অৰ্থৰ অভাৱেও বহু পৰিমাণে হেঙাৰ হিচাপে থিয় দিছিল। লিখনিৰ বাবে ব্যক্তিগতভাৱে ছাত্ৰ-ছাত্ৰীক লগ ধৰিব লগা হৈছিল। যি কি নহওক, আমাৰ মুখপত্ৰখন প্ৰকাশৰ বাবে যিসকলে লিখনি আগবঢ়ালে সেই লেখক-লেখিকা সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো।

১০/১২/২০০১ তাৰিখৰ পৰা মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা অৱশ্যে কম বুলিব নোৱাৰি। তেওঁলোকৰ যোগ্যতাৰ বাবে তেওঁলোকৰ মনোযোগীকৈ পুৰস্কাৰ দিয়া হৈছিল। এই মহাবিদ্যালয় সপ্তাহত মোৰ বন্ধু-বান্ধৱ আৰু শিক্ষাগুৰুসকলৰ সহায়-সহযোগিতা চিৰদিন সুঁৱৰিম।

মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ পাছত মহাবিদ্যালয়ৰ পাঠদান সম্পূৰ্ণৰূপে বন্ধ হৈ যোৱাৰ পাছত লিখনি বিচৰাটো আৰু আন বহুতো কামত সমস্যাৰ সৃষ্টি হৈছিল; কিন্তু সমস্যা সমাধান কৰি এখন সৰ্বাংগসুন্দৰ আলোচনীৰ বাবে সকলো কষ্টকে মূৰ পাতি ল'ব লগা হৈছিল। ছাত্ৰ কতা সভাৰ সদস্য আৰু শিক্ষাগুৰু সকলৰ অমনোযোগিতাৰ বাবে এটা কামকে কেইবাবাৰো কৰিব লগা হৈছিল। সকলো সময়ৰ সম্বল বুলি এৰি দিছোঁ।

সদৌ শেষত মোৰ সকলো কামত সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আগবঢ়োৱা উপদেষ্টা অধ্যাপক লীলা বৰা ছাৰ, শ্ৰদ্ধাৰ অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোহাঁই, অধ্যাপিকা সোণেশ্বৰী বৰা, অধ্যাপক নাৰায়ণ গগৈ, অধ্যাপক বিজু সোণোৱাল, অধ্যাপিকা সম্পূৰ্ণা চলিহা, অধ্যাপিকা ৰুমী দত্ত, অধ্যাপক বদন কলিতা, অধ্যাপক প্ৰফুল্ল নাথ, অধ্যাপিকা ছালেমা বেগম, অধ্যাপক বসন্ত দত্ত অধ্যাপিকা জ্যোতি বৰুৱা, অধ্যাপিকা মীনা বাইদেউৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। লগতে মোৰ বন্ধু-বান্ধৱী নৰতন, ইমদাদ, মধুস্মিতা, দিপালী, কংকনা, বিজু, নিমিষা, গীতাশ্ৰী, যুগদা, বেবী, বেলি, ববিতা, কৰুণা, এনি, বুল, বিনীতা আৰু মোৰ কাৰ্য্যকালৰ প্ৰতিটো কামতে সহায় কৰা দাদা পুৰু, ভৱ, জয়ন্ত, মুকুল, প্ৰহ্লাদ, জুন, অনন্ত আৰু হোমেন এইসকলৰ লগতে আৰু বৰ্তমান মনলৈ নহা বহুজনলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত মোৰ দুবছৰীয়া কাৰ্য্যকালত অজানিতে হোৱা ভুল-ক্ৰুটীৰবাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ৰূপালী বৰ্ষৰ শুভ কামনাৰে।

শ্ৰীমতী অপৰাজিতা দত্ত

সম্পাদিকা, সাহিত্য আৰু আলোচনী বিভাগ

## সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঃ ২০০১-২০০২

**ইংৰাজী কৰিতা আবৃত্তি ঃ**

প্ৰথম ঃ শ্ৰীবৰ্ণালী নাথ — স্নাতক ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীৰূপজ্যোতি গগৈ — স্নাতক ৩য় বৰ্ষ
শ্ৰীঅপৰাজিতা দত্ত — স্নাতক ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীনৰেন হাজৰিকা — স্নাতক ১ম বৰ্ষ

**অসমীয়া কৰিতা আবৃত্তি ঃ**

প্ৰথম ঃ শ্ৰীভাৰতী বৰা — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীঅপৰাজিতা দত্ত — স্নাতক ২য় বৰ্ষ
শ্ৰীএনি গগৈ — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীনৰেন হাজৰিকা — স্নাতক ১ম বৰ্ষ
শ্ৰীকৰুণজ্যোতি শইকীয়া — স্নাতক ২য় বৰ্ষ

**ঠাইতে লিখা গল্প ঃ**

প্ৰথম ঃ শ্ৰীৰূপামণি বুঢ়াগোহাঁই — স্নাতক ৩য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীভাৰতী বৰা — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীধ্ৰুৱ চেতিয়া — উঃ মাঃ ১ম বৰ্ষ

**ঠাইতে লিখা কৰিতা ঃ**

প্ৰথম ঃ শ্ৰীবিনীতা দত্ত — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীভাৰতী নাথ — উঃ মাঃ ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীহেমন্ত চেতিয়া — উঃ মাঃ ২য় বৰ্ষ

**ৰচনা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শ্ৰীমুকুল নাথ — স্নাতক ৩য় বৰ্ষ

# কৃষ্টি শাখাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে লঃ তেঃ কঃ মহাবিদ্যালয়খনি যিসকল মহান ব্যক্তিয়ে উচ্চ শিক্ষা লাভৰ বাবে এই পিছপৰা অঞ্চলটিত গঢ় তুলিলে তেখেতসকললৈ মোৰ ফালৰপৰা শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ। লগতে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই দেৱ আৰু বৰ্তমান অধ্যক্ষ ড° লাৱণ্য বুঢ়াগোহাঁই বাইদেউৰ ওচৰত মোৰ শিৰ নত কৰিলো।

এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কৃষ্টি আৰু সাংস্কৃতিক সম্পাদকৰ দুবছৰীয়া দায়িত্বটি বহন কৰিবলৈ যিসকল ছাত্ৰ-ছাত্ৰী সুতীৰ্থবৃন্দই সু-পৰামৰ্শ শাৰীৰিক আৰু মানসিক কষ্ট ত্যাগেৰে এই দায়িত্বটি পালন কৰিবলৈ আগবঢ়াই দিছিল, তেখেতসকললৈ মোৰ হিয়াভৰা ওলগ যাঁচিলো। মোৰ প্ৰতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ আন্তৰিকতা সেইদিনাহে উপলব্ধি কৰিব পাৰিছিলো, যিদিনা মই ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোৰ প্ৰতিদ্বন্দী গৰাকীক বিনা কষ্টেৰে পৰাজয় কৰিছিলো। এই ক্ষেত্ৰত মোক বিশেষভাৱে সহায় কৰা কেইজনমান ছাত্ৰ-ছাত্ৰীক হয়তো কোনোদিনেই পাহৰিব নোৱাৰিম। তেখেতসকল হ'ল আনন্দ, ৰূপম, প্ৰশান্ত, মধুস্মিতা, বিজুমণি, নৰতন, নিবিড়, যদু, দীপালী, হেমন্ত আৰু অপৰাজিতা।

ছাত্ৰ একতা সভাৰ এই গধুৰ দায়িত্বটি শিৰ পাতি লৈ যিমান উৎসাহ-উদ্দীপনাৰে কাৰ্য্যত অগ্ৰসৰ হৈছিলো তাৰ সমপৰিমাণে হতাশাকো আকোঁৱালি ল'ব লগা হৈছিল, কাৰণ আমাৰ মহাবিদ্যালয়ৰ সীমিত বাদ্যযন্ত্ৰ আৰু সীমিত অৰ্থৰে সাংস্কৃতিক বিভাগটো চলাব লগা হৈছিল। অৱশ্যে এই ক্ষেত্ৰত মোৰ উপদেষ্টা হিচাপে থকা মাননীয় অধ্যাপিকা শ্ৰীযুক্তা অঞ্জলিকা ৰাজখোৱা আৰু অধ্যাপক শ্ৰীযুত বদন কলিতা, অধ্যাপক শ্ৰীযুত বসন্ত দত্ত, অধ্যাপিকা শ্ৰীযুক্তা সম্পূৰ্ণা চলিহা, অধ্যাপিকা শ্ৰীযুক্তা ৰূণালী গোস্বামী, অধ্যাপিকা শ্ৰীযুক্তা ৰুমী দত্ত বাইদেউৰ সহযোগ আৰু সু-পৰামৰ্শই মোৰ কাৰ্য্যক্ষেত্ৰত সফলতা আনি দিয়াত অশেষ সহায় কৰিছিল। তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই পোৱা কাৰ্য্যসূচীটো হ'ল — মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতা। প্ৰতিযোগিতাসমূহত প্ৰায়বিলাক প্ৰতিযোগীয়েই শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হয়। মহাবিদ্যালয় সপ্তাহৰ ২০০১-২০০১ চনৰ সাংস্কৃতিক বিভাগৰ সকলো প্ৰতিযোগিতাতে দক্ষতাৰে জয়লাভ কৰা শ্ৰেষ্ঠ গায়ক-গায়িকাসকললৈ মোৰ অভিনন্দন আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

সদৌ শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ এই আলোচনীৰ বাবে শুভেচ্ছা আৰু মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়

জয় আই অসম

*ধন্যবাদেৰে*

**শ্ৰীউমানন্দ বৰা**

কৃষ্টি শাখাৰ সম্পাদক

ছাত্ৰ একতা সভা

## কৃষ্টি প্ৰতিযোগিতাৰ ফলাফল ঃ ২০০১-২০০২

**বৰগীত ঃ**

প্ৰথম ঃ শ্ৰীতৰুণ কলিতা — স্নাতক ৩য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীসন্ধানী দত্ত — উঃ মাঃ ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীহেমন্ত গগৈ — স্নাতক ১ম বৰ্ষ

**জ্যোতি সংগীত ঃ**

প্ৰথম ঃ শ্ৰীসন্ধানী দত্ত — উঃ মাঃ ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীনিমিষা দেৱী — স্নাতক ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীপ্ৰশান্ত চুতীয়া — স্নাতক ২য় বৰ্ষ

**ৰাভা সংগীত ঃ**

প্ৰথম ঃ শ্ৰীকংকনা বৰা — স্নাতক ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীপ্ৰশান্ত চুতীয়া — স্নাতক ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীসন্ধানী দত্ত — উঃ মাঃ ২য় বৰ্ষ

**লোকগীত ঃ**

প্ৰথম ঃ শ্ৰীসন্ধানী দত্ত — উঃ মাঃ ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীহেমন্ত গগৈ — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীতৰুণ কলিতা — স্নাতক ৩য় বৰ্ষ

**আধুনিক গীত ঃ**

প্ৰথম ঃ শ্ৰীহেমন্ত গগৈ — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীসন্ধানী দত্ত — উঃ মাঃ ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীকংকণা বৰা — স্নাত্যক ২য় বৰ্ষ

**বনগীত ঃ**

প্ৰথম ঃ শ্ৰীহেমন্ত গগৈ — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীসন্ধানী দত্ত — উঃ মাঃ ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীপ্ৰশান্ত চুতীয়া — স্নাতক ২য় বৰ্ষ
শ্ৰীতৰুণ কলিতা — স্নাতক ৩য় বৰ্ষ

**পেৰডী ঃ**

প্ৰথম ঃ শ্ৰীহেমন্ত গগৈ — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীতিলক নাথ — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীসন্ধানী দত্ত — উঃ মাঃ ২য় বৰ্ষ
শ্ৰীৰাণী দত্ত — স্নাতক ১ম বৰ্ষ
শ্ৰীপ্ৰশান্ত চুতীয়া — স্নাতক ২য় বৰ্ষ

**ঐ-নিতম ঃ**

প্ৰথম ঃ শ্ৰীতৰুণ কলিতা — স্নাতক ৩য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীপ্ৰশান্ত চুতীয়া — স্নাতক ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীকৰুণা বৰা — স্নাতক ২য় বৰ্ষ

**বিহুগীত ঃ**

প্ৰথম ঃ শ্ৰীতৰুণ কলিতা — স্নাতক ৩য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীপ্ৰশান্ত চুতীয়া — স্নাতক ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীৰাণী দত্ত — স্নাতক ১ম বৰ্ষ

**হিন্দী গীত ঃ**

প্ৰথম ঃ শ্ৰীহেমন্ত দত্ত স্নাতক ১ম বৰ্ষ

দ্বিতীয় ঃ শ্ৰীকংকনা বৰা স্নাতক ২য় বৰ্ষ

তৃতীয় ঃ শ্ৰীসন্ধানী দত্ত উঃ মাঃ ২য় বৰ্ষ

**একক অভিনয় ঃ**

প্ৰথম ঃ শ্ৰীহেমন্ত চেতিয়া উঃ মাঃ ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীদিলীপ নাথ স্নাতক ১ম বৰ্ষ

তৃতীয় ঃ শ্ৰীবিপুল গগৈ স্নাতক ১ম বৰ্ষ

**মূকাভিনয় ঃ**

প্ৰথম ঃ শ্ৰীধ্ৰুৱ চেতিয়া উঃ মাঃ ১ম বৰ্ষ

দ্বিতীয় ঃ শ্ৰীতিলক নাথ স্নাতক ১ম বৰ্ষ

তৃতীয় ঃ শ্ৰীহেমন্ত চেতিয়া উঃ মাঃ ২য় বৰ্ষ

**ভেশচন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শ্ৰীবৰ্ণালী নাথ (পাগলী) স্নাতক ২য় বৰ্ষ

দ্বিতীয় ঃ শ্ৰীমিজুমণি দত্ত (ন্যায়) উঃ মাঃ ১ম বৰ্ষ

তৃতীয় ঃ শ্ৰীঅপৰাজিতা দত্ত (কনকলতা) স্নাতক ২য় বৰ্ষ

নিচুকণি ঃ শ্ৰীনৰেন হাজৰিকা (দৰা) স্নাতক ১ম বৰ্ষ

শ্ৰীহেমন্ত নাথ (কইনা) উঃ মাঃ ১ম বৰ্ষ

শ্ৰীদিলীপ নাথ (বামুণ) স্নাতক ১ম বৰ্ষ

**বছৰৰ শ্ৰেষ্ঠ গায়ক ঃ** শ্ৰীহেমন্ত গগৈ।

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ২০০১-২০০২ চনৰ ছাত্ৰ একতা সভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে অভাগীক নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰবাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

ইয়াৰ লগতে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যক্ষ তথা প্ৰতিষ্ঠাপক ঁদেৱব্ৰত গগৈদেৱ আৰু প্ৰয়াত প্ৰতিষ্ঠাপক সভাপতি ঁইন্দেশ্বৰ শৰ্মা, প্ৰতিষ্ঠাপক ভাৰপ্ৰাপ্ত অধ্যক্ষ ঁপ্ৰভাত চন্দ্ৰ বৰগোহাঞি আৰু প্ৰথম স্থায়ী অধ্যক্ষ প্ৰয়াত কৰুণা শৰ্মাদেৱৰ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ। লগতে সমূহ জাতীয় বীৰ শ্বহীদলৈ শ্ৰদ্ধা জনাইছোঁ।

অসমীয়াত এষাৰ কথা আছে "কথাতে বঁটা পায় কথাটে কটা যায়।" এই কথাফাঁকি অতীত, বৰ্তমান আৰু ভৱিষ্যতলৈও সঁচা হৈ থাকিব। শুদ্ধ উচ্চাৰণ, সমুমধুৰ শব্দ আৰু সু-ললিতভাৱে কথা ক'ব পৰাটোত এটা সুকীয়া সৌন্দৰ্য্য আছে। কোনো এটা উক্তিক যুক্তিৰে ফেৰমাৰি বলিষ্ঠ তথ্যৰে সঁচাক মিছা আৰু মিছাক সঁচা কৰাই হ'ল তৰ্ক বিষয়ৰ মূল কথা আৰু আলোচনা মানে হৈছে বাহিৰৰ জগতখনক চাব পৰা এখন খোলা খিৰিকি।

মোৰ ক্ষুদ্ৰ অভিজ্ঞতাৰ ওপৰত আস্থা ৰাখি ২০/১০/২০০১ তাৰিখে হোৱা মিটিঙত মই কাৰ্য্যভাৰ গ্ৰহণ কৰি প্ৰতিমুহূৰ্ত্তে মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰিবৰ বাবে চেষ্টা কৰি আহিছিলো।

ডিছেম্বৰ মাহৰ ১১/১২/০১ তাৰিখৰপৰা চলি থকা ক্ৰীড়া-সপ্তাহত ১৩/১২/০১ তাৰিখে মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাসমূহ হ'ল তৰ্ক, কুইজ, বাত্তৰি পঢ়া, আকস্মিক বক্তৃতা ইত্যাদি।

বৰ্তমান এই প্ৰতিযোগিতাৰ যুগটোত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহ আগবাঢ়ি গৈছে যদিও বিশেষভাৱে আগবঢ়া বুলি এতিয়াও ক'ব পৰা হোৱা নাই। তৰ্ক প্ৰতিযোগিতাৰ ফলাফল বৰ উৎসাহজনক নহয় যদিও কুইজ, আকস্মিক বক্তৃতা আৰু তৰ্কৰ ফলাফল বৰ বেয়া নহয়। এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হ'ব যে ছাত্ৰ-ছাত্ৰীসকলৰ অনুপযুক্ততাতকৈও সাহস আৰু একাগ্ৰতাৰ অভাৱ। কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এটা পলায়নবাদী মনোভাৱ লগত লৈ ফুৰিছে।

দ্বিতীয়তে, এটা কথা ক'ব পাৰোঁ যে প্ৰতিযোগিতাবোৰত আশানুৰূপ ফলাফল দেখুৱাবৰ বাবে এতিয়াও যথেষ্ট সুবিধাৰ অভাৱ। এইক্ষেত্ৰত আগবাঢ়িবৰ বাবে কেইখনমান কিতাপ আৰু বাতৰি আনিবৰ বাবে অধ্যক্ষ মহোদয়াৰ ওচৰত আবেদন দিছোঁ যদিও দুৰ্ভাগ্যবশতঃ সেই কাম এতিয়াও হৈ উঠা নাই। বাকী থকা কাৰ্য্যকালত এই অভাৱ পূৰাবৰ যৎপৰোনাস্তি চেষ্টা কৰিম। মোৰ বিশ্বাস এই কামত সহায় কৰি নিশ্চয় মহোদয়াই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ তাৰ্কিক; আলোচনাত্মক আৰু জিজ্ঞাসু মনৰ উৎকৰ্ষ সাধন কৰিব।

তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকা হিচাপে আমাৰ দায়িত্ব আৰু কৰ্তব্য নিচেই কম নাছিল। ক্ৰীড়া সপ্তাহৰ প্ৰতিযোগিতাসমূহ শৃংখলাবদ্ধভাৱে চলাই নিয়াত চেষ্টাৰ ত্ৰুটী কৰা নাছিলো। সফলতা-বিফলতাৰ বিচাৰ আলোনালোকৰ হাতত। বিশেষ অসুবিধাৰ বাবে বাৰ্ষিক ক্ৰীড়া সপ্তাহত আলোচনা চক্ৰ প্ৰতিযোগিতা পাতিব পৰা নগ'ল। ১০/১২/২০০১ তাৰিখে লক্ষীমপুৰ ভিত্তিত হোৱা এখনি তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ মই যথেষ্ট চেষ্টা চলাইছিলো যদিও ক্ৰীড়াসপ্তাহ চলি থকাৰ বাবে আৰু ক্ৰীড়া সপ্তাহৰ তৰ্ক প্ৰতিযোগিতাত উপযুক্ত তাৰ্কিক নোলোৱাৰ বাবে মাননীয় অধ্যাপক শ্ৰীযুত বসন্ত দত্ত ছাৰে যোগদান কৰাত অনুমতি প্ৰদান নকৰিলে।

নিৰ্বাচনৰ ঠিক ২০ দিনমানৰ পাছতেই কলেজ বন্ধ হৈ যোৱাৰ বাবে ক্ৰীড়াসপ্তাহৰ প্ৰতিযোগিতাৰ বাদে অন্যান্য কাম হাতত ল'ব পৰা নহ'ল। তাৰ বাবে সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা খুজিছোঁ। বাকী থকা কাৰ্য্যকালত ইন্দ্ৰেশ্বৰ শৰ্মা সোঁৱৰণি কুইজ প্ৰতিযোগিতাখন পতাৰ লগতে মহাবিদ্যালয়ৰ ভিতৰতে কুইজ, তৰ্ক আদি প্ৰতিযোগিতা পাতিবৰ বাবে আশা ৰাখিছোঁ। অৱশ্যে সেয়াও ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুসকলৰ সহায়-সহযোগৰ ওপৰতহে নিৰ্ভৰ কৰিব। আমি যিখিনি কৰ্মত আগবাঢ়িব নোৱাৰিলো সেয়া পিছৰ সম্পাদক/সম্পাদিকাই সম্পূৰ্ণ কৰিব বুলি আশা ৰাখিছোঁ।

এইখিনিতে বিশেষ অনুৰোধ কৰি থওঁ, ছাত্ৰ-ছাত্ৰীসকলে যাতে সকলো প্ৰতিযোগিতাত অংশ ল'বৰ বাবে অৱহেলা নকৰি সাহসেৰে আগবাঢ়ি আহে; যিহেতু চেষ্টাৰ অসাধ্য একো নাই। লগতে শিক্ষাগুৰুসকলকো এটা অনুৰোধ, তেখেতসকলেও যাতে কোনোবা বাহিৰৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ল'লে অনুপযুক্ত বুলি বাধা প্ৰদান নকৰে। যিহেতু আনৰ উপযুক্ততা দেখিলেহে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ উপযুক্ততা উপলব্ধি কৰিব পাৰিব।

মোৰ কাৰ্য্যকালৰ প্ৰতিটো কামত সহায়-সহযোগিতা আগবঢ়াই পৰিপুষ্টি সাধন কৰাৰ বাবে মাননীয় অধ্যাপক শ্ৰীযুত বসন্ত দত্ত ছাৰলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্যকালত সহায় আগবঢ়োৱা ৰিতু; দিলীপ, পুলক, বিদ্যুৎ জ্যোতি, জিতু, প্ৰাঞ্জল অবিনাশ, এনি, ৰশ্মি, বিনীতা, বুলমণি তথা অন্যান্য বন্ধু-বান্ধৱীসকললৈ মোৰ কৃতজ্ঞতা থাকিল।

শেষত লঃ তেঃ কঃ মহাবিদ্যালয়ৰ মাননীয়া অধ্যক্ষ মহোদয়াক মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। লগতে মোৰ কাৰ্য্যকালত সহায়-সহযোগ তথা দিহা-পৰামৰ্শৰে উৎসাহিত কৰাৰবাবে মাননীয় অধ্যাপকবৃন্দ— পৱিত্ৰ চুতীয়া, নাৰায়ণ গগৈ, লীলা বৰা, বিজু সোণোৱাল, বদন কলিতা, চম্পা তামুলী তথা অন্যান্য শিক্ষা গুৰুসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে সহকাৰী মাণিক দা, ধৰণী দা আৰু মোৰ সতীৰ্থ সম্পাদকসকললৈ মোৰ শুভেচ্ছা জনাইছোঁ।

শেষত তৰ্ক আৰু আলোচনা বিভাগৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি কৰাৰ লগতে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো। মোৰ আশা, বিভাগটো হৈ উঠক ছাত্ৰ-ছাত্ৰীৰ বাবে শুদ্ধ জ্ঞানৰ পথ প্ৰদৰ্শক, কৰ্মৰ প্ৰেৰণা আৰু উচ্চাকাঙ্খাৰ সুদৃঢ় ভেঁটি।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা অন্যান্যসকলৰ ওচৰত অজানিতে কিবা ভুল কৰিছিলো যদিও তাৰ বাবে ক্ষমা বিচাৰিছোঁ। লগতে প্ৰতিবেদনত অনিচ্ছাতে হোৱা ভুলৰ বাবেও ক্ষমা মাগিছোঁ।

সৰ্বশেষত মোক প্ৰতিবেদন দাখিল কৰিবলৈ এইকণ সুবিধা দিয়াৰ বাবে সকলোৰে ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি সম্পাদকীয় প্ৰতিবেদন সামৰিলো।

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়

জয় আই অসম

*ধন্যবাদেৰে*

**শ্ৰীমতী ভাৰতী বৰা**

তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা

## তৰ্ক আৰু আলোচনা চক্ৰৰ প্ৰতিযোগিতাৰ ফলাফল ঃ ২০০১-২০০২

**তৰ্ক প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শ্ৰীমুকুল নাথ — স্নাতক ৩য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীধ্ৰুৱ চেতিয়া — উঃমাঃ ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীকৰুণজ্যোতি শইকীয়া — স্নাতক ২য় বৰ্ষ

**বাতৰি পঢ়া প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শ্ৰীমুকুল নাথ — স্নাতক ৩য় বৰ্ষ
শ্ৰীভাৰতী বৰা — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীএনি গগৈ — স্নাতক ১ম বৰ্ষ
শ্ৰীবৰ্ণালী নাথ — স্নাতক ২য় বৰ্ষ
তৃতীয় ঃ শ্ৰীৰূপজ্যোতি গগৈ — স্নাতক ৩য় বৰ্ষ
শ্ৰীধ্ৰুৱ চেতিয়া — উঃ মাঃ ১ম বৰ্ষ

**আকস্মিক বক্তৃতা ঃ**

প্ৰথম ঃ শ্ৰীবিনীতা দত্ত — স্নাতক ১ম বৰ্ষ
দ্বিতীয় ঃ শ্ৰীমুকুল নাথ — স্নাতক ৩য় বৰ্ষ
তৃতীয় ঃ শ্ৰীধ্ৰুৱ চেতিয়া — উঃ মাঃ ১ম বৰ্ষ

**কুইজ ঃ**

প্ৰথম ঃ শ্ৰীহিতেশ ডেকা — স্নাতক ২য় বৰ্ষ
শ্ৰীকৰুণ শইকীয়া — স্নাতক ২য় বৰ্ষ
শ্ৰীৰূপামণি বুঢ়াগোহাঁই — স্নাতক ৩য় বৰ্ষ
শ্ৰীবৰ্ণালী নাথ — স্নাতক ২য় বৰ্ষ
দ্বিতীয় ঃ শ্ৰীএনিশা মহন্ত — স্নাতক ১ম বৰ্ষ
শ্ৰীবিনীতা দত্ত — স্নাতক ১ম বৰ্ষ
শ্ৰীবুলমণি সোণোৱাল — স্নাতক ১ম বৰ্ষ
শ্ৰীএনি গগৈ — স্নাতক ১ম বৰ্ষ
তৃতীয় ঃ শ্ৰীজয়ন্ত শইকীয়া — স্নাতক ২য় বৰ্ষ
শ্ৰীতিলক নাথ — স্নাতক ১ম বৰ্ষ
শ্ৰীমুকুল নাথ — স্নাতক ৩য় বৰ্ষ
শ্ৰীমধুস্মিতা বৰগোহাঁই — স্নাতক ২য় বৰ্ষ

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ প্ৰয়াত লোকসকলৰ স্বৰ্গীয় আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

দ্বিতীয়তে, যিসকল অসমীয়া সুযোগ্য সন্তানে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত নিজ স্বাৰ্থক ত্যাগ কৰি দেশৰ বাবে হাঁহি হাঁহি প্ৰাণ ত্যাগ কৰিলে সেইসকল অসমীয়া বীৰ শ্বহীদলৈ মোৰ সহস্ৰ প্ৰণিপাত যাচিছোঁ।

তৃতীয়তে, যিসকল সুধী, সহৃদয় আৰু বদান্য ব্যক্তিৰ আশীষ নিৰ্মালিৰে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনি ধন্য কৰি তুলিলে সেইসকল মহান ব্যক্তিলৈ মোৰ কৃতজ্ঞতাপূৰ্ণ ভক্তিৰ অঞ্জলি নিৱেদন কৰিছোঁ।

চতুৰ্থতে, মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ দিনৰেপৰা জড়িত প্ৰতি গৰাকী শিক্ষক, শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, দাতা আৰু সমাজকৰ্মীয়ে নিজৰ কৰ্মব্যস্ততা জীৱনৰ মাজত থাকিও নিজৰ স্বাৰ্থৰ কথা পাহৰি অনেক বাধা-বিঘিনি, ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি মহাবিদ্যালয়খনি এনে পৰ্য্যায় পোৱাত অৰিহণা যোগালে সেই সহানুভূতিশীল ব্যক্তিলৈ মোৰ ভক্তিভৰা প্ৰণাম জনালো। ২০০১-২০০২ শিক্ষাবৰ্ষৰ লঃ তেঃ কঃ মহাবিদ্যালয়ত মই বিনা প্ৰতিদ্বন্দিতাৰে ছাত্ৰ একতা সভাৰ সমাজ সেৱাৰ সম্পাদক পদত নিয়োজিত হ'বলৈ সুযোগ পাওঁ।

মানুহ যিহেতু জীৱশ্ৰেষ্ঠ আৰু সমাজপ্ৰিয় প্ৰাণী। সমাজপ্ৰিয় প্ৰাণী হিচাপে মই কথা আৰু কামৰ সামঞ্জস্য ৰক্ষা কৰি সমাজ সেৱা সম্পাদক হিচাপে মোৰ ৰঙীণ সপোন বাস্তৱত ৰূপ দিয়াৰ মানসেৰে মোৰ কাৰ্য্যকালৰ প্ৰাৰম্ভিক প্ৰয়াসতেই ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পৰাকৈ কেইটামান লক্ষ্য স্থিৰ কৰি লৈছিলো। সেয়া হৈছে—

(১) ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ৰ যিকোনো কামৰ জৰিয়তে সামাজিক দায়বদ্ধতাৰ প্ৰতি সচেতন কৰা।

(২) ছাত্ৰ-ছাত্ৰীসকলৰ কামৰ দক্ষতা আৰু প্ৰতিভাৰ বীজ অংকুৰিত কৰা।

(৩) আমাৰ মহাবিদ্যালয়ৰ আৰ্থিক দিশ টনকিয়াল হ'ব পৰা যিকোনো চৰকাৰী সামাজিক আঁচনিত অংশ গ্ৰহণ কৰা।

(৪) মহাবিদ্যালয়ৰ নিকটৱৰ্তী গাঁওসমূহত সামাজিক সেৱা আগবঢ়োৱা।

(৫) মহাত্মা গান্ধী বুনিয়াদী শিক্ষাক প্ৰত্যেকজনে সামাজিক সেৱা আগবঢ়োৱা আৰু ছাত্ৰ-ছাত্ৰীক হৃদয়ঙ্গম কৰোঁৱা ইত্যাদি বিভিন্ন অগ্ৰগতিৰ লক্ষ্যেৰে বছৰেকীয়া কাৰ্য্যকালত মোৰ দৃষ্টিভঙ্গীৰ পৰা মহাবিদ্যালয় আৰু সমাজলৈ সেৱা আগবঢ়াবলৈ সংকল্প লৈছিলো।

এই লক্ষ্য সন্মুখত ৰাখি ২২/১১/২০০১ তাৰিখে মই সকলো ছাত্ৰ-ছাত্ৰীৰে অৱগত হোৱাকৈ জাননী যোগে এখনি সমাজসেৱা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগীসকলৰ পৰা শ্ৰেষ্ঠ প্ৰতিযোগী সকলক নিৰ্বাচিত কৰি পুৰস্কাৰৰ ব্যৱস্থা কৰা হৈছিল।

ইংৰাজী ১৪/১২/২০০১ তাৰিখে মহাবিদ্যালয় সপ্তাহৰ মুকলি সভা উপলক্ষ্যে চৌহদৰ হাবি-জংঘল কটা, ডাঙৰ-ডাঙৰ গছত সৌন্দৰ্য্য বৃদ্ধিৰ বাবে ৰং দিয়া আদি কাম সমাজ সেৱাৰ জৰিয়তে কৰিছিলো।

